REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLALIVE ASSEMBLY
ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS
UNDER THE SOVEREIGN DEMOCRATIC
REPUBLICAN CONSTITUTION OF
INDIA

## BUDGET SESSION

**VOLUME IV**

**No. 12**

The 20th March, 1984

1989

PRINTED AT THE ABHIYATRI MUDRON ARU PRAKASHAN
CHENIKUTHI : GUWAHATI-3

REFERENCE
NOT FOR ISSU

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLALIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

### VOLUME IV

### No. 12

The 20th March, 1984

सत्यमेव जयते

1989

PRINTED AT THE ABHIYATRI MUDRON ARU PRAKASHAN
CHENIKUTHI ; GUWAHATI-3

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

( Budget Session )

Dated the 20th March, 1984

VOLUME IV

NO. 12

## CONTENTS


| | | |
|---|---|---|
| 1. | Questions ... .... .... | 3—27 |
| 2: | Voting on Demands for Grants ... | 27—80 |
| 3. | Calling Attention .... .... | 80—82 |
| 4. | Matter Under Rule 301 .... .... | 82—87 |
| 4. | Adjournment .... ... | 88 |


—×—

# Assam
# Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION

VOLUME IV

NO. 12

The 20th March 1984

**Proceedings of The Fourth Session of the Assam Legislative Assembly assembled after the Seventh General Election under the Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 20th March, 1984 with the Hon. Speaker in the Chair, 17 (Seventeen) Ministers, 6 (Six) Ministers of State, 6 (Six) Deputy Ministers, 1 (One) Parliamentary Secretary and 51 (Fifty one) Members present.

## STARRED

## QUESTIONS AND ANSWERS

### Date : 20th March, 1984.

### বি : নলবাৰী মহকুমাত পানীকলৰ মঞ্জুৰী।

শ্ৰীঅলিত চন্দ্ৰ বড়োৱে সুধিছে :

*৮৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) কামৰূপ জিলাৰ অন্তৰ্গত নলবাৰী মহকুমাৰ "লক্ষীপাৰ" গাওঁত কিমানটা পানীকলৰ (Tube Well) মঞ্জুৰী দিছিল ?

(খ) আটাইবোৰ পানীকল বহুওৱা হৈছেনে ?

(গ) যদি নাই হোৱা কাৰণ জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮৮। (ক)—ছটা পানীকলৰ মঞ্জুৰী মুখ্য অভিযন্তাই দিছিল।

(খ)—হৈছে।

(গ)—প্ৰশ্ন নুঠে।

শ্ৰীঅলিত বড়ো :—অধ্যক্ষ মহোদয়, এই গোটেইখিনি পানীকল বহুৱা বুলি কৈছে। এই কথাখিনি সত্য নহয়। মই নিজেই জানো যে, লক্ষীপাৰত ৬ টা কলৰ ঠাইত ৫ টা বহুৱা হৈছে আৰু আনটো কল লক্ষীপাৰৰ পৰা ১।। মাইল দূৰৈত মুক্তাপাৰ পাৰ হৈ এখন গাৱঁত বহুৱাইছে। মই নিজেও এই কথা আই চি দি পিৰ অফিচত অভিযোগ দিছিলো। এই পানীকলটো তাৰ পৰা উঠাই অনাৰ ব্যৱস্থা গ্ৰহন কৰিবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—মোৰ হাতত থকা তথ্যমতে ৬ টা পানীকল বহুৱা হৈছে। ৫ টা কলৰ পজেচন অনাৰক দিয়া হৈছে ; এটা কলৰ ক্ষেত্ৰত নিব পৰা নাই। কাৰণ এটা দিচপিউট চলি আছে। যি কি নহওক, মাননীয় সদস্য গৰাকীয়ে যি অভিযোগ উত্থাপন আনিছে এই অভিযোগ সম্পৰ্কে মই তদন্ত কৰিম। যদি কিবা আসোৱাহ আছে তাক দূৰ কৰাৰ ব্যৱস্থা কৰিম।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এটা পানীকল এতিয়াও বহুৱা নাই। যদি সেয়ে হয়, ৬টা বহুৱা বুলি কিয় কৈছে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ৬টা কল আচলতে বহুৱা হৈছে। বহুৱাৰ পিচত স্থানীয় যি সৰু কমিটি এখন থাকে, সেই কমিটিৰ সদস্য সকলে চহী কৰি দিব লাগে। তেতিয়াহে পজেচন দিয়া হয়। এটা কলৰ দিচপিউটৰ বাবে কাম বাকী আছে।

শ্ৰীবৰকটউল্লা :—অধ্যক্ষ মহোদয়, এই দিচপিউটটো কি জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মোৰ হাতত বিস্তৃত বিৱৰণ নাই। আৱশ্যক হলে আনিব পৰা যাব।

শ্ৰীপূৰ্ণ বড়ো :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, তাত এটা কমিটি আছে। টিউব ওৱেল বহুৱাওতে স্থান দিচপিউট কেনেকৈ হ'ল। কমিটি বিলাকত কোন কোন আছে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, যিখন কমিটিৰ কথা কৈছে সেইখন ইনষ্টলেচন কমিটি। কথা হৈছে ইনষ্টলেচন কমিটিত গাওঁ পঞ্চায়তৰ সদস্য থাকে, প্ৰেচিডেণ্ট থাকে আৰু পানীকলৰ ওচৰৰ মানুহজন থাকে। চাব প্লেন এৰিয়াত চাইট আই চি দি পিৰ পৰা কৰা হয়। চিডিউল কাষ্ট এৰিয়াত ডেভে-লপমেণ্ট বৰ্ডৰ দ্বাৰা কৰা হয়।

শ্ৰীঅলিত বড়ো :—অধ্যক্ষ মহোদয়, দিচপিউটৰ কথাটো মই ভালদৰে জানো এইটো দিচপিউট হোৱা নাই। বৌমাৰীৰ কলবাৰী চোবাত এই টিউব ওৱেল টো বহুৱা হৈছে। এই কলটো এঘৰ মানুহৰ চোতালত বহুৱা হৈছে। ৰাইজে সৰ্ব্বসন্মতিক্ৰমে যি ঠাই নিৰ্ব্বাচন কৰি দিয়ে সেই ঠাইত বহুৱাব লাগে। কিন্তু আচৰিত কথা যে, যি ঠাইত টিউব ওৱেল কৰা হল তাত কোনো চেংচন নাই। মন্ত্ৰী মহোদয়ে এইটো তদন্ত কৰি চাম বুলি কৈছে, এই তদন্ত মন্ত্ৰী মহোদয়ে নিজে কৰিবনে কোনোবা ইঞ্জিনিয়াৰৰ দ্বাৰাই কৰিব? ইঞ্জিনিয়াৰৰ দ্বাৰাই কৰালে আগৰ দৰেই তথ্য আহিব।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) : স্থানীয় ইঞ্জিনিয়াৰ দি নকৰালেও এনে ধৰণৰ মানুহৰ দ্বাৰা কৰা হব যাতে নিৰপেক্ষ প্ৰতিবেদন পাব পাৰো।

শ্ৰীঅলিত বড়ো :—অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে, তদন্ত কৰিবলৈ হলে লোকেল এচ, ডি, অৰ দ্বাৰাই তদন্ত হবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—মই ইয়াৰ তদন্ত কৰাৰ ব্যৱস্থা লম।

শ্ৰীহৰেন তালুকদাৰ :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, সৰু সৰু কিছুমান কমিটি কৰি দিয়ে। এই কমিটি সমূহ কোনে কৰে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—স্থানীয় বিষয়া আৰু ডিভিজনেল অফিচাৰ সকলে কৰে।

শ্ৰীহৰেন তালুকদাৰ :—অধ্যক্ষ মহোদয়, এতিয়ালৈকে কৰা হৈছে নে নাই আমি পোৱা নাই।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—এইটো চলি আছে।

শ্ৰীবকটউল্লা :—অধ্যক্ষ মহোদয়, যিটো দিচপিউটৰ কথা কৈছে তাৰ তথ্য-পাতি নাই বুলি মন্ত্ৰী মহোদয়ে কৈছে এই বিষয়ে জনাবনে? একচুৱেলি কি দিচপিউট হৈছে জনাবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, বিস্তৃত বিৱৰণ আৰু তথ্য প্ৰয়োজন হলে আনি দিব পৰা হব।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই নলী-নাদবোৰ কি ভিত্তিত আৰু কেনে ভাৱে বহুৱা হয়? কমিটি কৰা বুলি কৈছে কোন সমষ্টিত কিমান কৰা হল?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, আমাৰ সাধাৰণ নৰ্মচ হৈছে ১৫০ জন জনসংখ্যাৰ মাজত এটা টিউব ওৱেল আৰু ২৫০ জনৰ মাজত এটা ৰিং ওৱেল বহুৱা হয়। যদিও এইটো আমাৰ নৰ্মচ মহকুমা ভিত্তিত কত প্ৰাইঅৰিটি দিব লাগে সেইবিলাক বিচাৰ বিবেচনা কৰিবলৈ মহকুমা উপদেষ্টা কমিটি এখন গঠন কৰি দিয়া হৈছে, আমাৰ বিধায়ক সকলেই তাৰ সদস্য। মই আগতে উল্লেখ কৰিছো যে জেনেৰেল এৰিয়াত মহকুমা ভিত্তিত চাইট চিলেকচন কমিটি আছে আৰু চাব প্লেন এৰিয়াত আই, চি, ডি, পিৰ কমিটি আছে। এই কমিটিয়ে নিৰ্ধাৰণ কৰি দিয়ে। তাৰ উপৰিও নলী-নাদ বহুৱাৰ পিচতো সেইবোৰ যাতে ভালে থাকে, সেইবোৰ চোৱাৰ কাৰণে এখন স্থানীয় কমিটি গঠন কৰি দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা :—চাব প্লেন ভিত্তিত কমিটি গঠন কৰিছে হয়, সেই কমিটিৰ

ভিত্তিত কিমান গাৱঁত নলী-নাদ বহুৱা হৈছে ? গাৱঁৰ যিটো পিয়ল সেই পিয়ল এঘৰত চাহ-জলপান খাই তাতেই ১৫০ জন মানুহ বুলি কৈ বহুৱাই দিয়া হয় নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—আগতে কি ধৰণেৰে দিছিল মই কব নোৱাৰো, এতিয়া সেই দায়িত্ব মহকুমা ভিত্তিত কমিটি গঠন কৰি অৰ্পন কৰা হৈছে।

শ্ৰীবিমল গয়াৰী :—অধ্যক্ষ মহোদয়, যিবোৰ প্ৰবলেম ভিলেজ নহয় তাতো নলী-নাদ বহুৱা হৈছে, এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে অনুসন্ধান কৰিব নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) : - ইয়াৰ উত্তৰ মই আগতেই দিছোঁ।

শ্ৰীবিমল গয়াৰী :—কলবাৰী গাওঁখন প্ৰবলেম ভিলেজ নহয়, তাত চাৰিটা ৰিং ওৱেল দিয়া হৈছেই। তাৰ পৰা মঞ্জুৰী উঠাই অনাৰ ব্যৱস্থা কৰিব বুলি মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) :—তাৰ উত্তৰ মই আগতেই দিছোঁ।

## Re :— Chabati V: G. R.

Shri Lekhan Lahan asked :

*89 Will the Minister. Revenue be pleased to state :

a) Whether it is a fact that the Chabati V. G. R: in North Lakhimpur Sub-Division was thrown open for rehabilitation for flood affected families vide Govt. Notification No: RSG. 123/63/5. dt. 18th September. 1953 ?

b) If so, the number of families rehabilitated there ?

c) Whether definite area of land was alloted to each of the families and pattas issued against the allotes ?

d) If not. the reason thereot ?

Shri Keshab Chandra Gogoi (Minister. Revenue) replied :

89 a)—Yes.

b)—19 families were alloted land for their rehabilitation,

c)—Yes: definite areas were alloted to each of the families at the rate of 3 bighas per family. No pattas have been issued to the allotees.

d)—Pattas were not issued as watch had to be kept to see that the land is occupied on a permanent basis: Steps for issuing patta are being taken.

শ্ৰীলেখন লাহন :— অধ্যক্ষ মহোদয়, ভি ডি আৰব কিমান পৰিয়ালে চেটেলমেণ্ট বিচাৰিছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— মোৰ লগত থকা তথ্য মতে তাত মাটি আছিল ১০৮ বিঘা, আৰু ১৯ টা পৰিয়ালক এলৰ্টমেণ্ট দিয়া হৈছে।

শ্ৰীলেখন লাহন :—অধ্যক্ষ মহোদয়, ১৯ টা পৰিয়ালৰ প্ৰত্যেককে তিনি বিঘাকৈ মাটি দিয়া হৈছে। কিন্তু ১৯৫০ চনৰ পৰা ভি, ডি আৰত বহি থকা মানুহে কি কাৰণে পট্টা পোৱা নাই ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে ১৯ টা পৰিয়ালক দিয়া হৈছে, তাৰে ৯ টা অকুপাই কৰিছে। বাকীবোৰ অন্য জেগালৈ গুচি যোৱাৰ কাৰণে পট্টা পোৱা নাই।

বিঃ বলো বৰুৱাৰ হত্যা।

শ্ৰীহেমেন দাসে সুধিছে :

*৯০ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ১১।২।৮৩ ইং তাৰিখে ধেমাজী মহকুমাৰ ধেমাজী থানাৰ অন্তৰ্গত বৰুৱা গাওঁৰ বলো বৰুৱা আৰু কমলা কলিতাক কিছুমান দুৰ্বৃত্তই হত্যা কৰা কথাটো চৰকাৰে জানেনে ?

(খ) এই বিষয়ে ১২।২।৮৩ ইং তাৰিখে ভোগেশ্বৰ বৰুৱাই ধেমাজী থানাত এজাহাৰ দিছিলনে ?

(গ) যদি দিছিল, দুৰ্বৃত্ত সকলৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

৯০। (ক)—হয়, সচা।

(খ)—হয়। যোৱা ১২।২।৮৩ ইং তাৰিখে মৃত বলোৰাম বৰুৱাৰ বাপেকে শ্ৰীভোগেশ্বৰ বৰুৱাই এই সংক্ৰান্ততে ধেমাজী থানাত এখন এজাহাৰ দিছিল।

(গ)—ধেমাজী থানাৰ মোং নং ৬৪।৮৩ ভাঃ দঃ বিঃ আইনৰ ১৪৭। ১৪৮। ৩২৬। ৩০২ ধাৰাত মোং ৰুজু দি তদন্ত কৰা হয়। আৰু তদন্তক্ৰমে ৮ জন আচামীক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হয়।

শ্ৰীহেমেন দাসঃ— অধ্যক্ষ মহোদয় কেতিয়া গ্ৰেপ্তাৰ কৰিছে জনাব নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ— দেউতাকে এজেহাৰ দিয়াৰ লগে লগে গ্ৰেপ্তাৰ কৰা হৈছে।

শ্ৰীহেমেন দাসঃ— তাৰিখটো দিব নেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ— তাৰিখটো বাৰু মই জনাই দিম।

### বিঃ সৰুক্ষেত্ৰী সমষ্টিত খোৱা পানী যোগান।

শ্ৰীআমিৰ হামচা তালুকদাৰে সুধিছেঃ

* ৯১ মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ অন্তৰ্গত সৰুক্ষেত্ৰী সমষ্টিৰ কিমানখন গাঁৱত বিশুদ্ধ খোৱা পানীৰ বাবে বৰ্ত্তমান দমকল আৰু নাদ বহুওৱাৰ ব্যৱস্থা কৰা হৈছে?

(খ) নিৰ্বাচনত সকলো বিলাক গাঁৱত দমকল আৰু নাদ বহুওৱা হৈছেনে?

(গ) যদি হোৱা নাই, কিমান দিনৰ ভিতৰত দমকল ( নলী নাদ ) আৰু নাদ বিলাক বহুওৱা হব?

শ্ৰীৰঘুনাথ পামেগাম (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৯১। (ক)—বৰ্ত্তমানলৈকে ৭০ খন গাঁৱলৈ ৪২৮ টা দমকলেৰে খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হৈছে।

(খ)—দমকল বহুওৱাৰ কাম চলি আছে।

(গ)—যিমান সোনকালে পৰা যায়, দমকল বহুওৱাৰ কাম শেষ কৰা হব।

শ্ৰীআমিৰ হামচা তালুকদাৰঃ অধ্যক্ষ মহোদয়, মই জনামতে যিমানখিনি সংখ্যা দিয়া হৈছে সিমানখিনি হোৱা নাই।

শ্ৰীআমিৰ হামচা তালুকদাৰঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো

যে যি ৪২৮ টা দমকলৰ কথা কোৱা হৈছে সেইবিলাকৰ প্ৰত্যেকৰে পকা প্লেটফৰ্ম কৰি দিয়া হৈছে নেকি ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী :— অধ্যক্ষ মহোদয়, প্লেন এণ্ড এষ্টিমেট মতে পকা প্লেটফৰ্ম কৰি দিয়াৰ প্ৰভিজন আছে। অৱশ্যে ইতিমধ্যে ৪২৮ টা কলৰ ক্ষেত্ৰত সকলোতে পকা প্লেটফৰ্ম হৈছে নে নাই সেই তথ্য বৰ্ত্তমান মোৰ হাতত নাই।

শ্ৰীবৰকটুল্লা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি ৭০ খন গাঁৱলৈ ৪২৮ টা টিউবৱেল দিয়া হৈছে ইয়াৰ প্ৰত্যেকটোতে কিমানকৈ খৰচ কৰিছে ?

শ্ৰীৰঘুনাথ পামেগাম :— ইয়াৰ কাৰণে বেলেগ নটিচ লাগিব।

শ্ৰীআমিৰ হামচা তালুকদাৰ :— যি ৭০ টা টিউব ওয়েল দিয়া হৈছে তাত প্ৰবলেম ভিলেজ কিমান আছে আৰু নন প্ৰবলেম ভিলেজ কিমান আছে ?

শ্ৰীৰঘুনাথ পামেগাম :— সৰুক্ষেত্ৰী সমষ্টিত মুঠ গাঁৱৰ সংখ্যা হৈছে ৯৫ খন। তাৰ ভিতৰত নন প্ৰবলেম ভিলেজ হৈছে ৪৫ খন আৰু প্ৰবলেম ভিলেজ হৈছে ৬৭ খন।

শ্ৰীবৰকাটুল্লা :— মই আগৰ প্ৰশ্নটোলৈকে ঘূৰি গৈছো। যি বিলাক টিউব ওৱেল বহুওৱা হৈছে তাত কিমান পাইপ বহুওৱা হৈছে সেইটো তাৰ কাৰণে কিমান খৰচ পৰিছে সেইটো জানিব বিচাৰিছো।

শ্ৰীৰঘুনাথ পামেগাম :— কোন বিলাক টিউব ওৱেলত কিমান পাইপ খাইছে সেই তথ্য মোৰ হাতত।

শ্ৰীলেখন লাহন :—যি বিলাক টিউব ওৱেল বহুৱা হৈছে সেই বিলাক ভূগৰ্ভৰ কিমান তললৈ বহুৱা হৈছে আৰু তাত পানী পাইছেনে নাই ?

শ্ৰীৰঘুনাথ পামেগাম :— টিউব ওৱেল বিলাক টিউব ওৱেল হিচাবে ধৰিলে পানী পাবই লাগিব। পানী নাপালে সেই বিলাক টিউব ওৱেল হিচাবে ধৰা নহয়।

শ্ৰীআমিৰ হামচা তালুকদাৰ :— যি বিলাক গাঁৱত মানুহৰ পানী খোৱাৰ সুবিধা নাই লাগিলে সেই বিলাক প্ৰবলেম ভিলেজেই হওক সেই বিলাক গাঁৱত মানুহে পানী খোৱাৰ সুবিধা কৰি দিবনে ? প্ৰবলেম ভিলেজ আৰু নন প্ৰবলেম ভিলেজ কি ভিত্তিত ধৰিছে ?

শ্ৰীৰঘুনাথ পামেগাম :— এই বিলাক এতিয়া চাৰভে কৰি নিৰ্দ্ধাৰণ কৰা

নাই। এই বিলাক আগতেই চাৰভে কৰি নিৰ্দ্ধাৰণ কৰা হৈছে।

শ্ৰীআমিৰ হংশ তালুকদাৰ ঃ— নন প্ৰবলেম ভিলেজটো মানুহৰ বসতি আছে। তেওঁলোকো আমাৰ দেশৰে নাগৰিক। এইসকল মানুহক পানী খোৱাৰ ব্যৱস্থা কৰি দিবনে।

শ্ৰীৰঘুনাথ পামেগাম ঃ— অৱশ্যে ব্যৱস্থা কৰা হব।

শ্ৰীবিমল গয়াৰী ঃ— প্ৰবলেম আৰু নন প্ৰবলেম, এই বাৰ্মটো কি হিচাবত কৰা হৈছে। যি বিলাকৰ পৰা অফিচত আহি সমস্যাৰ সৃষ্টি কৰিব পাৰে সেই বিলাক প্ৰবলেম ভিলেজ আৰু যি বিলাকৰ পৰা মানুহ আহি অফিচত সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে সেই বিলাকেই নন প্ৰবলেম ভিলেজ নেকি?

মিঃ স্পীকাৰ ঃ— এইটোৰ উত্তৰ দিব নালাগে।

## বিঃ পৰিবহন নিগমৰ বাছ

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

*৯২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমানে পৰিবহন নিগমৰ চলি থকা বাছ কিমানখন আছে। আৰু অচলাৱস্থাত গেৰেজত পৰি থকা গাড়ী কিমান খন আছে জনাবনে?

(খ) যোৱা বছৰৰ ভিতৰত গেৰেজৰ পৰা সম্পূৰ্ণ ভাল হৈ কেইখন গাড়ী ওলাল জনাবনে?

(গ) অসমৰ বিভিন্ন ঠাইত থকা চৰকাৰী কাৰখানাৰ কৰ্মচাৰী কিমান, আৰু সেই সকল কৰ্মচাৰীৰ বাবদ মাহিলী বেতন কিমান দিয়া হয় জনাবনে?

(ঘ) নতুন বাছ অনাৰ প্ৰস্তাৱ আছে নেকি?

শ্ৰীজগন্নাথ সিংহ (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৯২। (ক)—বৰ্ত্তমান পৰিবহন নিগমৰ মুঠতে ৭৬৩ খন গাড়ী আছে। ইয়াৰ ভিতৰত ৪৬৭ খন গাড়ী চলি থকা অৱস্থাত আছে আৰু ১৬৭ খন গাড়ী বিভিন্ন কাৰখানা আৰু মেৰামতি কেন্দ্ৰত মেৰামতিৰ কাৰণে আছে। ইয়াৰোপৰি ১২৯ খন গাড়ী বেচিবৰ কাৰণে ৰখা হৈছে, কিয়নো এই গাড়ী কেইখন মিতব্যয়ীভাৱে মেৰামতিৰ কাৰণে উপযুক্ত নহয়।

(খ)— যোৱা বছৰত ১১ খন বিশেষ ভাৱে মেৰামতিৰ পিছত কাৰখানাৰ পৰা

উলিওৱা হৈছে। এই গাড়ী কেইখনৰ বাহিৰে মাহে গড়ে ১২৭ খন গাড়ী বিভিন্ন কাৰখানাৰ পৰা আন ধৰণৰ মেৰামতি কৰি উলিওৱা হৈছে।

(গ)—অসম পৰিবহন নিগমৰ ৯৬৬ জন মেকানিক আৰু ২৮১ জন ৪ৰ্থ শ্ৰেনীৰ কৰ্মচাৰী বিভিন্ন কাৰখানা আৰু মেৰামতি কেন্দ্ৰত আছে।

গড়ে মাহে এই কৰ্মচাৰী সকলক দিয়া বেতনৰ পৰিমান ৮·৭০ লাখ টকা মাত্ৰ।

(ঘ)—১৯৮৪-৮৫ চনত ১০৮ খন বাছ কিনাৰ প্ৰস্তাৱ আছে।

শ্ৰীমথুৰা ডেকা :— মেৰামতিৰ কৰা বাছৰ উপৰিও ভাল বাছ বিলাক বাটত বেয়া হলে কি কৰে আৰু ইয়াৰ কাৰণ কি ?

শ্ৰীজগন্নাথ সিংহ :—মেকানিকেল বা টেকনিকেল ডিফেক্ট হলে বেয়া হব পাৰে।

শ্ৰীমথুৰা ডেকা :—মেকানিকেল ডিফেকটেই হওক বা টেকনিকেল ডিফেক্টেই হওক ধেমাজিলৈ যাওতে বাটতে বেয়া হলে যাত্ৰীৰ কি সমস্যা হয় সেইটো জানেনে ?

শ্ৰীজগন্নাথ সিংহ :— আমি এৰোপ্লেনত কৰবালৈ গলে এৰোপ্লেনো বেয়া হয়। বেয়া হব পাৰে, কিন্তু আমি কেনেকৈ ভালকৈ চলাব পাৰো তাৰ চেষ্টা কৰি আছিছো।

শ্ৰীমথুৰা ডেকা :— বাটত এৰোপ্লেন বেয়া হল যাত্ৰী শেষ হৈ যাব। সাধাৰণতে বাটত এৰোপ্লেন বেয়া নহয়। বাচ বেয়া নহব পাৰে। গতিকে মন্ত্ৰী মহোদয়ৰ উত্তৰত আমি সন্তুস্ত হব নোৱাৰিলো।

শ্ৰীপূৰ্ণ বৰো :— ১৩০ খন গাড়ী বেচিব কাৰণে ৰখা হৈছে। এই বিলাক মিতব্যয়ী ভাবে মেৰামতিৰ অযোগ্য। কিন্তু মেকানিক ৯৬৬ জন ৰাখিছে। ইমান বিলাক মেকানিক থকা স্বত্বেও ১৩০ খন গাড়ী বেচিবলৈ লোৱা সিদ্ধান্ত উচিত হৈছেনে ?

শ্ৰীজগন্নাথ সিংহ :—যি বিলাক কনডেম গাড়ী সেই বিলাক মেৰামতি কৰিলেও কনডেম হৈহে যাব। সেই বিলাক যিমানেই ভাল কৰা হব সিমানেই বেয়া হৈহে যাব।

শ্ৰীমথুৰা ডেকা :— মেৰামতিৰ কাৰণে দৰ্মহা দি ৰাখোতে খৰচ হৈছে ৮·৭০ লাখ টকা। সেই টকা মেৰামতিৰ খৰছৰ সমাননে তাতোকৈ বেছি ?

শ্ৰীজগন্নাথ সিংহ :— It you want to keep the Corporation you will have to keep the Staff. সেই কাৰণেই এইটো ৰখা হৈছে আৰু সেই হিচাবেই ভাৰা উঠি আছে।

শ্ৰীমথুৰা ডেকা :— যিমানখিনি টকা খৰচ কৰা হৈছে সেই পৰিমানৰ টকা উঠিছেনে নাই ?

শ্ৰীজগন্নাথ সিংহ :— মেৰমতি কৰা হৈ আছে আৰু মাহে ১২৭ খন কৈ গাড়ী মেৰামতি কৰি ওলিয়াই অনা হৈছে।

শ্ৰীমথুৰা ডেকা :— ৮.৭০ লাখ টকা খৰচ কৰা হৈছে। সেই মতে আমাৰ লাভ হৈছেনে নাই ?

শ্ৰীজগন্নাথ সিংহ :— প্ৰপাৰচুনেটলি হৈছে

শ্ৰীপূৰ্ণ বড়ো :— বাছ যিমান দিয়া হৈছে সেইখিনিয়েই যথেষ্ট হৈছে বুলি ভাবেনে ?

শ্ৰীজগন্নাথ সিংহ :— নাভাবো।

শ্ৰীবৰকটুল্লা :— ১০৮ খন বাচ কিনা হৈছেনে নাই প্ৰস্তাবহে কৰা হৈছে।

শ্ৰীজগন্নাথ সিংহ :— প্ৰস্তাবো কৰা হৈছে আৰু কিনাও হব।

Shri Binoy Kumar Basumatari— Why the Transport buses do not have even the tyre lever ? In case the tyre gets punctured on the way the wheels cannot be changed.

Shri Jagannath Sinha. (Minister) There may be some cases like this.

Shri Binoy Kumar Basumatari—There is standing instruction that there cannot be any provision of tools and implements in the Transport buses and in case of any brake-down either the buses have to be towed or the mechanics have to come for the repair. why should it be like this ?

Shri Jagannath Sinha, (Minister)— That knowledge I do not have, I will look into this;

শ্ৰীমথুৰা ডেকা :— এই গাড়ীবিলাক পিচ ৰাস্তাত দিয়া হব নে গ্ৰেভেল ৰাষ্টাত দিয়া হব ?

শ্ৰীজগন্নাথ সিংহ (পৰিবহন মন্ত্ৰী) :— পিচ ৰাষ্টা বা গ্ৰেভেল ৰাষ্টা বুলি আমাৰ গাড়ী নচলে। গ্ৰেভেল ৰাষ্টা হলেও গড়কাপ্তানি বিভাগে যদি ফিটনেচ চাৰ্টিফিকেট দিয়ে আৰু পাবলিকৰ যদি দৰ্কাৰ আছে তাত গাড়ী চলিব।

শ্ৰীফৰমান আলি :— আমি যেতিয়া পবিবহন বাছত টিকট কাটি যাওঁ যি ঠাইত গাড়ীখন বেয়া হয় তাৰ আগলৈ যিখিনি ৰাষ্টা আৰু বাকী থাকিল সেই ৰাষ্টাখিনিৰ ভাড়াখিনি কোনে দিব ?

শ্ৰীজগন্নাথ সিংহ (পৰিবহন মন্ত্ৰী) :— ক্লেইম কৰিলে দিয়া হব ?

## Re : Debradi-Fengua P. W. D. Road.

Shri Danes Ali asked :

*93. Will the Minister, P.W.D. be pleased to state :

(a) When the Debradi-Fengua P.W.D. Road under Barpeta Division was constructed for the first time ?

(b) Is it a fact that the time said road has not yet been completed due to non-construction of three bridges over the road ?

(c) Whether the Government have any proposal for constructing the said bridges to facilitate through passages for vehicles and persons ?

(d) If not, the reason thereof ?

Smt. Syeda Anwara Taimur (Minister, P.W.D.) replied :

93. (a)—Later part of 1958.

(b)—Bridge over river Kaldia was not constructed at the time of construction of the road due to non-provision in the estimate. The other two bridges i. e. bridge

across river Tihu and bridge No. 4/1 were washed away during the floods at 1971.

(c)—There is no proposal at present.

(d)—Due to paucity of fund.

শ্ৰীদানেশ আলী আহমেদ :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ১৯৫৮ চনতে এই ৰাষ্টাটো কৰা হৈছিল আজি ২৬ বছৰ হ'ল কিন্তু ৰাষ্টাটো আজিও অসম্পূৰ্ণ হৈ আছে কাৰণ টিহু আৰু কালদিয়া নদীৰ ওপৰত দলং নাই। টিহু নদীত যি দলং আছিল তাকো ১৯৭১ চনতে বানপানীয়ে উটাই দিয়া বুলি কলে। এই ৰাস্তাটো তিনিটা সমষ্টি ভবানীপুৰ, চেঙা আৰু সৰুক্ষেত্ৰীৰ কাৰণে অতি দৰকাৰী ৰাস্তা। অহা বছৰ এই দলং কেইখন সম্পূৰ্ণ হবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (গড়কাপ্তানী মন্ত্ৰী) :—হয় এই ৰাস্তাটো অতি দৰকাৰী ৰাস্তা। তেনেকুৱা ৰাস্তা বিধান সভাৰ মাননীয় সদস্য সকলৰ বহুতৰ সমষ্টিতেই আছে। ১৯৫৮ চনত এই ৰাস্তাটো কৰা হৈছিল। টিহু নদীৰ ওপৰত দুখন দলং আছিল কিন্তু কালদিয়া নদীৰ ওপৰত দলং কৰিবলৈ প্লেনতো ধৰা নহল। ১৯৮৪-৮৫ চনৰ প্ল্যানৰ পইচাৰে কৰিবলৈ চেষ্টা কৰা হব।

শ্ৰীবৰকটউল্লা :—অধ্যক্ষ মহোদয়, যি দেখা গৈছে বহুত ভিতৰৰ ৰাস্তাই সম্পূৰ্ণ হৈছে কিন্তু দলং নোহোৱা কাৰণে ৰাস্তাটো সম্পূৰ্ণ হোৱা নাই। মন্ত্ৰী মহোদয়ে আশ্বাস দিব নেকি যিবিলাক ভিতৰুৱা অঞ্চলৰ ৰাষ্টা বিলাকত প্ৰাই-ওৰিটি বেচিচত এই দলংবিলাক কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—আমাৰ যিখন ৰাজ্যিক পৰ্য্যায়ৰ ৰোড কমিটি আছে তাতো এই কথা আলোচনা কৰা হৈছিল বহুত ৰাস্তাই ভিতৰুৱা অঞ্চলৰ দলং নোহোৱা কাৰণে যাতায়তৰ সুবিধা কৰিব পৰা নাই। সেই কাৰণে এই ৰাস্তাবিলাকত দলংবিলাক কৰাৰ কাৰণে বিশেষ চিন্তা কৰা হৈছে।

শ্ৰীআমিৰ হামচা তালুকদাৰ :—যি তিনিখন দলং এতিয়াও হোৱা নাই সেই দলংকেইখন কৰাৰ বেলিকা কিমান টকাৰ প্ৰয়োজন হব ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—কালদিয়া নদীৰ দলংখনৰ কাৰণে ৫ লাখ টকা লাগিব। বাকী দুখনৰ কাৰণেও ৫ লাখ টকা মান লাগিব, ফিগাৰটো মোৰ হাতত নাই।

শ্ৰীদানেচ আলী আহমেদ :—এই দলং কেইথনত ১০ লাখ টকা লাগিব বুলি মন্ত্ৰী মহোদয়ে কৈছে আৰু পচিটি অৱ ফাণ্ডৰ কাৰণে কৰিব পৰা নাই বুলিও কৈছে। এই ৰাস্তাৰ উত্তৰফালে নেচনেল হাইওৱে আৰু দক্ষিণফালে গুৱাহাটী সৰ্থেবাৰী ৰাস্তা। গতিকে এই টকাখিনি এফ দি আৰৰ পৰা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—আমাৰ বিভাগক ২ (দুই) কোটি টকা এফ দি আৰত দিছিল তাৰে ৪ লাখ ৫০ হাজাৰ টকা বৰপেটা জিলাত ভগাই দিয়া দিয়া হৈছে গতিকে আৰু ১০ লাখ টকা দিয়া সম্ভৱপৰ নহব। ১৯৮৪-৮৫ চনত কালদিয়াৰ ওপৰত দলং কৰাৰ চেষ্টা কৰা হব। এফ দি আৰৰ কাৰণে আমি মুঠ ৯ কোটি ৩০ লাখ টকা বিচাৰিছিলো তাৰে মাত্ৰ ২ কোটিহে টকা পাইছো তাকো ভাগ কৰি দিয়া হৈছে। আমাৰ যিখিনি বেকলগ আছে ১৯৭১ চনৰ পৰা আমি তাৰ কাৰণে টকা বিচাৰি আছো কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা সিমান টকা পোৱা নাই কাৰণে কৰিব পৰা নাই।

শ্ৰীমথুৰা ডেকা :—বানপানীত যে দলংবিলাক ভাঙি নিয়ে তাৰ কাৰণে নিম্ন বিষয়া সকলে ৰিপোৰ্ট দিয়ে নে নিদিয়ে ?

শ্ৰীমতী চৈয়দা আনোৱৰা টাইমুৰ (মন্ত্ৰী) :—নিশ্চয় দিয়ে আৰু সেইমতে আমি কেন্দ্ৰীয় চৰকাৰক জনাওঁ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা চেণ্ট্ৰেল টীম আহি চাইহে টকা ধাৰ্য্য কৰে। এই সংক্ৰান্তত মই নিজে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী, প্ৰধান মন্ত্ৰী আৰু কৃষিমন্ত্ৰীক দেখা কৰি টকা বেছি পোৱাৰ যত্ন কৰিছিলো। তেওঁলোকে কলে যে যিবিলাক দলং পুৰিছে সেইবিলাকৰ কাৰণে আমি সাহায্য কৰিছো গতিকে অহা বছৰ দিম বুলি আশ্বাস দিছে।

### বি: E. S. I. S.ৰ অন্তৰ্ভূক্ত ডাক্তৰখানা

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

*৯৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এই কথা সঁচানে যে E. S. I. S.ৰ অন্তৰ্ভূক্ত ডাক্তৰখানা সমূহত দৰব পাতিৰ যোগান অনিয়মিত আৰু সময়মতে ডাক্তৰো দিয়া নহয়?

(খ) যদি সঁচা প্ৰতিকাৰৰ কি কি ব্যৱস্থা হাতত লোৱা হৈছে ?

ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৯৪। (ক)—সঁচা নহয়।

(খ)—(ক)ত দিয়া উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

শ্ৰীপূৰ্ণ বড়ো ঃ—মন্ত্ৰী মহোদয়ে কৈছে যে ই এচ আই এচ ডাক্তৰখানা সমূহত দৰৱ আৰু ডাক্তৰ দিয়া হয় মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এনেকুৱা ডাক্তৰখানা কিমান আৰু কিমানত ডাক্তৰ দিয়া হৈছে আৰু কিমানত এতিয়াও দিবলৈ বাকী আছে?

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ—এনেকুৱা ডাক্তৰখানা ১৯ খন, ১৫ খনত এজনকৈ ডাক্তৰ আছে ৪ খনত দুজনকৈ আছে আৰু এটা ডাইগ্নোচিচ চেন্টাৰ আছে।

## বিঃ করিমগঞ্জ জেলায় সুলভ মূল্যের বস্তু যোগাণ

শ্ৰীসুবল চন্দ্ৰ দাস জিজ্ঞাসা করেছেন ঃ

* ৯৫। মাননীয় সমবায় বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জেলার ৩৩ টি পঞ্চায়েত ভিত্তিক সমবায় সমিতির প্ৰত্যেকটি চাউল, ডাইল, তৈল, কেরোসিন ইত্যাদি বস্তু সুলভ মূল্যে জনগণকে দিবার সুযোগ পাইতেছেনা?

(খ) যদি জানেন উক্ত সমবায় সমিতি গুলিকে সুলভ মূল্যে বৰ্নিত জিনিষ দেওয়ার ব্যৱস্থা চরকার করিতেছেন কি?

(গ) ষ্টেটফেডের দোকান প্ৰত্যেক ব্লকে অন্ততঃ ২।৩ টা করিয়া বসাইবার ব্যৱস্থা অনুগ্ৰহপূৰ্বক করিবেন কি?

(ঘ) বৰ্নিত জিনিষ পত্ৰ ও ছাত্ৰ-ছাত্ৰীদের বই, খাতা ইত্যাদি বণ্টন ২০ দফা কাৰ্য্যসূচীর অন্তৰ্ভুক্ত সত্বেও যথারীতি বণ্টনের ব্যৱস্থা হইতেছে না কেন?

শ্ৰীতিলক গগৈ (সমবায় বিভাগের মন্ত্ৰী)য়ে উত্তর দিছেন ঃ

৯৫। (ক) ইহা সত্য নয়। করিমগঞ্জ জেলার ৩২ টি গ্ৰাম পঞ্চায়েত ভিত্তিক সমবায় সমিতির মধ্যে ৩১ টি সমিতিকে স্থানীয় সরবরাহ বিভাগ হইতে চাউল, চিনি, আটা, কেরোসিন ইত্যাদি যে সব জিনিষের অ্যালটমেণ্ট দেওয়া হয় উক্ত সমবায় সমিতিগুলি অহা যথারীতি সুলভমূল্যে গ্ৰামের জনগণকে বিতরণ করিতেছে।

(খ) প্রশ্ন "ক" এর উত্তরের প্ররিপ্রেক্ষিতে এই প্রশ্ন উঠে না।

(গ) যিহেতু পরিকল্পনা অনুযায়ী প্রত্যেক ব্লকে যথেষ্ট সংখ্যক গ্রাম পঞ্চায়েত্ ভিত্তিক সমবায় সমিতির শাখা খোলার কথা সুতরাং সেখানে দুটো সমবায় সমিতির মধ্যে অবাঞ্চিত প্রতিযোগিতা এড়ানোর জন্য ষ্টেটফেডের শাখা খোলার প্রয়োজন চরকার অনুভব করিতেছেন না।

(ঘ) গ্রাম পঞ্চায়েত্ সমবায় সমিতির মাধ্যমে চাউল, চিনি, আটা, কেরোসিন ইত্যাদি অত্যাবশ্যকীয় সামগ্রীও যতদূর সম্ভব ছাত্র-ছাত্রীদের জন্য সুলভ মূল্যে খাতা বণ্টনের ব্যবস্থা করা হইয়াছে। কিন্তু ছাত্র-ছাত্রীদের জন্যে বই বণ্টনের ব্যবস্থা উক্ত সমবায় সমিতিগুলির মাধ্যমে এখনো করা হইতেছেনা।

শ্রীসুবল চন্দ্র দাস:— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে বলেছেন যে ৩৩ টা গ্রাম পঞ্চায়ত ভিত্তিক সমবায় সমিতির মাধ্যমে প্রত্যেককে চাল, আটা, চিনি ইত্যাদি দেওয়া হয়। আমি তাকে জিজ্ঞাসা করতে চাই যে এইসব জিনিষের সরবরাহের ব্যাপারে সর্বনিম্ন পরিমান কি এবং কি কি জিনিষ দেওয়া হচ্ছে?

শ্রীতিলক গগৈ (মন্ত্রী):— অধ্যক্ষ মহোদয়, এইটো আচলতে যোগান বিভাগৰহে প্রশ্ন। সমবায় সমিতি সমূহক ভাৰত চৰকাৰে নির্দ্ধাৰিত কৰি দিয়া মতে প্রত্যেকজন প্রাপ্ত বয়স্ক মানুহকে ৫০০ গ্রামকৈ আৰু বাকী বিলাকক ৪০০ গ্রামকৈ চাউলৰ যোগান ধৰা হয়।

শ্রীসুবল চন্দ্র দাস:— আবার প্রশ্ন হচ্ছে যে কোন কোন জিনিষ নিয়মিত দেওয়া হয় এবং তার সর্বনিম্ন পরিমান কত্তা ধার্য্য করা আছে কি না? দেওয়া যে হচ্ছে তা আমরাও জানি। কোন কোন সময়ত ৩ মাসে বা ৬ মাসে একবার নাম মাত্র জিনিষ দেওয়া হচ্ছে। এই সরবরাহের সর্বনিম্ন পরিমান কত।

শ্রীতিলক গগৈ (মন্ত্রী):— অধ্যক্ষ মহোদয়, এইটো যোগান বিভাগৰ প্রশ্নৰ লগত দিলে মই উত্তৰ দিয়াত সুবিধা হব। গতিকে ইয়াৰ বাবে মোক বেলেগে প্রশ্ন দিব লাগিব।

মৌলানা আব্দুল জলিল চৌধুৰী:— অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়কে জিজ্ঞাসা করা হয়েছে যে কো-অপারেটিভের মাধমে যে সব জিনিষ দেওয়া হয়

তাৰ পরিমান কত এবং কি কি জিনিষ দেওৱা হয়? যিনি দোকানের মালিক তিনিই তো বলবেন—সাপ্লাই বিভাগকে কেন দোষ দেওয়া হবে।

শ্ৰীতিলক গগৈ ( মন্ত্ৰী ):— তাৰ বাবে বেলেগে প্ৰশ্ন লাগিব—তেতিয়াহে মই উত্তৰ দিব পাৰিম।

মৌলানা আব্দুল জলিল চৌধুৰী:— এই প্ৰশ্নতো (১) নং এ করা হয়েছে। নতুন কোনও প্ৰশ্ন দেওয়ার কথা কেন উঠবে? সেখানেই লেখা আছে যে কো-অপারেটিভের মাধ্যমে কি কি জিনিষ দেওয়া হয় এবং তার পরিমান কত?

### বিঃ ৰাজেন গোহাইৰ হত্যা

শ্ৰীহেমেন দাসে সুধিছে:

* ৯৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) যোৱা ১২।২।৮৩ ইং তাৰিখে ধেমাজী মহকুমাৰ ধেমাজী থানাৰ অন্তৰ্গত বৰচিয়া গাওঁৰ ৰাজেন গোহাঁইক কিছুমান দুৰ্বৃত্তই হত্যা কৰা কথাটো সচানে?

(খ) যদি সচা হয়, তেন্তে এই কথাও সচানে যে হত্যাকাৰী সকলৰ বিৰুদ্ধে ১৩।২।৮৩ ইং তাৰিখে ধেমাজী থানাত ৰাজেন গোহাঁইৰ ককায়েকে এজাহাৰ দিছিল?

(গ) যদি দিছিল এই হত্যাৰ তদন্ত কৰি হত্যাকাৰীৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে।

৯৬। (ক) হয়। যোৱা ১২।১।৮৩ ইং তাৰিখে ধেমাজী মহকুমাৰ ধেমাজী থানাৰ অন্তৰ্গত বৰচিয়া গাওঁ নিবাসী শ্ৰীমালভোগ গোহাঁইৰ পুত্ৰ ৰাজেন গোহাঁইক কিছুমান দুৰ্বৃত্তই হত্যা কৰা কথা সত্য।

(খ) হয়। মৃত ৰাজেন গোহাঁইৰ ককায়েক শ্ৰীধৰ্মেশ্বৰ গোহাঁইয়ে যোৱা ১২।২।৮৩ ইং তাৰিখে আবেলি এটা বজাত ধেমাজী থানাত এখন এজাহাৰ দিছিল।

(গ) এজাহাৰ পাই ধেমাজী থানাত গোচৰ নং ৬৪।৮৩ ভাঃ দঃ বি আইনৰ ১৪৭।১৪৮।৩২৬।৩০২ ধাৰাত ৰুজু দি তদন্ত কৰা হয়। তদন্তক্ৰমে ৩৩ জন আচামীক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হয়।

শ্ৰীহেমেন দাস:— অধ্যক্ষ মহোদয়, এই ৩৩ জন মানুহক কোন তাৰিখে

গ্ৰেপ্তাৰ কৰা হৈছিল আৰু তেওঁলোকৰ নাম কেইটা কি কি মন্ত্ৰী মহোদয়ে জনাব পাৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ ডাঙৰীয়া, কোন তাৰিখে গ্ৰেপ্তাৰ কৰা হৈছিল আৰু মানুহ কেইজনৰ নাম কি সেই তথ্য বৰ্ত্তমান মোৰ হাতত নাই। প্ৰয়োজন হলে সদস্য গৰাকীক মই পিচত জনাব পাৰিম।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, যিবিলাক মানুহক ডকাইতে বা গুন্দাই হত্যা কৰে সেই সকলৰ বাবে টকা-পইচা দিয়া হয়। কিন্তু ডকাইত বা গুন্দাই আক্ৰমণ কৰি যোৱাৰ পিচত সেইঘৰ মানুহৰ একো নাথাকে। তেওঁলোক একেবাৰে নিঃশেষ হৈ যায়। গতিকে চৰকাৰে এনেবোৰ ক্ষতিৰ কাৰণে কিবা সাহায্যৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ ডাঙৰীয়া, যিসকল লোকক হত্যা কৰা হয় তেওঁলোকৰ বাবে সদ্যহতে ৫ হাজাৰকৈ টকা সাহায্য দিয়া হয়। ইয়াৰোপৰি মৃত লোকৰ ল'ৰা-ছোৱালী বা পৰিবাৰক চাকৰি দিয়া বা আৰ্থিক উন্নয়নৰ কাৰণে প্ৰয়োজনীয় টকা-পইচা দি সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীহেমেন দাস :— অধ্যক্ষ ডাঙৰীয়া, পঞ্জাবৰ মানুহতকৈ আমাৰ অসমত মানুহৰ দাম কমিল। কিয়নো পঞ্জাবত তেনেদৰে মৃত হোৱা মানুহৰ প্ৰত্যেকে ১০ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ইয়াত কিয় কমকৈ দিয়া হল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— অধ্যক্ষ ডাঙৰীয়া, আমাৰ ইয়াত মৃতৰ সংখ্যা পঞ্জাবৰ তুলনাত বহুত বেছি। আপোনালোকে জানে যে অসমত যি হত্যালীলা হৈ গ'ল তাত ৩ হাজাৰতকৈও বেচি মানুহৰ মৃত্যু হৈছে। প্ৰত্যেকটো মৃতকৰ কাৰণে ৫ হাজাৰকৈ টকা দিব লগা হলেও আমি বহুতো টকা দিব লাগে। এইখিনিতে এটা কথা, ৫ হাজাৰ বা ১০ হাজাৰ টকাৰে এজন মানুহৰ দাম জুখিব নোৱাৰি। কিন্তু ভৱিষ্যতে আমি কেনেকৈ এটা সুস্থ পৰিৱেশ সৃষ্টি কৰিব পাৰো সেইটোহে চিন্তা কৰিব লাগে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, এতিয়া যি ৫ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছে তাৰ পৰিৱৰ্ত্তে যদি ১০ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হয় তেনেহাল গুন্দাবিলাকে ভাবিব যে তেওঁলোকক মাৰি লাভ নাই— বৰং

টকা পোৱাৰহে ব্যৱস্থা কৰি দিয়া হয়। সেইদৰে মই ভাবো এনেদৰে চলা হত্যালীলা কমিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— অধ্যক্ষ ডাঙৰীয়া, কোনো কোনো ক্ষেত্ৰত আমি অৱস্থা চায় ২৫ হাজাৰলৈকেও টকা সাহায্য দিছো। গতিকে টকা বেচিকৈ দিলেই যে হত্যালীলা কমিব সেইটো মোৰ মনে নধৰে।

মৌলানা আব্দুল জলিল চৌধুরী:— অধ্যক্ষ মহোদয়, মানৱতার মূল্য নির্ণয় করার ক্ষমতা চরকারের আছে কি?

(২) নং প্রশ্ন হলো যে এভাবে নিহতদের পরিবারকে টাকা সাহায্য দিয়ে পরোক্ষ ভাবে হত্যাকাণ্ডে উৎসাহ বর্ধন করা হয় —চরকার এ কথা মনে করেন কি?

(৩) নং প্রশ্ন হলো যে পাইকারী জরিমনা ধার্য করে হত্যাকাণ্ড বন্ধ করার চিন্তাধারা চরকারের আছে কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী):— অধ্যক্ষ ডাঙৰীয়া, মই আগতে কৈছো যে এই হত্যাকাণ্ডত যি সকল লোকৰ মৃত হৈছে তেওঁলোকৰ প্ৰত্যেকৰে বাবে প্ৰথমতে ৫ হাজাৰকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি মৃত লোক সকলৰ পৰিয়ালবৰ্গক ভৰণ পোষণৰ কাৰণেও পাৰ্য্যমনে সহায় আগবঢ়োৱা হৈছে। ইয়াৰ বাহিৰেও যিবোৰ ঠাইত হত্যাকাণ্ড সংঘটিত হৈছে সেইবোৰ ঠাইত দুই ধৰণে—যেনে পিউনিটিভ ফাইন আৰু কলেকটিভ ফাইন আদিৰ জৰিয়তে জৰিমনা আদিৰো ব্যৱস্থা কৰা হৈছে। কিন্তু কোনো কোনো ঠাইত এই জৰিমনাৰ ক্ষেত্ৰত কোৰ্টৰ পৰা 'ইনজাংচন' আদিও হৈছে। গতিকে আমি কেৱল এইবোৰ জৰিমনাৰ দ্বাৰা হত্যাকাণ্ড নাইকীয়া কৰিব নোৱাৰো। ইয়াৰ বাবে আমি এটা দৃঢ় ব্যৱস্থা হাতত লব লাগিব।

Re : **Sankar Dev Nagar**

Shri Debesh Chakraborty asked :

*97. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that Sankar Dev Nagar was declared as Sub-Divisional Head Quarter for Hojai Sub-Division ?

(b) If so whether Gazette Notification was issued in this regard and if so, when ?

(c) Whether this notification has been cancelled and if so the reasons thereof ?

(d) Whether land has also been allotted for the purpose ?

Shri Hiteswar Saikia (Chief Minister) replied :

97. (a), (b) and (c)—No.

(d)—Yes, 25 Bighas 4 Kathas and 9 laches of land were delivered to P.W.D. at Sankar Dev Nagar for construction of Administrative and Residential Bldg. by the Deputy Commissioner, Nagaon, when the decision to set up the South-East Nagaon Sub-Division with Head-quarter at Sankar dev nagar was taken tentatively. But subsequently, the Sub-Division was renamed as Hojai Sub-Division was and Hojai was declared as its Head Quarters.

Shri Debesh Chakravarty :—Mr. Speaker sir, in honour of the great religius leader and great philanthropist of Assam, Shri Shri Shankar Dev, Shankardev Nagar township was about to be founded: So may I know from the Hon: Chief Minister whether it was the popular opinion in that area that this decision of changing the headquarter after 25 bighas & odd land were allotted for construction of office and other establishments at Shankardev Nagar, was not proper as the question of sentiment associated with esteemed name of Shri Shri Shankar Dev was involved in the matter ?

Shri Hiteswar Saikia (Chief Minister) :—Mr. Speaker Sir, earlier in the year 1978, it was decided to create a new Sub-

division in the name of South-East Nagaon and it was also decided in 1978 that one Sankar Basti should be renamed as Shankardev Nagar and the subdivisional headquarter be established here; but later on in 1983 a new decision was taken to rename the new Subdivision as Hojai Subdivision. So naturally Hojai was chosen as its headquarter. Moreover, sir, an Expert Committee was constituted with the Commissioner Upper Assam Division as Chairman, and Deputy Commissioner Nagaon and Chief Engineer as Members for the purpose. This Committee also decided that instead of Shankar Basti, Hojai Township should be considered as the headquarter of the new Hojai Subdivision. So though earlier a decision was taken to make Shankar Basti as the subdivisional headquarter of South-East Nagaon Subdivision which was renamed as Shankardev Nagar, in view of the Expert Committee's recommendation, the new Subdivision was renamed as Hojai Subdivision and so Hojai township was considered to be the headquarter of the new Subdivision. So sir, there was no question of dishonouring the name as Shri Shri Shankar Dev.

### Re: **Barpeta-Daulasal-Gauhati P.W.D. Road**

Shri Danes Ali asked:

*98: Will the Minister, P.W.D. be pleased to state:

(a) Whether it is a fact that the Government have sanctioned fund for black-topping the Barpeta-Daulsal-Gauhati PWD Road from Daulasal to Adabari?

(b) If so, why the work has not yet been completed and who is responsible for it?

Shrimati Syeda Anwara Taimur (Minister, P.W.D.) replied:

98: (a)—Yes:

(b)—Does not arise, as the work has since been commenced and is in progress.

শ্ৰীদানেশ আলি :—মাননীয় অধ্যক্ষ মহোদয়, এই যিটো ৰাস্তাৰ কথা কোৱা হৈছে সেই ৰাস্তাটোৰ কিছুমান ঠাইত 'ব্লেক টপিং'ৰ কাম হৈছে আৰু কিছুমান ঠাইত হোৱা নাই। এই বছৰৰ ভিতৰতে যিবিলাক ঠাইত হোৱা নাই সেইবিলাক ঠাইত হোৱাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এই বছৰতে সম্পূৰ্ণ নহয়। এইটো হৈছে 'চেণ্ট্ৰেলি স্পনচৰ্ড স্কীম'ৰ। তিনি বছৰত সম্পূৰ্ণ হোৱাৰ কথা।

শ্ৰীদানেশ আলি :—মাননীয় অধ্যক্ষ মহোদয়, গোটেই ৰাস্তাটোকে ধৰা হৈছে নেকি? আৰু যদি ধৰিছে তেতিয়াহলে, কিমান টকা তাৰ 'ব্লেক টপিং'ৰ কাৰণে ধৰা হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, ২২ কিলোমিটাৰ ৰাস্তাৰ কাৰণে ৮৪ লাখ টকা ধৰা হৈছে।

Shri Barkatullah :—May I know, sir, from the Hon. Minister of P.W.D. who are the contractors to whom the works were allottod?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :- মাননীয় অধ্যক্ষ মহোদয়, ঠিকাদাৰ সকলৰ লিষ্ট আছে।

Smt. Syewada Anwara Taimur (Minister)—Yes sir, I have got the names with me. They are—(1) Pranabesh Barua. (2) Chand Mahammad, (3) Unshur Rahman, (4) P. K. Das, (5) Aftabuddin Ahmed, (6) Dharani Malakar, (7) Mathur Mazumdar, (8) R. K. Barua, (9) Tanushur Rahman (10) Mrigen Choudhury, (11) M/S Chiranjilal & Co. (12) Majoj Kr Agarwalla, (13) Kutub Ali, (14) M/S Chiranjilal & Co.,

and (15) Md. Makiul Hussain. এই কেইজনৰ নাম আছে। আৰু যদি আছে নেজানো। এই কেইজনৰ নামহে আমি ইয়াত পাইছো।

শ্ৰীমথুৰামোহন ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, কাম সম্পূৰ্ণ নোহোৱাকৈয়ে 'ব্লেক টপিং' কৰা ৰাস্তা ভাঙি যাবলৈ আৰম্ভ কৰিছে। সেই বিলাক ৰাস্তা মেৰামতি কৰাৰ কাৰণে চিন্তা কৰিছে নেকি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মঃ) :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে কোন ৰাস্তাৰ কথা কৈছে নেজানো। 'ব্লেক টপিং' নেচনেল হাইওৱে'ত 'ৰিপেয়াৰিঙৰ' কাম হৈ আছে। মাননীয় সদস্য জনে দেখুৱাই দিলে আমি মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিম।

শ্ৰীমথুৰামোহন ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, মই 'নেচনেল হাইওৱে'ৰ কথা কোৱা নাই। আমাৰ গাওঁ-ভূই অঞ্চলত বহুতো বিলাক ৰাস্তা আছে যি বিলাকত আমি এইটো হোৱা দেখিছো। সেই ৰাস্তাবিলাকহে মেৰামতি কৰাৰ কথা কৈছো।

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মঃ) :— মাননীয় অধ্যক্ষ মহোদয়, যিমানদূৰ পৰা যায় সেইটো কৰিবলৈ ব্যৱস্থা কৰা হব।

শ্ৰীদানেশ আলি :— মাননীয় অধ্যক্ষ মহোদয়, এই দৌলাশালৰপৰা আদাবাৰীলৈকে এই ৰাস্তাটোৰ কাৰণে কিমান টকা এই বিত্তীয় বছৰত খৰছ কৰা হব মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মঃ) :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪-৮৫ চনত ২৫ লাখ টকা খৰছ কৰাৰ কথা। ১৯৮৪-৮৫ চনত ৪০ লাখ টকা। কিন্তু ৰাস্তাটোৰ 'লেংথ' জনাব নোৱাৰিম।

শ্ৰীবৰকটউল্লা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই ঠিকাদাৰ সকলৰ নাম দিলে। কিন্তু মই এই কথাটোহে জানিব খুজিছো যে, ঠিকাদাৰ সকলক কিবা সময় সীমা বান্ধি দিয়া হৈছে নেকি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মঃ) :— মাননীয় অধ্যক্ষ মহোদয়, সময় সীমা বান্ধি দিয়া হয়। কিন্তু আমাৰ অসুবিধা হৈছে, আমি য'ত ৰোলাৰকে আদি কৰি যিমান বিলাক সা-সঁজুলি আদি যোগান ধৰিব লাগে সেই বিলাক যোগান ধৰিব নোৱাৰা কাৰণে অলপ অসুবিধা হয়। সময় সীমা মতে কাম সম্পূৰ্ণ

কৰিব লগীয়া হলে তাৰ কাৰণে সেই মতে প্ৰয়োজনীয় সা-সঁজুলি আদিও যোগান ধৰিব লাগিব ।

**Re : Dacoity Cases in Lumding.**

Shri Debesh Chakraborty asked :

* 99. will the Chief Minister. be pleased to state :

(a) The number of Dacoity cases registered in Lumding and Lanka police Stations and Kaki police Out post during the last one year ?

(b) whether there are cases of murder by the dacoits ?

(c) If so. whether Govt. is taking special measure to check the Dacoity cases in these areas ?

(d) Whether the Dacoits were apprehended ?

Shri Hiteswar Saikia (Chief Minister.) replied :

99. (a) The numbers of Dacoity cases registered in Lumding P. S. Lanka P. S. and Kaki Police Out post during the last one year are as follows :

| | |
|---|---|
| Lumding P. S. | —1 (one) |
| Lanka P. S. | —10 (ten) |
| Kaki O. P. | —8 (eight) |

(b) Yes. 2 (two) under Lanka P. S.

(c) Yes. vigorous investigation are being carried out and police have already arrested many dacoits. Govt. have issued instruction to all the D.Cs. and S.Ps. for pervention of dacoities in the state.

(d) In all. 128 persons have been arrested and forwarded in custody.

Shri Debesh Chakravarty :—Mr. Speaker sir, whether the Hon. Chief Minister is aware of the fact that on the 7-3-84 by one night in Pathan Block under Kaki G. P. 5 dacoity cases were hold on the Bank are, thin one case of dacoity has held at Nathgaon in Kaki Block and another dacoity case has held at Derapather under Lumding P. S. which is 63 k.m. distance from Lumding having no communication can be will Chief Minister furnish the propable reason for such dacoity cases.

Mr. Speaker :—The question hour is over. Now we take up item No. 2, Voting on Demand for Grants— Grant No. 67, Shri Ranendra Narayan Basumatary, Minister Flood Control to move.

## Voting on Demands for Grants

Mr. Speaker :— Now Item No. 2.

Shri Ranendra Narayan Basumatari (Minister) :— Sir, on the recommendation of the Governor of Assam, I beg, sir, to move that a sum of Rs. 38,78,20,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of 'Flood Control'.

Mr. Speaker :—There are two Cut Motions on this grant. No. (1) is tabled by the Hon'ble Member Shri Alit Chandra Boro and No (2) is tabled by Shri Mathura Deka. Now, Shri Binoy Kumar Basumatary is to move.

Shri Binoy Kumar Basumatary :— Sir I beg to move that the total Provision of Rs. 38,78,20·000, under Grant

No. 67, in respect of 'Flood Control' at pages 1-26 of Volume 11, part x of the Budget, be reduced to Re, 1., i. e., the amount of the whole grant of Rs. 38,78,20,000 do stand reduced to Re. 1.

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, বানপানী নিয়ন্ত্ৰণ বিভাগৰ ৬৭ নম্বৰ শিতানৰ দ্বিতীয় পাৰ্টৰ ১ৰ পৰা ২৬ পৃষ্ঠালৈ যি ৩৮ কোটি ৭৮ লাখ ২০ হেজাৰ টকা আছে তাৰ ওপৰত মই এটা প্ৰস্তাৱ দিবলৈ বিচাৰিছো।

Shri Binoy Knmar Basumatary :— Sir, this is again the grant for 'Flood Control' and the provision under plan head is Rs. 21,61,30,000; and remaining amounts are covered under 6th schedule plan and non-plan and general non-plan areas. Then, if we go to the non-plan expenditure proposed to be made in this year then we can see that under the 'Head Direction & Administration' Govt. propose to spend Rs. 5,33,00,000, whereas the total allocation of the entire grant is 38,78,20,000, Sir, if we follow the normal norm of the overall charge of 10% of the total amount on administration then we find that Govt. cannot spend more that Rs. 3 crores and 80 lakhs under this head. But, sir, here Govt. to propose to spend Rs. 5,33, 00,000. Then, sir, for the Machinery and equipments it is proposed to spend Rs, 71,15,000 and on suspense account Rs. 1,00,00,000 have been kept and on another suspense account Rs. 5,88,00,000 are kept and then on investigation it is proposed to spend Rs. 1,00,00,000. Sir, If we compare it out with the non-plan expenditure then we find that nearly 50% of the total amount is proposed to be spent on administration. Therefore, sir, I have been repeatedly saying that Govt. is encouraging top-heavy administration

including in this Flood Control Deptt. Then, sir, at page 19 we find that on Brahmaputra Flood Control Project, it is proposed to spend Rs. 56,00,000 whereas in Barak Valley Project it is proposed to spend Rs. 4,05,20,000 and then again of 6 (F) Flood Control on Barak Valley, it is proposed to spend Rs. 17,00,00,000, Sir, out of the total grant of Rs. 8 crores, Rs. 21 crores are proposed to be spent on Barak Valley project. Sir, I think the Brahmaputra Flood Control Board is a misnomer and it should be changed and named as Barak Valley Flood control Project. Sir, we all know that Brahmaputra Flood Control Project and the Brahmaputra river is one the largest rivers in the world and the amount of damage the Brahmaputra does in this State is incalculable but we have seen in this year out of Rs. 38 crores nearly Rs. 21 crores will be spent in Barak Valley Project. Sir, it is a very big disparity and likely to damage immensely to the people residing in Brahmaputra Valley. Therefore, sir, I oppose the grant and Support my Cut-motion.

শ্ৰীমথুৰা ডেকা :— মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ ওপৰত বিধান সভাত বহু যুগৰে পৰা কথা উঠি আছে। আজিও এই সমস্যাবিলাক সমাধান হোৱা নাই। বৰাকভেলী আৰু ব্ৰহ্মপুত্ৰৰ টকা মঞ্জুৰীৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ বানতকৈ বৰাকৰ বানৰ বাবে অধিক টকা ধাৰ্য দি কাৰণ থাকিবনো পাৰে নুবুজিলো। এনেকুৱা প্ৰভেদ কিয় হয় ? ব্ৰহ্মপুত্ৰৰ সমস্যা আৰু বৰাকৰ সমস্যা কি ? সেই চিন্তা নকৰাকৈয়ে বাজেট উংথাপন হৈছে। সাগৰৰ গড়াখহনীয়া আদি শব্দ বৃটিছ যুগৰে পৰা চলি অহা শব্দ চলি আছে বোধকৰো সেই কথা চলিয়ে থাকিব। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ৫ লক্ষ মানুহ নিযুক্তি দিয়াৰ এটা ব্যৱস্থা লৈ ১৭ কোটি টকা ধাৰ্য্য কৰা হয়। যদি নিযুক্তি দিয়াৰ কাৰণে বানপানীৰ প্ৰয়োজন হয়, বানপানী আহ্বান কৰে। তেতিয়া হলে মানুহে নিযুক্তি পাব,

সেইটোকে কৰিব লাগে ৰাজ্যত নিবনুৱা বাঢ়ি গৈ ১৩ লক্ষ হৈছে, এককোটি বানপানীত যদি ৫ লক্ষকৈ মানুহ নিয়োগ কৰিব পৰা যায়, চৰকাৰে এনেকৈ নিবনুৱাৰ বাবে মূৰ ঘামাব নেলাগে। বানপানী হবলৈ দিয়ক যাতে বানপানীৰ বাবে সকলো নিবনুৱাকে নিযুক্তি কৰিব পৰা যায়। কথা হল এই নিযুক্তি-বিলাক কেনেধৰণৰ হব? মাষ্টাৰ ৰোল হব নে পাৰমেনেণ্ট বেচিছত হব? মাষ্টাৰ ৰোলত নিযুক্তি হ'ল অতি সহজ ব্যৱস্থা। যাৰ হিচাব জানিবলৈ সৰ্বসাধাৰণ অপৰাগ। চৰকাৰী কিছুমান বিভাগৰ মাষ্টাৰ ৰোলত বনুৱা নিয়োগ কাৰ্য্য এটি বৈজ্ঞানিক কৌশল। বছৰি বছৰি গৰাখহনীয়াৰ নামত স্পাৰ দিয়া ধাৰি দিয়া বালুৰ বস্তা দিয়া কৰ্ম কৰি বহু লোকে ব্ৰহ্মপুত্ৰৰ নামত ধনৱন্ত হৈ উঠিছে। এইবিলাকৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বিষয়ে চিন্তিত আঁচনি হোৱা নাই।

অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ কথা সকলোৱে জানে। এই নদীয়ে অসম খনক কেনেকৈ নাভূত-নাশ্ৰুত ভাৱে জৰ্জৰিত কৰিছে এই সমস্যাৰ ওপৰত আমি সদনত গুৰুত্ব দিয়াতো অতি প্ৰয়োজন। এই ব্ৰহ্মপুত্ৰ নদীৰ কাৰণে, এই ব্ৰহ্মপুত্ৰ নদীৰ গড়াখহনীয়াৰ কাৰণে, বানপানী আদিৰ কাৰণে কিমান নগৰ বা গাওঁৰ মানুহ এঠাইৰ পৰা আন ঠাইলৈ উঠি যাব লগা হ'ল, কিমান মানুহ ভিক্ষাৰী হৈ পৰিছে, কিমান মানুহ দুখ দুৰ্গতিত পতিত হৈ ভগনীয়া হব লগা হৈছে সেইবিলাক কথা চিন্তা কৰিব লাগে। কিছুমানৰ ঘৰ-বাৰী গৰা খহনীয়াত ভাহি গৈছে, কিছুমানৰ বাবে মাঠাউৰী ভাঙি খেতি পথাৰ বালুময় কৰি তুলিছে। যিহেতুকে আমি সকলোৱে একেই অসমবাসী লোক হওঁ। সেইহেতুকে কেনেভাবে সুচিন্তিত পৰিকল্পনাৰে এই ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণ কৰিব পৰা যায় তাৰ এটা চেষ্টা কৰিব লাগে। পূৰ্ব্বতেই মন্ত্ৰী সভাত কিছুমান সমস্যা ওলাইছিল আৰু তাত ব্ৰহ্মপুত্ৰ নদীৰ সমস্যাটো অকল অসমৰেই যে সমস্যা এনে নহয় এইটো আন্তৰ্জাতিক সমস্যা বুলিও কোৱা হৈছিল। মাজে মাজে মন্ত্ৰী সভা বদলি হৈ যোৱাৰ লগে লগে এই আন্তৰ্জাতিক সমস্যাটোৰ সকলো বিলাক কথা বদলি হৈ যায়। যদি সচাকৈয়ে এই সমস্যাটো আন্ত-ৰ্জাতিক সমস্যা হয় তাৰ সমাধানৰ কাৰণে চেষ্টা কৰিব লাগে। নেপাল, বাংলাদেশ, চীন আদি দেশৰ লগত এই সমস্যাটোৰ বিষয়ে আলোচনা কৰিব লাগে কেনেকৈ এই সমস্যাটো সমাধান কৰিব পৰা যায়। বাৰিষা আহিলেই বা কৰবাত গড়াখহনীয়া হলেই তাত কিছুমান বাহঁৰ চালি কৰি দিলেই

আমাৰ তৰফৰ পৰা বা চৰকাৰৰ তৰফৰ জনোৱা হয় যে তাত বানপানী নিয়ন্ত্ৰণ কৰা হ'ল। বাহঁৰ ধাৰী, গছৰ ডাল দি খহনীয়া প্ৰতিৰোধ কৰা ব্যৱস্থা বহু যুগৰ আগৰ ব্যৱস্থা আছিল। চৰকাৰৰ পৰা জোৰা টাপলি মাৰিবলৈ যোৱাৰ লগে লগে পানী আঁতৰি যায় তেতিয়া চৰকাৰেও নিযুক্তি পাই। আচলতে মানুহৰ যিটো সমস্যা, ৰাইজৰ যিটো সমস্যা সেই সমস্যাটোৰ ওপৰত নির্ভৰ কৰিব লাগিব। বানপানী ৩ মাহ মানহে থাকে। এই ৩ মাহৰ কাৰণেই ঘৰৰ চালি তুলিবলগীয়া হয়। সেই ৩ মাহ ৰাজ্যখনত ভয়াবহ সমস্যাৰ সৃষ্টি হয়। আজি পলাশবাৰী, ডিব্ৰুগড় আদি যিবিলাক অঞ্চলত বানপানী হৈছে সেই অঞ্চল বিলাকৰ মানুহৰ সা-সম্পত্তি গৈ কি অৱস্থা হৈছে সেইটো চিন্তা কৰিবলগীয়া কথা। ব্ৰহ্মপুত্ৰৰ গতি সলনি হৈয়েই আছে। আগতে হৈছিল যদিও ১৯৫০ চনৰ ভূমিকম্পৰ পাচত ইয়াৰ গতিৰ সলনি বেচি হৈ আছে। অৱশ্যে কৰবাত কৰবাত স্পাৰ আদি দি মঠাউৰি দি ইয়াৰ প্ৰতি ৰোধৰ ব্যৱস্থা কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটীত দলং হ'ল, শিলঘাট, যোগীঘোপা, ডিব্ৰুগড় আদি ঠাইতো দলং হব—কিন্তু এই দলং বিলাকৰপৰা বাধাৰ সৃষ্টি হৈছে আৰু হব আৰু ব্ৰহ্মপুত্ৰৰ সোত কেনেভাবে বোৱাই নিব পৰা যায় সেই হিচাবে চিন্তা কৰি এটা সুচিন্তিত পৰিকল্পনা লৈ আগ বঢ়াটো ভাল হব। সেই কাৰণে মই কৈছো তেখেতও অসমৰ মইও অসমৰ—এইটো আমাৰ ঘৰুৱা সমস্যা আৰু এই সমস্যাটো আমি যি কোনো উপায়ে সমাধান কৰিব লাগে। এইটো অৱশ্যে মোৰ নিজৰ ব্যক্তিগত মত নহয়, এইটো হৈছে উমৈহতীয়া সমস্যা। গতিকে এই সমস্যাৰ ওপৰত আমি সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগিব। এইখিনিকে কৈ এই সমস্যাটোৰ যথাযথ সমাধান বিচাৰি পৰিপূৰক মজুৰী দাবীৰ বিৰোধীতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীবৰ্গৰাম দেউৰী :—অধ্যক্ষ মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ যিটো কৰ্ত্তন প্ৰস্তাৱ সেইটোৰ মই বিৰোধীতা কৰিছো আৰু যিটো ডিমাণ্ড সেইটোৰ সমৰ্থন কৰিছো। ভাৰতবৰ্ষৰ ভিতৰতেই বিশেষকৈ অসমত বানপানী নিয়ন্ত্ৰণ পৰিস্থিতিটোৰ বিষয়ে ভাবিবলগীয়া হৈছে। আৰু ভাৰতবৰ্ষৰ ভিতৰতেই বিশেষকৈ অসমত বাননিয়ন্ত্ৰণ পৰিস্থিতিত ভুগিবলগীয়া হৈছে বা বান বিধস্ত হৈছে আৰু এইটো কথা আমাৰ সকলো মানুহেই জানে যে বাৰিষা দিনত বানপানীৰ কবলগ্ৰস্ত হৈ অনেক যাতনা ভুগিবলগীয়া হয়। সেই কথা আজি সকলোৱে স্বীকাৰ

কৰিছে। আজি অসমত যিবিলাক বান বিধ্বস্ত অঞ্চল আছে সেইবিলাকৰ প্ৰায়বিলাক ঠাইতেই নিজৰ সা-সম্পত্তি হেৰুৱাব লগা হোৱা কথা সকলোৱে জানে। প্ৰতি বছৰেই নিজৰ খেতিৰ ধান, সা-সম্পত্তি, গৰু-মহ, হাঁহ-কুকুৰা আদি ধ্বংস কৰে আৰু বিশেষকৈ নদীৰ পাৰত যিবিলাক মানুহে বাস কৰে তেওঁলোকৰ আজিলৈকে এই সমস্যাটোৰ সমাধান নহল। আমাৰ বাননিয়ন্ত্ৰণ বিভাগৰ এটা বিভাগ বহু দিনৰ পৰাই চলি আছে আৰু সেইদৰে বহুত টকা প্ৰতি বছৰে সেই বিভাগটোৰ কাৰণে ধাৰ্য্য কৰা হয় কিন্তু আজিলৈকে সমস্যাটোৰ সমাধান হোৱা নাই। বাননিয়ন্ত্ৰণ বা গড়াখহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে বিভিন্ন জেগাত মঠাউৰি. আদি দিয়া হৈছে যদিও বানপানীয়ে আজিও খেতিপথাৰ নষ্ট কৰি আছে। তাৰ কাৰণ হৈছে—অকল আমি টকা ধাৰ্য্য কৰিলেই নহব সেই টকাবিলাক ঠিকমতে বা যথাসময়ত খৰচ কৰিব নোৱাৰিলে এই কামবিলাক সমাধা কৰিব নোৱাৰিব। তেতিয়াহলে বানপানীৰ সমস্যা নিশ্চয় থাকিব। কিছুমান ঠাইত এনেকুৱা দেখা যায় যে বানপানী যেতিয়া আহে তেতিয়া বহুত ঠাইত অভিযোগ অহাৰ কথা শুনা যায়। এজন সদস্যই কৌতুক ভাবে কৈছে কিছুমান এন্দুৰে মথাউৰি খান্দি মথাউৰি ভাঙে। এনেকুৱাও দেখা যায় কাম কৰা ঠিকাদাৰকে আদি কৰি মহৰীলৈকে মথাউৰি কাটি কাটি দিয়ে যাৰ ফলত মঠাউৰি ভাঙি পানী সোমায়। বানৰ প্ৰকোপত তেওঁলোকৰ সা-সম্পত্তি, ঘৰবাৰী উচন্ন হৈ বহুতো ক্ষতিসাধন হয়।। এনেকুৱা অভিযোগৰ সঁচা মিছা নেজানো—সেইবিলাকৰ এটা অনুসন্ধান কৰিব লাগে যাতে সচাকৈয়ে কিছুমানে বেয়া মনোভাব লৈ, কিছুমানে নিজৰ স্বাৰ্থ বা লাভৰ কাৰণে যদি তেনেকুৱা কৰে সেইবিলাকক শাস্তি বিহিব লাগে। ২ নং কথা হ'ল আমাৰ বাননিয়ন্ত্ৰণৰ সকলো কাম-কাজ ঠিক সময়মতে সম্পূৰ্ণ হব লাগে আমাৰ যেতিয়া বান্ধ নিৰ্ম্মাণৰ কাম কৰে সেই কাম খৰালি সময়ত কৰিব লাগে। ঠিক বাৰিষাৰ আগে আগে বান নিৰ্ম্মানৰ কাম আৰম্ভ হোৱা আৰু ঠিক বানপানীৰ সময়ত সম্পূৰ্ণ হৈ উঠাৰ কাৰণে মাটি ঢিলা হয় আৰু পানীৰ হেচা পৰে আৰু সেই হেঁচা মথাউৰিয়ে ৰাখিব নোৱাৰাৰ কাৰণে মথাউৰি ভাঙি যায়। খৰালি দিনত সাধাৰণতে বান নিৰ্ম্মাণ বা মথাউৰি নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব লাগে। যি অঞ্চলত প্ৰকৃততে মঠাউৰিৰ প্ৰয়োজন সেই অঞ্চলত মথাউৰি দিব লাগে। এনেকুৱাও হৈছে যিবিলাক ঠাইত মঠাউৰি নেলাগে বুলি ৰাইজে বিৰোধীতা কৰিছে সেইবিলাক ঠাইতো মথাউৰি নিৰ্ম্মাণ কৰিছে আৰু যিবিলাক

ঠাইত ৰাইজে মঠাউৰি লাগে বুলি আবেদন নিবেদন কৰিছে অথচ সেইবিলাক ঠাইত মথাউৰি দিয়া হোৱা নাই। মঠাউৰি নালাগে বুলি কোৱা স্বত্তেও মথাউৰি জোৰ কৰি দিয়াৰ কাৰণে সেই বিলাক ঠাইৰ মানুহে মথাউৰি কাটি দিয়াৰ ফলত খেতি-পথাৰত পানী সোমাই খেতি নষ্ট হৈ যায়। অকল টকাৰ সংখ্যা বাজেটত নিৰ্দ্ধাৰণ কৰিলেই নহব ঠিক উপযুক্ত হিচাবে যাতে কামখিনি হব সেইটো বাননিয়ন্ত্ৰণ বিভাগে চাব লাগে।

যেতিয়া বানপানী আহে মথাউৰি ভাঙি যায় নষ্ট হৈ যায় আৰু টকা খিনিও লগতে নষ্ট হৈ যায়। গতিকে আমাৰ বাজেটত টকা নিৰ্দ্ধাৰণ কৰিলেই নহব উপযুক্তভাবে যাতে কামখিনি হয় এই কথাটো বান নিয়ন্ত্ৰণ বিভাগে চাব লাগে। ঠিক তেনেকৈ আৰু বহু কথা আছে যিবিলাক বিভিন্ন ঠাইত হৈ আছে। উদাহৰণ স্বৰূপে কব খোজো যোৱা বছৰ লক্ষীমপুৰ জিলাত শিঙৰা নদীয়ে এটা অঞ্চল ধুই নিলে আৰু গতি সলনি কৰি গোটেই নাওবৈচা অঞ্চল যিটো অধিক উৎপাদনক্ষম অঞ্চল তাত মাটি বালি পেলাই খেতি নষ্ট কৰিলে। ঠিক তেনেকৈ যিটো অঞ্চল উৎপাদনত অতি চহকী আছিল নিজেও খাই ধান-চাউল যোগান ধৰিব পাৰিছিল সেই অঞ্চলৰ মানুহ এতিয়া অনাহাৰত থাকিবলগীয়া হৈছে। শিঙৰা নদী ডাঙৰ নদী নহয়। বৰষুণ বেছি হলে পানী উপচি পৰে আৰু পানীৰ সোঁতে ধুই নিয়ে। সেই বিলাকত অলপ পইচা খৰচ কৰিলে বৃহৎ অঞ্চল নষ্ট হোৱাৰ পৰা বাচি যায়। তেনেকুৱা আঁচনি নোলোৱাৰ ফলত সেই অঞ্চলত বৃহৎ পৰিমাণৰ ক্ষতি হৈছে। যত অলপ টকা খৰচ কৰিলে বহুত অঞ্চলৰ ৰাইজ বাচিব পাৰে তেনেকুৱা ধৰণৰ কাম কৰিলে নিশ্চয় টকাৰ সদ্ব্যৱহাৰ কৰা বুলি ধৰি লম। আন এটা কথা হৈছে গৰা-খহনীয়া নিয়ন্ত্ৰণ কৰিব পৰা নাই আৰু গৰাখহনীয়াৰ ক্ষেত্ৰত এক শ্ৰেণীৰ ঠিকাদাৰৰ লাভজনক বেপাৰ হৈছে। কথা হ'ল কিছুমান ঠাইত বানপানীৰ সোঁত নিয়ন্ত্ৰণ কৰিবৰ কাৰণে বল্ডাৰ পেলায় স্পাৰ নহয়। এইক্ষেত্ৰত নিবিদা আহ্বান কৰা হয় আৰু ঠিকা দান কৰা হয়। মই এটা অঞ্চলৰ কথা বিশেষ ভাবে কব পাৰো যে বদতিঘাট আই, বিটো সোৱনশিৰিয়ে খহাই নিলে। খহনীয়া প্ৰতিৰোধ কৰিবৰ কাৰণে ঠিকাদাৰে বল্ডাৰ পেলাইছিল। পেলোৱা নহয় বল্ডাৰ পাৰত থৈ দিছিল। স্থানীয় ৰাইজৰ অভিযোগমতে বল্ডাৰ পেলোৱা নহল। অঞ্চলটো খহাই নিলে। শেষত কিছুদিন পিচত পানী শুকাই গ'ল আৰু খহনীয়া সময়মতে নিজে ৰোধ হৈ গ'ল। সেই বল্ডাৰবিলাক আন ঠাইত নি

খহনীয়া নিয়ন্ত্ৰণত পেলোৱা বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। বহু ঠাইত এনেকুৱা ঘটনা হৈ থাকে। টকা খৰচ দেখুৱাই আছে অথচ ফিল্ডত কাম নহয়। এইবিলাক কথা বান নিয়ন্ত্ৰণ বিভাগে চাব লাগে। মই আশা ৰাখিছো যিখিনি টকা নিৰ্দ্ধাৰণ কৰা হৈছে সেইখিনিৰ যাতে সদ্ব্যৱহাৰ হয়। আমাৰ ৰাইজৰ দুটা সমস্যা। এটা হৈছে বানপানী আৰু আনটো হৈছে গৰাখহনীয়া। এই দুইটাত টকাৰ সদ্ব্যৱহাৰ কৰিব বুলি আশা কৰিছো। শেষত কৰ্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপূৰ্ণ বড়ো :—চেয়াৰমেন মহোদয়, এই কৰ্তন প্ৰস্তাৱৰ ওপৰত সমৰ্থন জনাই মই দুটামান কথা আঙুলিয়াব বিচাৰিছো। আমি জানো যে এই দেশত বান-পানীৰ কাৰণে প্ৰচুৰ ক্ষতি সাধন হৈছে। প্ৰত্যেক বছৰে লাখ লাখ টকা দেশত ক্ষতি হৈছে। আনহাতে বান নিয়ন্ত্ৰণ বিভাগে বানপানী প্ৰতিৰোধৰ কাৰণে যথেষ্ট টকা পইচা খৰচ কৰিছে। এই কথা স্বীকাৰ কৰিব লাগিব যে যিবিলাক মথাউৰি দিয়া হৈছিল। এইবিলাক প্ৰায়ে ভাঙি যায়, যাৰ ফলত খেতি পথাৰৰ খেতি সমস্ত নষ্ট হয়। ইয়াৰ ফলত দেখা গৈছে ৰাইজে মথাউৰি নিৰ্ম্মাণত বাধা আৰোপ কৰিছে। কথা হল আগতে নিৰ্ম্মাণ কৰা মথাউৰি কিছুমান এতিয়াও অসম্পূৰ্ণ হৈ আছে। ৰঙিয়া সমষ্টিৰ পুথিমাৰী নদীত মথাউৰি নিৰ্ম্মাণ কৰা হৈছিল, এই কথাটো আগতে উল্লেখ কৰিছিলো। উত্তৰ ফালে হাবিবাৰীৰ পৰা গান্ধীবাৰীলৈ গেপ আছিল। ফলত পানী সোমাই খেতিপথাৰ নষ্ট কৰে। বৰপথাৰৰ উত্তৰলৈ নাওকাটা অঞ্চলত সেই চোৱাত মথাউৰি দিয়া হৈছে কিন্তু বাকী অংশত গেপ থকাৰ ফলত গোৰেশ্বৰৰ ফালে পানী সোমাই নষ্ট কৰে। যিবিলাক ইতিপূৰ্ব্বে নিৰ্ম্মাণ কৰা হৈছিল সেই বিলাক যদি সম্পূৰ্ণ কৰা নহয় তেতিয়াহলে মথাউৰি ভঙাৰ উপৰিও সেই বিলাকৰ যোগেদি পানী সোমাই খেতি-পথাৰ নষ্ট কৰিব আৰু বানপানীৰ সৃষ্টি হব। সেই কাৰণে মই অনুৰোধ জনাও যাতে গেপবিলাক সম্পূৰ্ণ কৰা হয়। বানপানী প্ৰতিৰোধৰ কাৰণে কিছুমান শ্লুইচগেট নিৰ্ম্মান কৰা দেখা যায়। কিন্তু আমি দেখিছো কিছুমান শ্লুইচগেট অচল হৈ থাকে যাৰ ফলত খেতি-পথাৰত পানী সোমায়। তাৰ ওপৰেদি পানী সোমায়। ৰঙিয়াৰ কাষত আৰু অন্যান্য অঞ্চলত এই ঘটনা ঘটিছে। শ্লুইচ গেট কৰা হৈছিল যদিও সঠিক ভাবে যিমান ওখকৈ বনাব লাগিছিল সেইদৰে বনোৱা হোৱা নাই। কিবা কাৰণত এইবিলাক

অচল হৈ পৰিছে। মেৰামতি কৰাৰ ব্যৱস্থা নাই যাৰ কাৰণে ইচ্ছা মতে বন্ধ কৰিব নোৱাৰি আৰু ইচ্ছামতে খুলিব নোৱাৰি। বানপানী প্ৰতিৰোধৰ কাৰণে শ্লুইচগেট নিৰ্ম্মান কৰা হৈছে যদিও ই বৰ ফলদায়ক হৈছে বুলি মোৰ ধাৰণা নহয়। বানপানীৰ কাৰণ সম্পৰ্কত বৈজ্ঞানিকসকলে কৈছে যে নদীবিলাক তৰাং হৈ গৈছে। বৰষুণ হলে নদীবিলাক পানীৰে ওপচি পৰে আৰু সমস্যাৰ সৃষ্টি হয়। নৈৰ বুকু খন্দাৰ কাৰণে ড্ৰেজাৰ অনা হৈছিল আৰু সেই ড্ৰেজাৰ এতিয়া ওভতাই দিয়া হৈছে। নৈৰ বুকু কেনেকৈ খান্দিব? বি, এফ, চি আছে। কথা হল বানপানী নিয়ন্ত্ৰণৰ কাৰণে কেৱল মথাউৰি নিৰ্ম্মাণ কৰিব নে অন্য কিবা বৈজ্ঞানিক উপায় অবলম্বন কৰিব বিভাগে নিশ্চয় চোৱা দৰকাৰ হৈ পৰিছে। নহলে প্ৰত্যেক বছৰে যিমান পৰিমাণে ক্ষতি সাধন হয় সেই ক্ষতি যদি তুলনা কৰি চোৱা যায় তেতিয়া দেখিব এই ক্ষতি প্ৰতি বছৰে বাঢ়ি আছে। কোনোবা বছৰ কম হব পাৰে কিন্তু প্ৰতি বছৰে বাঢ়ি আছে। গতিকে এই ক্ষতি সাধন ৰোধ কৰিবলৈ এটা সুচিন্তিত বৈজ্ঞানিক উপায় অৱলম্বন কৰিব লাগিব। কেবল মথাউৰি দিলেই নহব। এনে এটা উপায় অবলম্বন কৰা দৰকাৰ যিটোৰ দ্বাৰা প্ৰতি বছৰে ধ্বংস সাধন হোৱাটো ৰোধ কৰিব পৰা যায়। সেই কাৰণে মই কৈছো যে এটা সুচিন্তিত ভাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে বানপানী ৰোধ কৰাৰ ব্যৱস্থা সঠিকভাবে হৈ উঠেগৈ। বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বেছি কৰ লগা নাই। আগে পিছে এই সম্পৰ্কত বিভিন্ন বক্তব্য ৰাখি আহিছো। সঠিকভাবে কাম কাজ কৰাৰ কাৰণে বিভাগক অনুৰোধ জনাই আহিছো।

এতিয়া এই মথাউৰিৰ ক্ষেত্ৰত পুঠিমাৰী নদীৰ কথা উল্লেখ কৰা হৈছে, আৰু এইবাৰ সময় পোৱা হৈছে যেতিয়া যিবিলাক গেপ আছিল সেইবিলাক সম্পূৰ্ণ কৰিবলৈ যত্ন কৰা নাই। ইতিপূৰ্ব্বে যিবিলাক মঠাউৰি আছিল সেই বিলাক মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে। সম্ভব হলে নিৰ্ম্মাণ কৰাৰ ব্যৱস্থাও কৰিব লাগে। বগৰীবাৰীৰ দক্ষিণ অঞ্চলত পুঠিমাৰী নৈৰ পাৰে পাৰে ব্ৰহ্মপুত্ৰৰ কাষলৈ যি মথাউৰি আছে। মথাউৰিৰ বাবে যি মাটি অধিগ্ৰহণ কৰে সেই মাটিৰ ক্ষতিপূৰণ নিদিলে ৰাইজে মাটি এৰি নিদিয়ে। গতিকে মাটি যি সকল লোকৰ পৰা অধিগ্ৰহণ কৰিছে সেই সকলৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ সেই মাটিত খেতিয়কে খেতি কৰি জীৱিকা নিৰ্বাহ কৰে। সেই মাটি মথাউৰিৰ বাবে দি দিলে তেওঁলোকৰ খেতি-কৰিবলৈ মাটি নাইকীয়া হয় আৰু ক্ষতিপূৰণো নাপায়। গতিকে সেই লোকসকলক

ক্ষতিপূৰণৰ ব্যৱস্থা কৰি দি অসম্পূৰ্ণ হৈ থকা মথাউৰি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অকল সেই অঞ্চলতেই নহয়, অসম্পূৰ্ণ হৈ থকা যিবিলাক মঠাউৰি আছে সেই সকলো বিলাক সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে বানপানীৰপৰা ধ্বংসৰ সন্মুখীন হোৱা ৰাইজক ৰক্ষা কৰিব পৰা হব। বানপানীৰ ফলত যেতিয়া গড়াখহনীয়া হয়, তেতিয়া টেমপৰৰি ব্যৱস্থা কৰি বাহৰ স্পাৰ, পাৰকুপাইন কৰি নদীৰ কাষত দিয়ে আৰু চৰকাৰৰ বহুতো ধন খৰচ হয়। স্থায়ীভাৱে বাপানী ৰোধ কৰাৰ ব্যৱস্থা নহয়। নৈৰ পানীয়ে গড়া খহায়। পাৰকুপাইনে এইটো ৰোধ কৰিব নোৱাৰে। গতিকে তাৰ পৰিৱৰ্ত্তে নিগাজীকৈ স্থায়ীভাবে শিলৰ স্পাৰ বন্ধাই ধংশলীলা ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিলো।

শ্ৰীমহম্মদ আলী :—মাননীয় চেয়াৰমেন মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ যি দাবী মঞ্জুৰী আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে আনিছে তাৰ প্ৰতি মই সমৰ্থন জনাই লগতে কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। মই এই কাৰণেই সমৰ্থন জনাইছো যে, ইয়াত যিখিনি টকা ধাৰ্য্য কৰিছে ইয়াৰ দ্বাৰা অসমৰ বান নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয়। বৰঞ্চ ইয়াত আৰু বেচি টকাহে ধাৰ্য্য কৰিব লাগে। কিন্তু এই সীমিত টকাৰে বান নিয়ন্ত্ৰণ কৰিবলৈ হলে বান নিয়ন্ত্ৰণ কৰা নহব। কাৰণ এই টকাৰে কোনো নদীত বান নিয়ন্ত্ৰণ কৰি কণ্ট্ৰল কৰিব নোৱাৰিব। মোৰ নিজস্ব যি বিচাৰ বিবেচনা আছে তাৰ দ্বাৰা মই ইয়াকে বুজি পাও যে, বান নিয়ন্ত্ৰণৰ উপমা যি পদ্ধতিত দিছে সেইটো বিজ্ঞান সন্মত নহয়। যেতিয়া পানী আহে চাৰিওফালে গড়া খহিবলৈ ধৰে। তেতিয়া আমাৰ চৰকাৰে খৰটকীয়া ব্যৱস্থা গ্ৰহন কৰি কৰবাত মথাউৰি, বাহৰ স্পাৰ আৰু পাৰকু-পাইন দিয়াৰ ব্যৱস্থা কৰে। এইদৰে পানীৰ লগত যুদ্ধ কৰোতেই বাৰিষা কাল অতিবাহিত হয়। মোৰ বোধেৰে এই বিভাগে বাৰিষাৰ সময়ত ব্যৱস্থা নলয় ব্ৰহ্মপুত্ৰৰ যিটো গতি সেই গতিৰ ওপৰত ৰিচাৰ্চ কৰি বছৰত নদীৰ পানীয়ে কোনফালে আঘাট কৰে, সেই আঘাটত তীব্ৰতা কিমান অহা বছৰ সোত কেনে ধৰণৰ হব আৰু ভঙাৰ সম্ভাৱনা আছেনে নাই, এই সকলোবিলাক গৱেষণা কৰি কি বাৰিষা কি খৰালি যত যত সম্ভাৱনা আছে সেইবিলাকত মাৰ্ক কৰি নিৰ্দ্ধাৰণ কৰিব লাগে। সেইটো নকৰিলে চৰকাৰৰ বৰ্ত্তমান ব্যৱস্থাৰে কোনোদিনেই বানপানী নিয়ন্ত্ৰণ কৰিব নোৱাৰিব। যোৱাবাৰ গোৱালপাৰা

জিলাৰ মথাউৰি ছুবাৰ চিঙিছিল। মথাউৰি দিয়াৰ পিচত বাহিৰ চাইদত যিখিনি মাটি থাকে তাৰ লেভেলৰ তুলনাত ভিতৰ চাইদে বেছি ওখ হৈ যায়। তাৰোপৰি মথাউৰি ৰিপেয়াৰ কৰোতে শিয়ালৰ গাত বিলাক ৰিপেয়াৰ কৰা নহয়। পানীয়ে মথাউৰিও ভাঙে আৰু শিয়ালৰ গাতেদিও পানী সোমায়। বাহৰ চোচ কৰি মথাউৰি ৰিপেয়াৰ কৰাৰ পিচত ব্ৰহ্মপুত্ৰৰ ভিতৰফালে ৪ ফুটমান ওখ হৈ যায় আৰু বাহিৰৰ জনবসতি ঠাইত ৪ ফুটমান তলত থাকে। শিয়ালৰ গাতেৰে পানী সোমায় ৪০।৫০ খন গাওঁ ধ্বংস কৰে। উপনৈ যিবিলাক আছে সেইবিলাকো কণ্ট্ৰল কৰাৰ ব্যৱস্থা কৰিব লাগে। শিলৰ স্পাৰ যদি দিয়া হয় তেনেহলে গড়াখহনীয়া ৰোধ কৰিব পাৰো। পাৰকুপাইনৰ দ্বাৰা বানপানী ৰোধ কৰিব পৰা নহয়। মই জনামতে গোৱালপাৰা জিলাত বান-নিয়ন্ত্ৰণ বিভাগে বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যোৱা বছৰ প্ৰায় ১৯ লাখ টকা খৰচ কৰিছে। এই টকা পাৰকুপাইনৰ বাবে খৰচ কৰা হৈছিল। ইমান টকা খৰচ নকৰি যদি এই টকাৰে কেইটামান নিগাজী স্পাৰ কৰিলেহেতেন, তেনেহলে বানপানী কিছু পৰিমাণে কণ্ট্ৰল হল হয়। মোৰ সমষ্টিত ২।১ নৈয়ে সৃষ্টি কৰা বানপানীৰ ফলত অতিষ্ঠ হৈ বিভাগক জনোৱা স্বত্ত্বেও কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ অঞ্চল বিলাকত যিসকল ইঞ্জিনিয়াৰ দিছে সেই সকলৰ গুৱাহাটীত অগাধ সম্পত্তি। তেওঁলোকে বানপানী নিয়ন্ত্ৰণ কৰিব নে নিজৰ সম্পত্তিৰ ৰক্ষণাবেক্ষন দিব? আমাৰ বান নিয়ন্ত্ৰণ বিভাগৰ আঁচনি বিলাক জনকল্যানৰ আঁচনি হিচাবে গ্ৰহন কৰিব লাগে। ইয়াৰ বাবে অধিক টকাৰ মঞ্জুৰী অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব লাগে আৰু নদীবিলাক চাৰ্ভে কৰি নদী নিয়ন্ত্ৰণৰ বাবে স্থায়ী ব্যৱস্থা গ্ৰহন কৰিব লাগে। বাহৰ দ্বাৰা, পাৰকুপাইন আদিৰ দ্বাৰা বানপানী নিয়ন্ত্ৰণ নহয়। স্থায়ী ব্যৱস্থাৰে বান নিয়ন্ত্ৰণৰ বাবে অনুৰোধ কৰি দাবী মঞ্জুৰীৰ প্ৰস্তাৱটো সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰিলো।

Mr. Chairman :—We have eight grants to be disposed of today by 5 P. M. There are cut Motions against four Grants and we have four hours at our disposal. So let us be very brief.

শ্ৰীঅলিত চন্দ্ৰ বড়ো:— মাননীয় চেয়াৰম্যান মহোদয়, বাননিয়ন্ত্ৰণ বিভাগৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি ছুযাৰমান কবলৈ থিয় হৈছো। এটা কথা

ভাবি চাবলগীয়া এই যে এই বাননিয়ন্ত্রণ বিভাগটোৱে প্ৰকৃতিৰ লগত যুঁজ কৰিবলগীয়া হয়। সেই কাৰণে সেই বিভাগটো তেনে ধৰণে শক্তিশালী হোৱা দৰকাৰ। এই কথাটো ভালদৰে উপলব্ধি কৰিব লাগিব। বানপানী আগতে মানুহৰ মাজত উপলব্ধি হোৱা নাছিল। মথাউৰিৰ ব্যৱস্থা হোৱাৰে পৰা আমাৰ মানুহে বানপানীৰ বিষয়ে ভালকৈয়ে উপলব্ধি কৰিব পৰা হ'ল। বিশাল ব্ৰহ্মপুত্ৰ নদীত চাৰিওকাষৰ উপনৈ বিলাকৰ পানী পৰি গুফন্দি উঠে আৰু সৰু সৰু নদী বিলাকৰ মথাউৰি ভাঙি বিপ্লৱৰ সৃষ্টি কৰে। বৰষুণ হোৱাৰ ফলত যেতিয়া উপনৈ সমূহ ফুলি উঠে তেতিয়া সেই পানী ব্ৰহ্মপুত্ৰৰ বুকুত পৰি বৈ যাব নোৱাৰা হয়। বছৰে বছৰে এইদৰে বৰষুণৰ পানী পৰিয়েই মথাউৰি ভাঙি যায় আৰু মানুহৰ দুৰ্গতি কৰে। মথাউৰি নাথাকিলে মই ভাবো বৰষুণৰ পানীয়ে এইদৰে মথাউৰি বিলাক ভাঙি মানুহৰ অনিষ্ট সাধন নকৰিলেহেতেঁন। ধন-প্ৰাণ হানি নকৰিলেহেতেন। সেই হেতুকে মই এটা পৰামৰ্শ আগবঢ়াব খুজিছো যে মথাউৰিৰ যেনে ব্যৱস্থা আছে তাৰ লগতে চইল কনজাৰভেশ্বনৰ নিচিনাকৈ মথাউৰিৰ ওপৰেদি বাগৰি যাব পৰাকৈ কোনো কোনো ঠাইত আউটলেট ৰাখিব পাৰিলে মথাউৰি বিলাক ভাঙি ধন-প্ৰাণ, পশু আদি হানি কৰাৰ উপৰিও নদীৰ গতিয়েই সলনি নোহোৱাকৈ ৰাখিব পৰা গ'লহেতেন। মই ভাবো এই ব্যৱস্থাৰ কথা বিবেচনা কৰি চাব আৰু জীৱ-জন্তু প্ৰাণী হানিৰ পৰা ৰক্ষা পৰাৰ ব্যৱস্থা কৰিব। ইয়াৰোপৰি ব্ৰহ্মপুত্ৰ খন্দাৰ যিটো কথা চলি আছে সেইটো অতি সোনকালে কৰিব লাগে। ৰাজ্যিক চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰৰ পৰা সাহায্য লৈ হলেও এই কাম অতি শীঘ্ৰে আৰম্ভ কৰিব লাগে। মই মৰা পাগলাদিয়াৰ কথাকে উদাহৰণ হিচাবে কব বিচাৰিছো। ভূটান পাহাৰৰ পৰা ওলাই বুঢ়াদিয়াৰ লগত মিলিত হোৱা এই মৰা পাগলাদিয়া যদি ভূটানৰ ওচৰত উৎপত্তি স্থলতে নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে বছৰে বছৰে এই বানপানীৰ তাণ্ডৱলীলাৰ পৰা সেই অঞ্চলক ৰক্ষা কৰিব পৰা যাব বুলি অনুমান কৰিব পাৰি। মৰা পাগলাদিয়াত যোৱা বছৰ আহিন মাহত অকালতে বানপানী হৈ শস্য-প্ৰাণী বহুত নষ্ট কৰিছে। এইটো বৰ দুখজনক কথা কিয়নো তেতিয়া খেতি নতুনকৈ কৰিবৰো সময় নাথাকে। মন্ত্ৰী ডাঙৰীয়াৰ কৰ্ণগোচৰ কৰো যে যোৱা বছৰ মৰা পাগলাদিয়াই বহুত স্কুলঘৰ-গোঁসাইঘৰ উটুৱাই নিছে। গতিকে ভূটানৰ ওচৰতে কটকটীয়া ব্যৱস্থা লব লাগে। মথাউৰি বন্ধাৰ সময়ত আঁচনি মতে আমি সোধাত হাতী

পাবলৈ নাই বুলি কয়। হাতীবে গছকাব নোৱাৰিলে মথাউৰি বিলাক বহি নাযায় ফলত এজাক পানী আহিলেই উটুৱাই নিয়ে। তাৰোপৰি অকালতে মথাউৰিৰ কাম বিলাক কৰাৰ ফলত পানীয়ে উটুৱাই নিয়াত সহায়ক হয়। গড়াখহনীয়া আৰম্ভ হলেই মেৰামতিৰ কাম আৰম্ভ কৰে যদিও পিচত তাৰ কোনো ব্যৱস্থা নলয় যেন পিচৰ বছৰত পানী নহৰই। কিন্তু তাকে নকৰি মেৰামতিৰ কাম বিলাক খৰালি কালত সমাধান হোৱা উচিত। খৰালি কালতে গড়াখহনীয়া হোৱা ঠাইত সুব্যৱস্থা নকৰিলে বাৰিষা কালত নদীয়ে মথাউৰি ভাঙি দিয়াৰ উপৰিও গতি সলনি কৰি শস্য-প্ৰাণী হানি কৰা কাৰ্য্য চলিয়েই থাকিব। সেই কাৰণে সদৌ শেষত মই বিভাগৰ ফালৰ পৰা তৎপৰতাৰে কাম কৰিবলৈ মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ ৰাখিলো। বিশেষকৈ মৰা পাগলা-দিয়াৰ ওপৰত অনুসন্ধানমূলক হিচাবে কাম কৰি শীঘ্ৰে প্ৰতিৰোধৰ ব্যৱস্থা লৈ সেই অঞ্চলৰ ৰাইজৰ ধন-প্ৰাণ ৰক্ষা কৰাৰ কাৰণে সুব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো আৰু কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীকীৰ্ত্তি দত্ত :—মাননীয় সভাপতি মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী আনিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধী সদস্য সকলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক বিৰোধীতা কৰি দুআষাৰ কবলৈ বিচাৰিছো।

অসমত আমাৰ মনত পৰা দিনৰে পৰা বানপানী হৈ আহিছে আৰু এই বানে প্ৰতি বছৰে লাখ লাখ টকা ক্ষতি সাধন কৰিছে। অসম হ'ল খেতি প্ৰধান ৰাজ্য, ইয়াৰ শতকৰা ৮০ ভাগ লোকেই খেতিৰ ওপৰত জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয় সেই কাৰণে বানপানী নিয়ন্ত্ৰণ কৰা বা প্ৰতিৰোধ কৰা অতি আৱশ্যক। প্ৰত্যেক বছৰে বানপানী নিয়ন্ত্ৰণৰ কাৰণে মঞ্জুৰী উৎথাপন হয় সেই ৰকমে মঞ্জুৰী গ্ৰহণো কৰা হয়। বানপানী হয়তো কিছু প্ৰতিৰোধ কৰা হৈ আহিছে। এই ক্ষেত্ৰত মই দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। যি বানপানী প্ৰতিৰোধ বা নিয়ন্ত্ৰণৰ কাৰণে যি বিলাক মথাউৰি কৰা হয় পিচত সেই বিলাক আকৌ পৰ্য্যালোচনা কৰা দেখা নাযায়। ফলত বাৰিষা বেছিকৈ বৰষুণ হলে মথাউৰিৰ মাটি খহায় লৈ যায়। বছৰৰ পিচত বছৰ এইদৰে মাটি খহায় নিয়াৰ পিচত এজাক ডাঙৰ বৰষুণ হলেই জনসাধাৰণৰ অশেষ ক্ষতি হয়। সেই কাৰণে সময় মতে অৰ্থাৎ বাৰিষা কাললৈ বৈ নাথাকি আগতেই মথাউৰি বিলাক বিভাগীয় কৰ্ত্তৃপক্ষই মেৰামতিৰ ব্যৱস্থা কৰিব লাগে।

বাৰিষা সময়ত যেতিয়া এফালে মথাউৰিৰ মাটি খহায় নিয়ে তেতিয়া বস্তাত মাটি ভৰাই অস্থায়ী মেৰামতিৰ ব্যৱস্থা কৰা হয়। আনহাতে যি ঠাইত মথাউৰি বিলাক কৰা হয় সেই ঠাইৰ মাটি অধিগ্ৰহণ কৰাৰ ফলত ই এণ্ড ডি বিভাগে ৬-৭ বছৰৰ পিচতো মাটিৰ ক্ষতিপূৰণ নিদিয়ে। পিচত যেতিয়া আকৌ সেই ঠাইত মথাউৰিৰ কাম কৰিবলৈ যায় সেই ঠাইৰ জনসাধাৰণে তাত কাম কৰিবলৈ নিদিয়ে। যোৱা বছৰ মোৰ সমষ্টিৰ জাঁজি নৈয়ে মথাউৰি ভাঙিলে। বস্তাত মাটি ভৰাই মথাউৰি ৰক্ষাৰ ব্যৱস্থা কৰিবলৈ যাওঁতে জন-সাধাৰণে বাধা দিলে, কাৰণ তেওঁলোকে ৬-৭ বছৰৰ ক্ষতিপূৰণ পোৱা নাই। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই তৎপৰতাৰে দুখীয়া জনসাধাৰণে যাতে তেওঁলোকৰ প্ৰাপ্য ধন খিনি পায় তাৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো। মথাউৰিৰ ক্ষেত্ৰত মোৰ আৰু এটা কথা কবলগীয়া আছে। সেইটো অকল ব্ৰহ্মপুত্ৰই নহয় আন কিছুমান সৰু সৰু নৈ আছে, যিবিলাকে বাৰিষা কালত বিপদ ঘটায়। এনেবিলাক নৈত যদি উজনি অংশত মাটি দিয়া হয় তেন্তে নামনিত প্ৰচণ্ড বানপানী হয় আৰু একোটা ডাঙৰ ৰাস্তাকে ভাঙি লৈ যায়। এইদৰেই এন ই চিৰ যিটো ৰাস্তা সেইটো ভাঙি নিলে আনকি কালভাৰ্টো ভাঙি লৈ গল। সেই কাৰণে মই কওঁ যে যৰ পৰা নৈ আৰম্ভ হৈছে তাতেই মথাউৰি দিব লাগে। যাতে জনসাধাৰণৰ অপকাৰ নহয়। আমাৰ কৰ্মকৰ্ত্তা সকলে এই বিলাক কথা চাব লাগে।

এই খিনিতে মই আৰু এটা কথা কব বিচাৰিছোঁ। সেইটো হৈছে আজি প্ৰশাসনৰ জৰিয়তে চৰকাৰে জনসাধাৰণক ওচৰ চপাই আনিবলৈ চেষ্টা কৰিছে। মন্ত্ৰী মহোদয়ে জানে যে শিৱসাগৰ আৰু যোৰহাট দুখন জিলা হৈ গ'ল। কিন্তু শিৱসাগৰৰ জাঁজী নৈৰ এমবেংকমেণ্ট অফিচটো যোৰহাট জিলাত পৰে। ইয়াৰ কাৰণে মোৰ অসুবিধা হয় কাৰণ যোৰহাটলৈ গৈ যোগাযোগ কৰিব লগা হয়। এই সম্পৰ্কত বান নিয়ন্ত্ৰণ বিভাগে মনোযোগ দিব বুলি আশা ৰাখি মই মোৰ বক্তব্য কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা আৰু দাবী মঞ্জুৰীৰ সমৰ্থনেৰে সামৰিছোঁ।

শ্ৰীলেখন লাহন :— মাননীয় চেয়াৰমেন মহোদয়, বান নিয়ন্ত্ৰণৰ শিতানত যিটো কৰ্ত্তণ প্ৰস্তাৱ আহিছে সেইটোৰ মই বিৰোধীতা কৰি দুআষাৰ মান কথা কব বিচাৰিছো। কিয়নো আজি এই শিতানত যি ৩৮ কোটি টকাৰ দাবী উৎথাপন মন্ত্ৰী মহোদয়ে কৰিছে এই পৰিমানৰ টকা অসমৰ বাননিয়ন্ত্ৰণৰ কাৰণে যথেষ্ট নহয়। অসমত বছৰি যি বানপানী হৈ আহিছে সেই বানপানী

অভুতপূৰ্ব। অসমত অকল ব্ৰহ্মপুত্ৰই নহয় ব্ৰহ্মপুত্ৰৰ লগতে যি ৪৮ খন উপনৈ আছে এই আটাইবিলাক লগ লাগি বানপানীৰ সৃষ্টি কৰি আহিছে। গতিকে এই বানপানীয়ে দীৰ্ঘম্যাদি ব্যৱস্থাৰে সমাধান কৰিবলৈ হলে এই টকাই যথেষ্ট নহয়, ইয়াতকৈ আৰু বহুত গুণে বেছি টকা লাগিব। যোৱা ৩০ বছৰে অসমত বানপানী হৈ আহিছে। এই ৩০ বছৰে অসমত কিবা দীৰ্ঘম্যাদি ব্যৱস্থা লোৱা হৈছেনে? আমি হ্ৰস্ব ম্যাদি ব্যৱস্থাৰে সমস্যা সমাধান কৰিবলৈ যত্ন কৰি আহিছো যদিও আমি কৃতকাৰ্য হব পৰা নাই। এই হ্ৰস্বম্যাদি ব্যৱস্থাৰ দ্বাৰা আমি কিছুমান মথাউৰি নিৰ্মান কৰিছো। ইয়াৰ দ্বাৰা ব্ৰহ্মপুত্ৰ বা ইয়াৰ উপনৈ সমূহৰ শতকৰা ৫০ ভাগো সমস্যা সমাধান কৰিব পৰা নাই। আমি অভিজ্ঞতাৰ পৰা দেখা পাইছো যে আমাৰ দীৰ্ঘম্যাদি ব্যৱস্থাৰ পৰিবৰ্ত্তে আমি কোনো ব্যৱস্থাৰ দ্বাৰাই বানপানীৰ সমস্যা সমাধান কৰিব নোৱাৰো। সেই কাৰণেই চেয়াৰমেন মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আমাৰ বানপানীৰ প্ৰতিৰোধ কৰিবলৈ হলে, গড়াখহনীয়া প্ৰতিৰোধ কৰিবলৈ হলে আমি দীৰ্ঘম্যাদি ব্যৱস্থা গ্ৰহন কৰিবই লাগিব। ব্ৰহ্মপুত্ৰ নদীখনেই হৈছে ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ ডাঙৰ নদী। ভাৰতবৰ্ষৰ ইমান বিলাক নদীয়েদি যিমান পানী বছৰি বৈ যায় তাৰ এক তৃতীয়াংশ নদীয়েদিয়েই বৈ যায়। পাণ্ডু ঘাটত যি পানী জোখা যন্ত্ৰ আছে তাৰ দ্বাৰা এইটো কথা প্ৰমানিত হৈছে যে বছৰি এই নদীয়েই ৪০ কোটি লিটাৰ পানী বৈ যায়। গোটেই দেশৰ প্ৰায় ৭০ ভাগ পানী এই নদীয়েদিয়েই বৈ যায়। বাকী ভাগ পানী আন আন উপনদীয়েদি যায়। গতিকে এই পানী নিয়ন্ত্ৰণৰ কাৰণে হ্ৰস্বম্যাদি ব্যৱস্থাৰ দ্বাৰা একো নহব। দীৰ্ঘম্যাদী ব্যৱস্থা লবই লাগিব। ইয়াৰ কাৰণে অন্য কিছুমান জলাধাৰ সৃষ্টি কৰিব লাগিব। দীৰ্ঘম্যাদি ব্যৱস্থাৰ দ্বাৰা আগুৱাব পাৰিলে আমাৰ এই সমস্যা বহুখিনি কমি যাব। ব্ৰহ্মপুত্ৰত মিলা দিহিং সোৱনশিৰীকে আদি কৰি যি ৮ খন উপনৈ আছে সেই কেইখন নদীৰ পানী নিয়ন্ত্ৰণ কৰিব পাৰিলে প্ৰায় ৩ ফুট পানী কমি যাব। আৰু এইদৰে যদি জলাধাৰ সৃষ্টি কৰি পানী জমা কৰি ৰাখি সময়মতে উলিয়াই দিব পৰা হয় তেতিয়াহলে ৮ ফুট পানী কমি যোৱাৰ আশংকা আছে। আমি যদি এইদৰে জলাধাৰ সৃষ্টি কৰি ৮ ফুট পানী কমাব পাৰো তেতিয়াহলে আমাৰ সমস্যা বহুখিনি লাঘব হৈ পৰিব। দিহাঙত যদি জলাধাৰ সৃষ্টি কৰিব পাৰো তেতিয়াহলে আমি তাৰ পৰা ২০ হাজাৰ

মেগাৱাট বিজুলি শক্তি আহৰণ কৰিব পাৰিম। সেইদৰে যদি সোৱনশিৰীত জলাধাৰ সৃষ্টি কৰিব পাৰো আৰু তাৰ পানী জমা কৰি ৰাখিব পাৰো তেতিয়াহলে আমি তাৰ পৰা ৪৮০০ মেগাৱাট বিজুলী শক্তি আহৰণ কৰিব পাৰো। আমি যোৱা ৩০ বছৰে স্পাৰ আৰু মথাউৰি দি অহাৰ কাৰণে আমি বছৰি প্ৰায় ৫০ কোটি টকা লোকচান ভৰিবলগীয়া হৈ আহিছে। সেই কাৰণেই মই কব বিচাৰিছো যে আমি দীৰ্ঘম্যাদি ব্যৱস্থা লব নোৱাৰিলে আমাৰ সমস্যা আমি কেতিয়াও সমাধান কৰিব নোৱাৰিম। সেই কাৰণেই আমি যদি দীৰ্ঘম্যাদি ব্যৱস্থা গ্ৰহণ নকৰো তেতিয়াহলে আমাৰ সমস্যাৰ কেতি-য়াও সমাধান কৰিব নোৱাৰিম। সেই কাৰণেই মই মন্ত্ৰী মহোদয়ক এটা কথা অনুৰোধ কৰিব বিচাৰিছো ব্ৰহ্মপুত্ৰৰ লগতে সোৱনশিৰি আৰু দিহাং নৈৰ যি দুটা প্ৰজেক্ট কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছে সেই কেইটাৰ কাম অতি সোনকালে হাতত লব লাগে। মই এইখিনিকে অনুৰোধ কৰি কৰ্ত্তণ প্ৰস্তাব-টোৰ বিৰোধীতা কৰি দাবী মঞ্জুৰীটো সমৰ্থন কৰিলো।

শ্ৰীদানেশ আলি :— মাননীয় চেয়াৰামন মহোদয়, এই সদনত আমাৰ মান-নীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো দাবী মঞ্জুৰী উৎথাপন কৰিছে মই সেইটো সমৰ্থন কৰি আৰু মাননীয় সদস্য শ্ৰীবিনয় কুমাৰ বসুমতাৰীকে প্ৰমুখ্য কৰি যি কেইজন মাননীয় সদস্যই কৰ্ত্তণ প্ৰস্তাব আনিছে মই এইটোৰ বিৰোধীতা কৰি কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো।

বাননিয়ন্ত্ৰণ বিভাগটো এটা ডাঙৰ বিভাগ। বানপানীৰ সমস্যাটো অসমৰ কাৰণে এটা বৰ ডাঙৰ সমস্যা যিটো সমাধান কৰাটো নিত্যান্ত প্ৰয়োজন। কাৰণ এই বানপানীৰ নিয়ন্ত্ৰণৰ ওপৰতেই অসমৰ ভৱিষ্যত বহুখিনি নিৰ্ভৰ কৰে। বিশেষকৈ আমি দেখিবলৈ পাইছো যে অসমৰ অৰ্থনৈতিক অৱস্থা এই বান-পানীৰ ওপৰতেই নিৰ্ভৰ কৰি আহিছে। খেতিয়কে বহু কষ্ট কৰি, বহু পইচা খৰচ কৰি পথাৰত খেতি কৰে। কিন্তু সেই খেতি এটা বানপানী আহিয়েই একে ৰাতিতে শেষ কৰি থৈ যায়। গোটেই বছৰ কষ্ট কৰি কৰা খেতি একেটা ৰাতিতে শেষ হৈ যায়। গতিকে বানপানী নিয়ন্ত্ৰণৰ কাৰণে এই বিভাগে যথেষ্ট ব্যৱস্থা ললেও সেই বিলাক পৰ্য্যাপ্ত পৰিমানৰ নহয়। বিশেষকৈ বাননিয়ন্ত্ৰনৰ কাৰণে মথাউৰি ব্যৱস্থাটো এটা ডাঙৰ ব্যৱস্থা। যোৱা কালি এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে শ্ৰীইচমাইল হোচেইনক কৈছিল যে ৰৌমাৰিৰ

পৰা বাগৰাৈলৈকে এই নৈৰ পাৰে পাৰে যোৱা ৬০ কিঃ মি পথ বিশেষভাবে উন্নত কৰিলে বানপানীও নিয়ন্ত্ৰিত হব আৰু ৰাস্তাও হব কিন্তু এইটোকে ব্যৱস্থা কৰিব পৰা নাই।

তেখেতে কৈছে কৈছে যে পাজাৰ ভাঙাত কিছু প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে আৰু কিছু টকা পইচা খৰছ কৰা হৈছে। এই পাজাৰভাঙা মোৰ সমষ্টি অৰ্থাৎ চেঙা সমষ্টিত পৰে। তাত প্ৰতিৰোধৰ বহুত কামেই হৈছে আৰু এতিয়া গড়াখহনীয়াও বন্ধ হৈছে। বহুত ঠাই এতিয়া স্থায়ী ভাবে ৰৈ আছে। মথাউৰিৰ উপৰিওঁ পাজাৰ ভাঙাত অতি সোকালে বোল্ডাৰ স্পাৰ দি প্ৰতিৰোধৰ ব্যৱস্থা কৰিব বুলি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। মথাউৰিৰ নামত এই অঞ্চলত বছৰি বছৰি হাজাৰ হাজাৰ বিঘা মাটি এই অঞ্চলত অধিগ্ৰহণ কৰা হৈছে যাৰ ফলত ৰাইজ ভুমিহীন অৱস্থাত পৰিছে। গতিকে এই আঁচনিত বেছি ধন ধৰাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। আমাৰ বৰপেটা জিলাত তাৰাবাৰী অঞ্চলত ২ মাইল জুৰি ৫০ খন মান গাওঁ পানীত জাহ গৈছে আৰু সেই অঞ্চলত ব্ৰহ্মপুত্ৰ ১৭-১৮ মাইল বহলহৈ গৈছে। ফলত সেই অঞ্চলৰ ৰাইজ উপায়ন্তৰ হৈ কোনোৱে গুচি আহিলগীয়া হৈছে আৰু কোনোৱে পৰিত্যক্ত মথাউৰিৰ ওপৰতে এতিয়াও আছে। তাত তৃতীয়বাৰলৈ মথাউৰি হৈছে তেওঁলোকৰ মথাউৰিৰ নামত যি মাটি অধিগ্ৰহণ কৰা হ'ল আজি ১০ বছৰেওঁ তাৰ ক্ষতিপূৰণ পোৱা নাই। যোৱা বছৰ যেতিয়া বালাতাৰী অঞ্চলত মথাউৰি বান্ধিলে তেতিয়া ৰাইজে আপত্তি কৰিছিল তাত ইঞ্জিনিয়াৰ সকল এচই মেম্বাৰ কন্সট্ৰাকচন গৈছিল ৰাইজক তেওঁলোকে কৈছিল যে আপোনাকে মাটি এৰি দিয়ক আমি তৎক্ষনাত টকা পইচা দিম। তেওঁলোকে আজিলৈ মাটি আৰু জিৰাতৰ পইছা পোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো মথাউৰী বান্ধোতে যিসকল দুখীয়া লোকৰ মাটিবাৰী গ'ল তেওঁলোকক ক্ষতিপূৰণ দিওতে যাতে সোনকালে দিয়ে আৰু সেই টকাৰে যাতে তেওঁলোকে অইন ঠাইত মাটি কিনি লব পাৰে তাৰ কাৰণে মন্ত্ৰী মহোদয়ে বিশেষ চকু দিব। দেখা যায় অন্যান্য সদস্য সকলেও মথাউৰি বন্ধাত ৰাইজৰ আপত্তিৰ কথাটো উল্লেখ কৰিছে তাৰ কাৰণ হ'ল অধিগ্ৰহণৰ পইছা দেৰীকৈ পোৱাটোৱে। আমাৰ পাজাৰভাঙা অঞ্চলতো ৰাইজে প্ৰথমে আপত্তি কৰিছিল কিন্তু বিষয়া সকলে সোনকালে পইছা দিয়া হব বুলি কৈছিল কিন্তু আজিলৈ তাৰ ব্যৱস্থা কৰা নাই। গতিকে এই বিষয়টো মন্ত্ৰী মহোদয়ে সোনকালে নিস্পত্তি কৰিব বুলি আশা কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ব্ৰহ্মপুত্ৰৰ উপৰিওঁ সৰু সৰু নদী আছে সেই বিলাকত মথাউৰি দিয়াৰ ব্যৱস্থা কৰিলে বহুত মানুহ লাভবান হব। বৰপেটা জিলাৰ সৰুক্ষেত্ৰী পাকা মৌজাৰ মাজেৰে যি পহুমাৰা পাগলাদিয়া নদী কালদিয়া নদী এই নদী বিলাকে পাকা মৌজাক জলমগ্ন কৰি তোলে আৰু বৰষুণ দিয়াৰ লগে লগে পানী জমা হৈ শস্য নষ্ট কৰে যাৰ ফলত খেতিয়ক ৰাইজে দুৰ্যোগ ভুগীবলগীয়া হৈছে। আমাৰ বাননিয়ন্ত্ৰণ মন্ত্ৰী বসুমতাৰী ডাঙৰীয়া যোৱা বছৰ এই অঞ্চললৈ মোৰ অনুৰোধতে গৈছিল আৰু তাতেই তেখেতে চাৰ্ভে আদি কৰি ব্যৱস্থা কৰা হব বুলি কৈ আহিছিল। কেতিয়ালৈ যে সেই চাৰ্ভে হব আৰু তাত কাম আৰম্ভ হব সেইটো তেখেতে আৰু ভগ-বানেহে জানে। গতিকে অতি সোনকালে যাতে কাম আৰম্ভ হয় তাৰ কাৰণে মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনালোঁ।

এই খিনিকে কৈ দাবী মঞ্জুৰীৰ প্ৰস্তাৱটো সমৰ্থন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰিলো।

শ্ৰীআমিৰ হামচা তালুকদাৰ :— মাননীয় চেয়াৰমেন মহোদয়, বাননিয়ন্ত্ৰণ বুলিলে অসমত আজি এটা ধাৰণাই হয় সেইটো হ'ল ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ। কিয়নো অসমৰ ইমুৰৰ পৰা সিমুৰৰলৈ দুইভাগে বিভক্ত। এই ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে যি সকল মানুহ আছে যি সকলে বস্তি কৰি আছে, কৃষি উন্নয়ন মুখী যি সকলৰ ওপৰত দেশখনে নিৰ্ভৰ কৰে এই ব্ৰহ্মপুত্ৰ নদীখন নিনন্ত্ৰণ কৰাৰ কাৰণে চৰকাৰে যিখিনি আঁচনি লৈছে আমি তাত সন্তুষ্ট হৈছো। গতিকে মন্ত্ৰী মহোদয়ে যি টকা আমাৰ ইয়াত উৎথাপন কৰিছে মই তাক সমৰ্থন কৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰিছো। দেখা গৈছে ইয়াত বিশেষকৈ দুটা বস্তু আছে এটা হৈছে বানপানী নিয়ন্ত্ৰণ কৰা আৰু আনটো হৈছে নদীৰ গৰাখহনীয়া ৰোধ কৰা। এই দুটা বস্তু কম বেছি পৰিমানে আমাৰ ইয়াত চলি আছে। এই চৰকাৰ গঠন হোৱাৰে পৰা বাননিয়ন্ত্ৰণ আৰু গড়াখহনীয়াৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ বেছি যত্নপৰ হোৱা দেখা যায়। সেই কাৰণে কৈছো বাননিয়ন্ত্ৰণৰ বেলিকা যিখিনি টকা উৎথাপন কৰা হৈছে সেইখিনি দৰ্কাৰ আৰু এই টকা দিয়া উচিত। কিন্তু এই বিভাগে টকা খৰছ কৰাৰ বেলিকা বহুতো মাননীয় সদস্যই উৎথাপন কৰিছে যে যেতিয়া বানপানী আহে পানীৰ সোঁতৰ লগত টকাৰো সোঁত বয়। সেই কাৰণে মই পৰামৰ্শ

দিব বিচাৰিছো যাতে এই টকাখিনি সময়মতে খৰছ কৰা হয় যাৰ দ্বাৰা দেশবাসীৰ উপকাৰ হব পাৰে।

চেয়াৰমেন মহোদয়, আৰু এটা কথা মই আপোনাৰ জৰিয়তে সদনৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো যে আমাৰ বাইজে য'ত মথাউৰি বিচাৰিছে তাত হয়তো মথাউৰি বন্ধা হোৱা নাই। যত পাইলচৰ দ্বাৰা বান প্ৰতিৰোধ কৰিব লাগে তাত হয়তো পাইলচৰ ব্যৱস্থা কৰা নাই। ইয়াৰোপৰি চৰকাৰ পক্ষৰ পৰা আমি এটা কথা শুনিবলৈ পাওঁ—কিবা হেনো ফিজিবিলিটিৰ অভাৱ। ইয়াৰ কাৰণে দেখা যায় ৰাইজ আৰু চৰকাৰৰ মাজত বুজা-বুজি ভাবে কাম নকৰাৰ কাৰণে বান প্ৰতিৰোধৰ কামবোৰ হৈ নুঠে। গতিকে মই মন্ত্ৰী মহোদয়ক এটা কথা পৰামৰ্শ দিব বিচাৰো যে সকলো কথাতে কেৱল ৰিপোৰ্ট আদিৰ ওপৰত ভিত্তি নকৰি পাৰিলে মন্ত্ৰী মহোদয়ে সেইবোৰ নিজে চাই-চিতি বান প্ৰতিৰোধৰ কামটো জৰুৰীভাবে গ্ৰহণ কৰিব লাগে। মোৰ ওপৰোক্ত বক্তা শ্ৰীদানেশ আলি চাহাবে এটা কথা কৈছে যে আমাৰ বিশেষকৈ বৰপেটা জিলাখন নদীৰে ভৰপূৰ। ইয়াৰ ভিতৰত চেঙা আৰু সৰুক্ষেত্ৰী সমষ্টিৰ পহুমৰা, পগলাদিয়া আদি কৰি যি কেইখন নদী আছে সেই নদী কেইখনে এই অঞ্চল কেইটা বাৰিষা পানীৰে ওপচাই পেলাই আৰু তাৰ ফলত যি সকল কৃষি-জীৱি লোক তেওঁলোকৰ দুখ কুলাই-পাচিয়ে নধৰা হয়। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো, এই নদীবিলাক চাৰ্ভে কৰিব লাগে আৰু তাত যত পাৰকুপাইন লাগে তাত পাৰকুপাইনৰ ব্যৱস্থা কৰি, যত শ্লুসগেট লাগে তাত শ্লুসগেট আৰু যত মথাউৰিৰ প্ৰয়োজন তাত মথাউৰিৰ ব্যৱস্থা কৰি বানপানী আৰু গৰাখহনীয়াৰ পৰা দুখীয়া ৰাইজক সকাহ দিব বুলি আশা কৰিলো। এইখিনিকে কৈ মই ওপৰত উল্লেখ কৰা পৰামৰ্শ কেইটা আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে মনোনিবেশ কৰিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলো।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণ বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত আজি যি আলোচনা হৈছে সেই আলোচনাত আমাৰ মাননীয় সদস্য সকলৰ যি উদ্বেগ, সেই উদ্বেগ প্ৰকাশ পাইছে। সেই আলোচনাত আমাৰ যি কেইজন মাননীয় সদস্যই অংশগ্ৰহন কৰিছে আৰু তেখেত সকলে আলোচনাৰ মাধ্যমেৰে যি পৰামৰ্শ আগবঢ়াইছে সেই পৰামৰ্শৱলীৰ পৰা আমি অতি লাভবান হ'ম বুলি মই ভাবো। কেইবাজনো বক্তাৰ ভাষণত

এটা কথা প্ৰকাশ পাইছে যে আজি বহু বছৰ ধৰি ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণৰ নামত কোটি কোটি টকা খৰচ কৰা হৈছে কিন্তু ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ হোৱা নাই বা এই বিভাগে এই নদীৰ ওপৰত সাফল্য লাভ কৰিব পৰা নাই।

অধ্যক্ষ মহোদয়, আমি জানো যে ব্ৰহ্মপুত্ৰ এখন পৃথিবীৰ ভিতৰতে অন্যতম নদী আৰু ই বিশেষভাবে শক্তিশালী । এই নদীখনৰ যিটো 'ইনগ্ৰেডিয়েচন' সেইটো বস্তুতো বাহিৰৰ বিশেষজ্ঞ আহি অধ্যয়ন কৰি গৈছে। আমাৰ কেইবাজনো ব্যক্তিয়ে ব্ৰহ্মপুত্ৰক আমেৰিকাৰ মিচিচিপি আদি নদীৰ লগত তুলনা কৰি কৈছে যে আমাজান, মিচিচিপি আদিৰ লেখিয়া নদী যদি নিয়ন্ত্ৰণ কৰিব পাৰি তেনেহলে আমাৰ এই ব্ৰহ্মপুত্ৰটো কিয় নিয়ন্ত্ৰণ কৰিব নোৱাৰি? অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ নদীৰ যিটো ৰহস্য বা চৰিত্ৰ সেইটো বৈজ্ঞানিক বিশেষজ্ঞৰ বাহিৰে আমি দিয়াটো সম্ভৱ নহয়। ইতিমধ্যে বাহিৰৰ পৰাও বিশেষজ্ঞ আহি এই নদীখনৰ চৰিত্ৰ সম্পৰ্কে আৰু তেওঁলোকে যি পৰামৰ্শ দিছে তাক কাৰ্য্যকৰী কৰিবৰ কাৰণে চেণ্ট্ৰেল ওৱাটাৰ কমিশ্যনৰ মেম্বাৰ, ডিৰেক্টৰ আদিয়ে যথেষ্ট মনোনিবেশ কৰিছে আৰু আমি কেনেকৈ এই নদীখনৰ বান প্ৰতিৰোধ কৰিব পাৰো তাৰ কাৰণে আলোচনা-বিলোচনা কৰি আছো। এই বিশাল নদীখনৰ ৰহস্য আৰু চৰিত্ৰলৈ চায় আৰু ই যিমানেই শক্তিশালী নহওক ইয়াক সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলেও যাতে 'টেম' কৰিব পাৰি তাৰ কাৰণে আমি ব্যৱস্থা হাতত লৈছো আৰু তাৰেই ফলস্বৰূপে ব্ৰহ্মপুত্ৰ বৰ্ড নামৰ বিশাল বৰ্ড যোৱা ১৯৮১ চনৰ পৰা কাম কৰিবলৈ দিয়া হৈছো এই বৰ্ডৰ কাৰ্য্যকাৰিতাৰ ওপৰত নিৰ্ভৰ কৰিয়েই ব্ৰহ্মপুত্ৰৰ যিবোৰ শক্তিশালী উপনদী আছে সেইবোৰত ওপৰ ভাগতে 'ইনভেষ্টিগেট' কৰি তাৰ পৰা তথ্য আদি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা হৈছে। সেই মৰ্মে ব্ৰহ্মপুত্ৰৰ উপনদী সোৱনশিৰি আৰু দিহাং নদীৰ ওপৰ ভাগত এইতথ্য-পাতি সংগ্ৰহৰ কাম শেষ কৰি চেণ্ট্ৰেল ওৱাটাৰ কমিশ্যনক দিবলৈ কোৱা হৈছে।

( Shri Silvius Condpan, Chairman vacated and Mr. Speaker occupied the chair )

Mr. Speaker :—I think, the Hon. Minister, Flood Control will not be able to complete his reply, It is 12.30 P.M. now. So you will please resume your reply after the lunch break. The House now stands adjourned till 2.30 P.M.

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ বৰ্ডে 'চেণ্ট্ৰেল ওৱাটাৰ কমিশ্যনলৈ' পঠাইছে সোৱনশিৰি আৰু দিহিং দাম দুটা সম্পৰ্কে। ৰিপোৰ্টৰ পৰা এইটো জনা গ'ল যে, এই 'দাম' দুটা নিৰ্ম্মাণ হলে মাত্ৰ ৫ ফুট পানীৰ পৰিমাণ কমিব।

শ্ৰীহেমেন দাস :— বহুত।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :—A study team constituted by the Indian Institute of Flood Control, Bangalore and a further study by the Brahmaputra Flood Control Board reveal that as a result of these two dams the water level will be reduced by 1·5 metre during flood season. আকৌ যোগাযোগ কৰি দেখা গল যে, যিহেতু ৫ ফুট কমিব, এই কথাত আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যসমুহে এই বিষয়ত আপত্তি দিছিল। এই দাম দুটা নিৰ্ম্মাণ হলে অৰুণাচলৰ কেইবা হাজাৰো হেক্টৰ মাটি পানীৰ তলত যাব। এমাহমান আগতে ব্ৰহ্মপুত্ৰ হাই পাৱাৰ কমিটি বহোতে অৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কে তেখেতৰ ৰাজ্যখনৰ জনগণৰ আবেগ অনুভূতি প্ৰকাশ কৰিছিল। সেই কাৰণে তেখেতৰ দ্বাৰা মোৰ বিৰোধীতা কৰা হৈছে। গতিকে আমি দেখিছো যে, এই দাম দুটা দিয়াৰ ফলত বানপানী ৫ ফুট কমিব কিন্তু গড়াখহনীয়া নকমে। গতিকে ব্ৰহ্মপুত্ৰই যি বানপানীৰ সৃষ্টি কৰিব সেই বানপানীৰ লগত আমাৰ ৰাইজে সহবাস কৰাৰ বাহিৰে আৰু উপায় নাই। অৱশ্যে ইতিমধ্যে অসমৰ জনগণে ব্ৰহ্মপুত্ৰই সৃষ্টি কৰা বা বানপানীৰ লগত সহঅৱস্থান কৰিছেই।

মাননীয় অধ্যক্ষ মহোদয়, কেৱল ব্ৰহ্মপুত্ৰৰ কথাই নহয় এই ব্ৰহ্মপুত্ৰ নদীৰ অসংখ্য যি উপনদী আছে সেই উপনদী বিলাকে প্ৰলয়ঙ্কৰ সৃষ্টি কৰি তাণ্ডৱ লীলা চলাই আছে। প্ৰতি বছৰে সেই তাণ্ডৱৰ সন্মুখীন হোৱা সম্ভৱ নহয়। তথাপিও কিছু ক্ষেত্ৰত সম্ভৱ হৈছে বুলি এই সদনতে মই ঘোষণা কৰিব খুজিছো। আমাৰ যি এচিভমেণ্ট কৰি দেখা যায় যে এতিয়ালৈকে ১৯৮৩-৮৪ চনলৈকে ৮শ ৯৯ কিলোমিটাৰ ব্ৰহ্মপুত্ৰ ভেলিৰ ওপৰত বন্ধা হৈছে। আৰু উপনদীৰ ওপৰত দুই হেজাৰ পাচ শ আঠ কিলোমিটাৰ হৈছে। টেম্পৰাৰী প্ৰটেক্টি ইউনিট ১৯২ টা। সৰ্বমুঠ হৈছে ১৩·৭৫ হেক্টৰ আৰু বৰাক ভেলীত এতিয়া এমকেঙ্কমেণ্ট কৰা হৈছে ৭ শ কিলোমিটাৰ। ডাম লেনেল হল ২শ ৪৭ কিলোমিটাৰ। প্ৰত্যেকতে ডাম হল ৫২ টা আৰু ২৬ টা। শ্লুইছত

বিনিয়োগ হৈছে ১৯.৬ লাখ হেক্টৰ। আমাৰ পাহাৰীয়া জিলা উত্তৰ কাছাৰ আৰু কাৰবি আংলঙত এতিয়ালৈকে ২৯.১৫ কিলোমিটাৰ আৰু ২৭ টা প্ৰটেক্ট ওৱৰ্ক ইতিমধ্যে সম্পূৰ্ণ হৈছে। গতিকে তাত বেনিফিট হৈছে ৬ হেজাৰ ৯ শ ৬৫ হেক্টৰ মাটি। গতিকে নিতান্তভাবে এই ব্ৰহ্মপুত্ৰৰ উপনদী সম্পৰ্কে কনষ্ট্ৰাকশ্বন একেবাৰে নহোৱা বুলি কব নোৱাৰি। যথেষ্ট হৈছে। আৰু বহুতো হবলগীয়া আছে। সদনৰ জ্ঞাতাৰ্থে কওঁ যে অকল গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে নহয় এক যথেষ্ট ডাইক বন্ধ হৈছে। ব্ৰহ্মপুত্ৰৰ উপনদীসমূহত যি কনষ্ট্ৰাকশ্বন হৈছে সেইবিলাক প্ৰকৃতপক্ষে স্পিল হৈ যাব নোৱাৰে। নদীৰ দুয়োপাৰে লাখ লাখ বিঘা খেতিৰ মাটি আছে। এই খেতি যাতে ধ্বংশ নহয় তাক ৰক্ষা কৰাৰ কাৰণে এমবেকমেণ্ট কৰা হৈছে। মই অলপ আগতে তথ্যপাতি ডাঙি ধৰিছিলো। তাতেই প্ৰমাণিত হৈছে। এতিয়া সমস্যা হল গড়াখহনীয়া। গড়াখহনীয়াৰ ক্ষেত্ৰত যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা লব পৰা নাই। মাননীয় সদস্য বন্ধু সকলে তেখেতসকলৰ ভাষণত কৈছে চিন্তিত পৰিকল্পনা আৰু বিজ্ঞান সন্মত ভাবে ব্যৱস্থা নলয় তেনেহলে ব্ৰহ্মপুত্ৰ তথা উপনৈ সমূহৰ পৰা আমাৰ জনগণ ৰক্ষা পাব নোৱাৰে। তেখেতসকলৰ লগত মইও একমত। গড়াখহনীয়া বন্ধ কৰিবৰ কাৰণে যিবিলাক কামকাজ নিতান্তভাবে পিচ পৰি আছে। গড়াখহনীয়াৰ পৰা ৰক্ষা পাবলৈ হলে যিখিনি বিজ্ঞানসন্মত ব্যৱস্থা হব লাগে সেইটো আপোনালোকে জানে। যি ব্যৱস্থাৰ দ্বাৰা গড়াখহনীয়া বন্ধ কৰিবৰ সম্ভৱ হয় সেইটো সম্ভৱ হোৱা নাই। কিছু ক্ষেত্ৰত হৈছেও। বিশেষকৈ পাৰকোপাইন, বেম্বো আদিৰ দ্বাৰা যি ব্যৱস্থা কৰা হৈছে সেইটো কিছু লাভজনক হৈছে। কিন্তু ব্ৰহ্মপুত্ৰৰ নিচিনা বিশাল নদীৰ ওপৰত এইটো সম্ভৱ হোৱা নাই। এই খহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত পাৰমেনেণ্ট ব্যৱস্থা লোৱাটো বিজ্ঞানসন্মত কথা আৰু সেই কাৰণে মাননীয় সদস্য সকলৰ আগত মতামত দিছো। অসংখ্য কৃষক ৰাইজৰ লাখ লাখ বিঘা মাটি ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত নষ্ট হৈ গৈছে। উপনদীসমূহৰ পৰা খেতিয়কক ৰক্ষা কৰিবৰ কাৰণে যিবিলাক মথাউৰি বান্ধিবলৈ লৈছিল সেই বিলাকত খেতিয়ক ৰাইজৰ পৰা বাধা আহিছে। সেই কাৰণে পাৰমেনেণ্ট ব্যৱস্থা লোৱাৰ বাবে এটা সৰ্ব্বসন্মত সিদ্ধান্ত হিচাবে মানি আহিছে। এই ক্ষেত্ৰত অকলে কাৰ্য্যকৰী ব্যৱস্থা লোৱাটো সম্ভৱ হোৱা নাই। আমি কেইবাটাও আঁচনি ইতিমধ্যে ডাঙি ধৰিছো আৰু জনগণৰ লগত যোগাযোগ কৰি এইটো

কৰিবলৈ ওলাইছো। সেয়ে পাৰমেনেণ্ট ব্যৱস্থা লোৱাৰ কাৰণে ১৭ কোটি ৮০ লাখ টকাৰ স্কীম আমি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পঠিয়াইছো। পাৰমেনেণ্ট প্ৰটেকচন আঁচনিৰ কাৰণে ৫ কোটি ২১ লাখ টকাৰ আঁচনি পঠিওৱা হৈছে। পলাশবাৰীৰ গুমীত ১২ কোটি ৫০ লাখ টকাৰে সৈতে মুঠ ৩৫ কোটি ৫১ লাখ টকাৰ কাৰণে আমি আঁচনি পঠাইছো। ইতিমধ্যে বিষয়া সকলক দিল্লীত গৈ চেণ্ট্ৰেল ওৱাটাৰ কমিচনক কথাটো বুজাই দিবৰ কাৰণে পঠাইছো। ইতিমধ্যে কেন্দ্ৰীয় ফ্লাদ কনট্ৰোল বিভাগৰ মন্ত্ৰীয়ে এখন চিঠিৰ যোগেদি জনাইছে যে এই কথাটো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। যদি সেইটো হয় মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে মই কব বিচাৰিছো যে অন্ততঃ ব্ৰহ্মপুত্ৰৰ যিটো খহনীয়া বিভিন্ন অঞ্চত চলি আছে সেইবিলাক প্ৰটেকচন কৰাৰ কাৰণে এই ৩ টা পাৰমেনেণ্ট স্কীমৰ জৰিয়তে সুবিধা হব বুলি আশা কৰিব পাৰো। তাৰ পাচত যোৱা বানপানীৰ সময়ত একাদিক্ৰমে যি ৪ টা বানপানী হ'ল তাৰ ফলত ৬৮ টা মথাউৰি ভাঙিলে আৰু সেইবিলাকৰ পাৰমেনেণ্ট ৰেষ্ট্ৰিকচনৰ কাৰণে যিখিনি টকা পইচা পাব লাগে সেইখিনি টকা পইচাৰ কাৰণে আমি বহুতো চেষ্টা কৰিছো। অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে আৰু প্ৰায় ৪১ কোটি টকাৰ এটা মেমোৰেণ্ডামৰ কাৰণে কৰ। কেৱল আমাৰ ফ্লাড কণ্ট্ৰোল ডিপাৰ্টমেণ্টেই সেই পাৰমেনেণ্ট ৰোষ্টোৰেচনৰ কাৰণে ৮৪ লাখ ৩৮ হাজাৰ টকা বিচাৰিছে। এতিয়ালৈকে ১৭ কোটি ৮৩ লাখ বিচৰা হৈছে। মই তাৰ পৰিবৰ্ত্তে মাত্ৰ ২ কোটি ৮০ লাখ টকা পাইছো। গতিকে এতিয়া যিটো নেচাৰেল কেলামিটিচৰ ডেমেজ সেই ডেমেজ যদি মেৰামতি কৰিব নোৱাৰো তেনেহলে আমি অতি শোচনীয় ভাৱে আগন্তুক যিটো ফ্লাড সেই বানপানীত এক্সপোজ হম। লগতে খেতিয়ক ৰাইজৰ যি যাতনা সেই যাতনা হয়তো আৰু তীব্ৰ গুণে বাঢ়ি যাব। তাৰ পাচত আজি আমাৰ যিটো নৰমেল ফ্লাড কণ্ট্ৰোল ওৱৰ্ক তাত আমি যিখিনি পৰিমাণৰ টকা বিচাৰিছো সেইটো এটা মেইন অভাৱৰ কাৰণে বিচৰা হৈছে। আজি আমাৰ মথাউৰি বিলাকত বা তাৰ দাঁতিত বা অন্যান্য ঠাইত ৰিপেয়াৰিংৰ কাম বেয়া হৈ আছে আৰু সেইবিলাক সকলো ১৯৮৪ চনতেই কেন্দ্ৰীয় চৰকাৰে আমাৰ চেণ্ট্ৰেল বোৰ্ডৰ ফ্লাডচ্ কণ্ট্ৰোলৰ চেয়াৰমেনে যিটো এটা কমিটি কৰি দিছিল সেই কমিটি ১৯৮২ চনত অসম ৰাজ্য তথা বিভিন্ন ৰাজ্যসমূহৰ কাৰণে যত আৰ্থিক কামৰ যিটো ষ্টেণ্ডাৰ্ড আৰু সেইটো

নিৰ্ণয় কৰে তাৰ ওপৰত ভিত্তি কৰি টকা পইচা ধাৰ্য্য কৰাৰ কাৰণে যিটো গাইড লাইনত ১১ কৌটি ৬৪ লাখ টকা ধৰা হৈছে। কেৱল মেইন ফ্লাড্ কণ্ট্ৰোল ওৱৰ্কৰ যিটো কমপ্লিচন স্কীম এইটো মেইনটেইন কৰাৰ কাৰণে এই বছৰৰ বাবে ১১ কৌটি ৬৪ লাখ টকা ৰিকমেণ্ড কৰিছে। কিন্তু তাৰ এগেইনষ্টে মাত্ৰ ৯ কৌটি ৯০ লাখ ৮০ হাজাৰ টকাহে পাইছে। তাৰ বিপৰীতে ৯ কৌটি ৯০ লাখ ৮০ হাজাৰ টকা পালে এইটো প্ৰাপ্তিৰ ফলত ৬৪.১৭ ভাগ প্ৰাপ্তি আমাৰ টোটেল ৰিকুয়াৰমেণ্ট পূৰ হল। গতিকে আমি আগন্তুক ফ্লাড্ মেইনটেনেন্টৰ ব্যৱস্থা লবলৈ সেইটো পূৰা মাত্ৰকেই কাম কৰাতো সম্ভৱ নহ'ব। তাৰ পাচত যিটো কমপেনচেচন আজি কেইবা বছৰো বাকী পৰি আছে, দিয়া নাই সেই বিষয়ে বিবেচনা কৰা হব। কমপেনচেচনত মাটি অধিগ্ৰহণ কৰিবলৈ হলে লগে লগে ই চিভিল অথৰিটিৰ লগত যোগাযোগ কৰে আৰু চিভিল অথৰিটিয়ে মাটি ৰিকুয়াৰমেণ্ট কৰি যি টকা হয় তাৰ শতকৰা ৫০ ভাগ টকা আগধন হিচাপে খেতিয়ক ৰাইজক দিয়াৰ ব্যৱস্থা আছে। চিভিল অথৰিটিৰ ফালৰ পৰা তথা ৰেভিনিউ শাখাই বহু সময়ত যথাযথ ভাৱে ব্যৱস্থা নোলোৱাত হয়তো সেই ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত কিছু অসুবিধা হৈছে। মই আজি মাননীয় সদস্য সকলৰ লগত একমত যে এই ক্ষতিপূৰণৰ ক্ষেত্ৰত এটা ব্যৱস্থা লব লাগে।

বৰাক ভেলীৰ কাৰণেও ফ্লাড কণ্ট্ৰোল বোৰ্ড কৰিব পৰা হৈছে। মই জনাইছিলো যে অতি সোনকালেই এই চেচনৰ ভিতৰতে আমাৰ ডি, চি বা এচ, ডি, ও সকলৰ লগত আলোচনা কৰি আমাৰ কৃষক ৰাইজে যিখিনি ক্ষতিপূৰণ পাব লাগে সেইখিনি যাতে তৎক্ষণাত পাব পৰা হয় তাৰ ব্যৱস্থা আমাৰ এই বিভাগৰ পৰা তেখেতৰ লগত যোগাযোগ কৰিম। তাৰ পাচত টাইমলি এক্সিকিউচনৰ কাৰণে মাননীয় সদস্য সকলে যি পৰামৰ্শ আগবঢ়াইছে সেইটো আগন্তুক যিটো ফ্লাড কণ্ট্ৰোল আহিব সেই ফ্লাড কণ্ট্ৰোলত সম্ভৱ নহব আৰু ইতিমধ্যে ব্ৰহ্মপুত্ৰ কণ্ট্ৰোল বোৰ্ডৰ চেয়াৰমেন মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বৰাক ভেলীৰো চেয়াৰমেন আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া। তেখেতৰ অধ্যক্ষতাত আমাৰ দুয়োখন বোৰ্ডৰ মিটিং হৈ গল আৰু ইতিমধ্যে যিবিলাক আচনি, টেকনিকেল আচনি বিলাক পঠিয়াইছিল সেই গোটেইবিলাক ও, কে কৰি দিছে আৰু ইতিমধ্যে এডমিনিষ্ট্ৰেচনৰ জৰিয়তে আইনমতে টেণ্ডাৰ কল কৰি কাম চলা বুলি মই নিজেই গম পাইছো। আমাৰ মাননীয় সদস্যসকলে

সেই বিষয়টো দূৰীকৰণৰ কাৰণে নিশ্চয় গম পাম। মাননীয় এজন সদস্যই ৰিকমেণ্ডণ্ট এবিয়া সম্পৰ্কে উল্লেখ কৰিছিল। তেখেতৰ যিটো সমষ্টি সেইটো শিবসাগৰ জিলাত পৰে কিন্তু এইটো কথা সঁচা যে বান নিয়ন্ত্ৰণ বিভাগৰ কাৰ্য্যালয় এতিয়াও যোৰহাটতে আছে। আমি প্ৰশাসন ওচৰ চপাই নিবলৈ বিচাৰিছো গতিকে বৰ্ত্তমান ক্ষতিপূৰণৰ ক্ষেত্ৰত বা অন্যান্য কামৰ ক্ষেত্ৰত যে অসুবিধা হৈছে সেইটো কথা মই উপলব্ধি কৰিছো। গতিকে আমি ডিষ্ট্ৰিক্ট হিচাবে ফ্লাভ কণ্ট্ৰোলৰ যিটো ডিভিজন সেইটো ডিষ্ট্ৰিক্ট হিচাবে ৰিঅৰ্গেনাইজেচন কৰাৰ কাৰণে ব্যৱস্থা হাতত লম।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই এটা দৰকাৰী কথা কৈছিল যে বাননিয়ন্ত্ৰণ বিভাগটো টপ হেভি হৈছে। সেইটো কথা মই স্বীকাৰ কৰি লব নোৱাৰো কাৰণ যি আঠত্ৰিশ কোটি টকা বিভাগটোৰ কাৰণে আছে সেইটো শতকৰা হিচাবে কেলকুলেট কৰিলে ১৪·৬৭ মাত্ৰহে পৰিব। এই টকাৰে কৰ্মচাৰীৰ দৰমহা, ভ্ৰমণ বানচৰ উপৰিও বিভিন্ন ডিভিজন আৰু চাব-ডিভিজন বিলাক যি যি ঠাইত ঘৰ ভাড়া কৰি ৰাখিবলগীয়া হৈছে ভাত দিবলগীয়া হোৱাৰ ফলত এই টকা নিত্যান্ত নগন্য হয়গৈ। সেয়ে মই আচল হিচাবটো মাননীয় সদস্যৰ জ্ঞাতাৰ্থে আৰু সদনৰ জ্ঞাতাৰ্থে দাঙি ধৰিলো। তেখেতে আৰু এটা কথা কৈছিল যে ব্ৰহ্মপুত্ৰ উপত্যকাত কাম কৰাৰ কাৰণে সাতাৱন্ন লাখ টকা ৰখা হৈছে। অধ্যক্ষ ডাঙৰীয়া, সাতাৱন্ন লাখ টকা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ কাৰণে কেৱল নহয় ইয়াৰ ভিতৰত ক্ষতিপূৰণ দিয়াৰ কাৰণে, ডিৰেক্টৰ প্লেনিং এণ্ড চুপাৰিনটেণ্ডিং ইঞ্জিনীয়াৰ আৰু মনিটৰিং এণ্ড ভলিউচনৰ কাৰণে চাপানালাৰ টকা ধৰা হৈছে। ব্ৰহ্মপুত্ৰ ভেলিত কাম কৰিবৰ কাৰণে ১৯৮৪-৮৫ চনৰ কাৰণে সোতৰ কোটি টকা ধাৰ্য্য কৰা হৈছে। সেই আটাইখিনি টকা চেণ্ট্ৰেল চেক্টৰৰ পৰা আহে। বাজেটত এই কথাটো অলপ ভুল ভাৱে ছপা হৈছে কাৰণে মই এই প্ৰসঙ্গতে এইটো আঙুলিয়াই ৰাখিব খোজো যে হাফ-এ-মিলিয়ন জবৰ বিপৰীতে এই টকাটো দেখুৱা হৈছে। মাননীয় সদস্য গৰাকীয়ে বোধহয় এইটো কথাকে কৈছে আৰু মাননীয় সদস্য শ্ৰীমথুৰা ডেকা ডাঙৰীয়াইও এইটো উল্লেখ কৰিছিল। এইটো আচলতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কামৰ কাৰণে হব লাগে। কেইবাগৰাকী মাননীয় সদস্যই গড়াখহনীয়াৰ কাৰণে লচ হোৱাৰ কথা উল্লেখ কৰি সময়মতে কাম কৰাৰ কথা আঙুলিয়াই দিছে আৰু চিৰস্থায়ী ভাবে কাম কৰাৰ কথা উল্লেখ কৰিছে, এইটো যিমান পৰিমাণে

পৰা যায় কৰিবলৈ চেষ্টা কৰা হব আৰু মাননীয় সদস্য সকলৰ উদ্বেগ নাইকীয়া কৰাৰ চেষ্টা কৰা হব। সেই হিচাবে উচিত পদক্ষেপ লোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছো আৰু আশা কৰিছো কেন্দ্ৰীয় চৰকাৰৰ পৰা সেই অনুসাৰে সহাৰি পাম। মাননীয় সদস্য কেইবাগৰাকীয়ে ব্ৰহ্মপুত্ৰ ড্ৰেজাৰেৰে খণ্ডাৰ কথা উল্লেখ কৰিছে। এইটো আমাৰ বাননিয়ন্ত্ৰণ বিভাগৰ তিক্ত অভিজ্ঞতা আছে। ড্ৰেজিং কোনো কোনো ঠাইত কৰা হৈছিল যদিও আকৌ তৎক্ষণাত হেভি চিল্ট পৰি বাম হৈ পৰে আৰু ফলত পানীত ওপচি পৰে। ইয়াৰ ফলত খৰচো যথেষ্ট হয় কিয়নো সকলোখিনি খৰচ আমাৰ ৰাজ্যিক চৰকাৰে কৰিব লাগে। মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে আৰু কব বিচাৰিছো যে মুকালমুৱা পলাশবাৰীৰ পুব পশ্চিম পাৰ মিলি ব্ৰহ্মপুত্ৰ প্ৰায় বাইশ কিলোমিটাৰ বহল হৈ পৰিছে। তাত ৰিটায়াৰমেণ্ট কৰিবলৈ কোনো উপায় নাই। সেই কাৰণে "স্থায়ী ব্যৱস্থাৰ কাৰণে চিন্তা কৰি সেই অনুসাৰে আবেদন কৰিছো। ইয়াৰ কাৰণে অতিপাত খৰচ হয়। কিন্তু তেনে ভাবে খৰচ কৰিবলৈ আমাৰ ধন নাই। শ্ৰীবৰ্গৰাম দেউৰী ডাঙৰীয়াই আগবঢ়োৱা পৰামৰ্শ কেইটা নোট কৰিছো। গড়াখহনীয়াৰ ক্ষেত্ৰত সময়মতে কামকৰা আৰু ৰিটায়াৰমেণ্ট ইমপোজ কৰাৰ কথা উল্লেখ কৰিছে। আচলতে বৰ্দতি এলেকাত সেইটো কৰা হোৱা নাই। সেই ঠাইৰ পৰা ভালেমান লোকৰ চিঠিপত্ৰ আৰু আবেদনৰ ভিত্তিতহে সেইটো কৰা হৈছে। কেৱল ক্ষতিপূৰণ অলপ বেছি বিছাৰিছে। মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াই পুঠিমাৰী নদীৰ গেপ পূৰণ কৰাৰ কথা উল্লেখ কৰিছে। সেইটো কৰিবলৈ যথাবিহিত ব্যৱস্থা লোৱা হৈছে আৰু অসম্পূৰ্ণ কামখিনি সম্পূৰ্ণ কৰাৰ কাৰণে ইতিমধ্যে নিৰ্দ্দেশ দিয়া হৈছে। কোনো কোনো ঠাইত শ্লুইচ গেট ডিফেকটিভ বুলি কোৱা কথাটো মই স্বীকাৰ কৰি লব নোৱাৰো। কিন্তু কলমলি শ্লুইচ গেট বেয়া বুলি যিটো বিশেষ ভাবে জনাইছে সেইটো মেৰামতি কৰাৰৰ ব্যৱস্থা কৰিম। ক্ষতিপূৰণৰ কথাটো তেখেতেও উল্লেখ কৰিছে। আৰু বল্ডাৰ স্পাৰ দিয়াৰ কথা কৈছে। এইটো দিব পাৰিলে ভাল হয় কিন্তু খৰচ অত্যন্ত বেছি আৰু বল্ডাৰ স্পাৰ দিলেই যে গড়াখহনীয়া বন্ধ হব সেইটো নহয়। এই বিষয়টো টেকনিকেল কমিটিৰ দ্বাৰা অধ্যয়ন কৰি সেইমতে কাম কৰা দৰকাৰ হব। মাননীয় সদস্য শ্ৰীমহম্মদ আলীয়ে কেইটামান পৰামৰ্শ দাঙি ধৰিছে। ঠিকমতে ৰিপায়াৰ কৰা নাই বুলিও কৈছে সেইটো মই স্বীকাৰ কৰি লব পৰা নাই। আচলতে ঠিকমতে

ৰিপায়াৰ কৰাৰ কাৰণে যিমান টকাৰ দৰকাৰ হয় সিমান পৰিমাণৰ টকা আমাৰ হাতত নাই। এনেকুৱা কাম কাজ কৰাৰ কাৰণে এই বছৰটোৰ কাৰণে আমাৰ হাতত চৈধ্য কোটি টকা আছিল এইখিনি তেনেই নগণ্য। সেই কাৰণে সম্পূৰ্ণ মেৰামতি কৰাৰ চেষ্টা থাকিলেও সম্ভৱপৰ হৈ নুঠে। সেয়েহে তেখেতে অভিযোগটো উত্থাপন কৰিব পাৰিছে। আন এটা কথা উত্থাপন কৰিছে যে অফিচাৰ সকলে গুৱাহাটীত নিজৰ সা-সম্পত্তি ৰক্ষণাবেক্ষণৰ কাৰণে সৰহ সময় থকা কাৰণে কামত ঠিকমতে মনোনিবেশ কৰিব পৰা নাই। এইটো মই অস্বীকাৰ কৰিছো কিয়নো কামৰ ক্ষেত্ৰত কেতিয়াও কোনো গাফিলতি বিষয়াসকলৰ পৰা পোৱা নাই। আমাৰ দৃষ্টিগোচৰো হোৱা নাই। মাননীয় সদস্য শ্ৰীঅলিত বড়ো ডাঙৰীয়াই মৰা পাগলাদিয়াৰ বিষয়ে সোনকালে ব্যৱস্থা লোৱাৰ কথা উল্লেখ কৰিছে। সেই কথাটো মই সমৰ্থন কৰো আৰু সেই বিষয়ে চিন্তা কৰি বিহিত ব্যৱস্থা লোৱাৰ যত্ন কৰিম।

শ্ৰীকীৰ্তিদত্তই কামবিলাক সময়মতে কৰাৰ কথা কৈছে। সেইমতে কাম হাতত লৈছো। মাননীয় সদস্য শ্ৰীলেখন ডাঙৰীয়াই সোৱণশিৰী আৰু দিহাং প্ৰজেক্ট নিৰ্ম্মাণৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে। মই আগতে এই সম্পৰ্কে উত্তৰ দিছো। মাননীয় সদস্য শ্ৰীদানেশ আলীৰ তাত কিছুমান সমস্যাই দেখা দিছে। ব্ৰহ্মপুত্ৰৰ যিটো পানীৰ স্পিল সেইটোৰ দ্বাৰা বৰপেটা জিলাৰ বহু অঞ্চল প্লাবিত হৈ থাকে। মানুহবিলাকৰ পানীৰ লগত বসবাস কৰাৰ কাৰণে এটা অভ্যাস হোৱা যেন দেখা পাইছো। তথাপি যি বিশেষ ভাবে ক্ষতি কৰিছে সেইটো অস্বীকাৰ কৰিব নোৱাৰো। পাজৰভাঙা স্কিমটো ২৫ লাখ টকাৰ। বন্ডাৰ আদি দি কাৰ্য্যকৰী কৰিম। তাৰ পিছত এইবছৰ পাৰকোপাইন, বন্ডাৰৰ যিটো স্কিম তাক অধিক শক্তিশালী কৰিছো। শ্ৰীআমীৰ হামচা তালুকদাৰ ডাঙৰীয়াই পহুমৰা, কালদিয়া সম্পৰ্কত পৰামৰ্শ দিছে। বিতং অধ্যয়ন কৰাৰ কাৰণে বিভাগক নিৰ্দ্দেশ দিম। মাননীয় সদস্যসকলে যিকেইটা পৰামৰ্শ আগবঢ়াইছে তাৰ ওপৰত ভিত্তি কৰি যাতে আগন্তুক বছৰবিলাকত কাম কৰি যাব পাৰো আৰু বানপানীৰ আশংকা যাতে কিছু পৰিমাণে দূৰীভূত কৰিব পাৰো, মেৰামতিৰ কামত আগবাঢ়ি যাব পাৰো সেই সম্পৰ্কত কাম কৰা হব। সদনৰ মাননীয় সদস্যসকলক আশ্বাস দিছো আৰু কৰ্তন প্ৰস্তাৱৰ সভাৰ শ্ৰীবিনয় বসুমতাৰী, মাননীয় সদস্য শ্ৰীমথুৰা ডেকাক কৰ্তন প্ৰস্তাবটো উঠাই লোৱাৰ অনুৰোধ জনাই সামৰণি মাৰিলো।

Shri Binoy Kumar Basumatari : Sir, in reply to the Cut Motion the Hon: Minister has said that for controlling the river Brahmaputra, the Indian Institute of Management, Bangalore has been entrusted with the work. Sir, the staff of this Institute are normally educated in secular lines and they do not possess any technical qualification. There are of course a few persons who are having technical education. I wonder how this institute can carry out research for controlling the river sitting at Bangalore and how our Govt: can accept their opinion in this regard. Secondly, we have heard a lot about Ganga-Brahmaputra link canal. It has been also mentioned at page 5 of the budget, but the colum is kept blank and therefore, it is evident that no amount will be spent on this project. Can we know from the hon: Minister about the progress of the construction of Ganga-Brahmaputra canal ?

Shri Ranandra Narayan Basumatary ( Minister ) : Sir, regarding Ganga-Brahmaputra link canal we have not received any information from the Centre. Perhaps, this requires high policy decision. Regarding the Indian Institute of Management, I would like to say that there are experts in this Institution and apart from that we have our Brahmaputra Board were we have our own experienced persons to undertake investigation and they have also taken the opportunity to have the advice from the Central Water and Power Comission. Therefore, taking all these data into account they have come to the decision that the benifit that will be accrued after the construction of Subansiri-Dihangdam will be of the order about 5 ft: high water level.

Sri Binoy Kumar Basumatari : What is the total fees

paid to the Institute of Management.

Shri Ranendra Narayan Basumatary ( Minister ) : I cannot give this information at this stage.

Mr. Speaker : Are you going withdraw the cut motion.

Shri Binoy Kumar Basumatary : I am not satisfied, but even then I beg leave of the House to withdraw the Cut Motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the Cut motion ( Voices-yes, yes ). The leave is granted and the Cut Motion is withdrawn.

Mr. Speaker : Now, regarding Mr. Deka ( শ্ৰীমথুৰা ডেকা : মই কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো ) Is it the pleasure of the August Home to grant leave to withdraw the Cut Motion tabled by Shri Deka ( Voices—yes, yes ) The leave is granted and the Cut Motion is withdrawn. Now, I put that a sum of Rs. 38,78,20,000 be granted to the Minister incharge to defary the charges which will come in course of payment during the year ending the 31 st March, 1985 for the administration of 'Flood Control'. The motion is adopted. Now grant No. 64 Shri Basumatary to move.

Shri Ranendra Narayan Basumatary ( Minister ) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 6,53,25,000/-be granted to the Minister incharge to defray the charges which will come in course payment during the year ending the 31st March, 1985 for the administration of 'Sericulture and Weaving'.

Mr. Speaker : Now, there are two cut motions in the name of Shri Bimal Gayari, Shri Basumatary and Shri M. Deka, Shri Gayari to move.

Shri Bimal Gayari : Sir, I beg to move that the total provision of Rs. 6,53,25,000/-under Grant No. 64 in respect of 'Sericulture and Weaving' at pages 1-37 of Vol. II part XV of the budget be reduced to Re 1/-i.e. the amount of the whole grant of Rs. 6,53,25,000 to stand reduced to Re. 1/-

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, মই চেৰিকালচাৰ আৰু ওইভিং শিতানত ৬, ৫৩, ২৫, ০০০ টকাৰ কৰ্তন প্ৰস্তাৱ আনিছো যিটো গ্ৰাণ্ট মঞ্জুৰী আনিছে ৬৪ নং শিতানত ১ পৃষ্ঠাৰ পৰা ৩৭ পৃষ্ঠালৈ দুই নং ভলোমত পাৰ্ট ১৫ শিতানত, এইটো এশ টকালৈ কমাই দিবলৈ অৰ্থাৎ মুঠ ৬, ৫৩, ২৫, ০০০ টকা এশ টকা ধাৰ্য্য কৰাৰ কৰ্তন প্ৰস্তাব আগবঢ়াইছো।

শ্ৰীবিমল গয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, ৰেচম আৰু বয়ন বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা হৈছে তাৰ সমৰ্থনত এই বিভাগৰ বিষয়ে মই দুষাৰমান কবলৈ বিচাৰিছো। আমি জানো যে, এই ৰেচম আৰু বয়ন বিভাগটো আমাৰ অসমৰ অসমীয়া জাতিৰ বাপতি সাহোন কুটিৰ শিল্প আৰু বয়ন শিল্প। আমি উল্লেখ কৰিব পাৰো যে, আমাৰ জাতিৰ জনক মহাত্মা গান্ধীৰ এটা মূল মন্ত্ৰ খাদী আৰু ই ভাৰতৰ স্বাধীনতা আন্দোলনৰ এটা মূল মন্ত্ৰ স্বদেশী হস্ত শিল্প। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে, অসমৰ এই বাপতি সাহোন কুটিৰ শিল্প, ৰেচম শিল্প, বয়ন শিল্প দিনে দিনে লোপ পাই আহিব ধৰিছে। আমি ব্যাখ্যা কৰি চালে দেখো যে, আমাৰ অৰ্থ সংকটৰ যুগত আমাৰ এই শিল্পৰ অৰ্থনৈতিক ধৰণে সৃষ্টি নকৰাৰ কাৰণে এইটো হবলৈ পাইছে। আমি বিশেষভাৱে জানো যে, আজি যন্ত্ৰৰ যুগত এটা হস্ত শিল্পই ইয়াৰ চাহিদা অনুপাতে ( হস্ত শিল্পৰ চাহিদা ) পূৰণ কৰিব নোৱাৰে। সেই কাৰণে আজি মানুহৰ মাজৰ পৰা সমাজৰ মাজৰ পৰা এই শিল্প লোপ পাব ধৰিছে। বিশেষভাৱে আমি দেখিছো যে, যি এড়ি মুগা আমাৰ অসমৰ সম্পদ আৰু এই সম্পদৰে আজি উৎপাদন কমি আহিব ধৰিছে। অসমত বসবাস কৰা অসমীয়া জাতি জন্মৰ পৰা শিপিনী বুলি আমি পাই আহিছো যিটো 'ইনবৰ্ণ ওৱেভাৰ' আখ্যা দিয়া হৈছে আমাৰ অসমৰ ৰাইজে ঘৰে ঘৰে এই শিল্পৰ উৎপাদন কৰা দেখিবলৈ পাইছিলো কিন্তু আজি অস-

মৰ গাৱঁ অঞ্চলত এই শিল্পৰ অভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ মূল কাৰণ এই যে, চৰকাৰে বৰ্ত্তমান যি আচনি গ্ৰহণ কৰিছে বা যি ধৰণেৰে ব্যৱস্থা গ্ৰহণ কৰিছে এই ধৰণে কাম কৰি উপকৃত হব পৰা নাই। মই এটা উদাহৰণ দিব বিচাৰিছো যে, এড়ি কাপোৰ এখনৰ বাবে এড়ি সূতা তৈয়াৰ কৰিবলৈ আৰম্ভণীৰে পৰা যদি ব্যাখ্যা কৰি চাও বা পুংখানুপুংখৰূপে চাও, তেতিয়াহলে পখিলাৰ পৰা আৰম্ভ কৰি লেটা হোৱালৈকে ১ মাহ কাল এড়ি পালোতে এটা পৰিয়ালে যথেষ্ট কষ্ট কৰিব লাগে। অৰ্থকৰি যুগত এজন মানুহে এক কিলো বা দুই কিলো এড়ি সূতা উৎপাদন কৰিবলৈ এবাট কাল যথেষ্ট কষ্ট কৰিব লগা হয়। আৰু সেই এড়ি সূতা বজাৰত বিক্ৰি কৰি কিলোই প্ৰতি ১০ টকাৰ পৰা ৫০ টকালৈহে পায়। এটা পৰিয়ালে এমাহ পৰিশ্ৰম কৰি ৫০ টকা অৰ্জন কৰিব পাৰে, কিন্তু ৩০ দিন হাজিৰা বা আন কাম কৰিলে তাতোকৈ বহুত বেছি ধন পায়! গতিকে এই শিল্প লোপ পাই আহিছে। মই নিজে আমাৰ ঘৰত দেখিছো যে, আমাৰ ঘৰত ককা হঁতৰ দিনত এই এড়ী মুগা পালন কৰিছিল। আজি আৰু তাক দেখিবলৈ নাই। সেই কাৰণে মই কব বিচাৰো যে, আমাৰ এই শিল্প ৰক্ষা কৰিবলৈ হলে খাদী বিপ্লৱৰ যোগেদি ভাৰত স্বাধীন হ'ল এই খাদী সংৰক্ষণ কৰি ৰখাটো চৰকাৰৰ কৰ্ত্তব্য। আমাৰ ৰেচম আৰু বয়ন শিল্পৰ ক্ষেত্ৰত যি আঁচনি গ্ৰহণ কৰিছে আমি পৰ্য্যালোচনা কৰিলে দেখিবলৈ পাও যে, সেই আঁচনিৰদ্বাৰা আমাৰ ৰাইজ উপকৃত হোৱা নাই। আজি অসম চৰকাৰে ৰেচম উৎপাদনৰ নামত চেৰিকালচাৰৰ বিভাগৰদ্বাৰা এড়ি চিদ গ্ৰেইনেজ কিছুমান ফাৰ্ম কৰিছে। আমাৰ মুছলপুৰ, পাখামাৰা, মহখুলি, বেঙ্কিমাৰী, গোৰেশ্বৰ আদিত এনে ধৰণৰ কেইবাখনো ফাৰ্ম আছে। কিন্তু ইয়াৰদ্বাৰা জনসাধাৰণ কোনো ধৰণে উপকৃত হোৱা নাই। মই এবাৰ এই ফাৰ্মলৈ গৈ মেনেজাৰক সুধিলো যে, এই ফাৰ্ম বিলাকৰপৰা জনসাধাৰণৰ বা চৰকাৰৰ কি লাভ হৈছে? তেতিয়া কলে যে, এই ফাৰ্ম চৰকাৰৰ লাভৰ কাৰণে কৰা নাই দেমনেষ্ট্ৰেচনৰ বাবেহে কৰা হৈছে। আজি আমি দেখিবলৈ পাইছো যে, এই দেমনেষ্ট্ৰেচনৰ নামত লাখ লাখ টকা ঘৰ সাজি কৰ্ম্মচাৰী নিয়োগ কৰি খৰচ কৰা হৈছে। কেইজনমান অকৰ্ম্মী কৰ্ম্মচাৰী আমি তাত দেখিবলৈ পাও। তাৰোপৰি ফাৰ্মত যিবিলাক মালবেৰি গছ আছে সেইবিলাকত ১২ মাহেও পাত দেখিবলৈ

পোৱা নাযায় কলম কৰাৰ নামত বাৰে বাবে দাল কাটি দিয়া হয়। পাত উৎপাদন কৰা দেখা নাই। কিবা এটা কাম নকৰিলে নহয় বাবে এইটো কৰি আছে। আনহাতে বয়ন শিল্পৰ ক্ষেত্ৰত আমি দেখিছো যে, কিছুমান গাঁৱত টি, এচ, পি প্লেনত বয়ন সম্প্ৰসাৰণ সেৱা কেন্দ্ৰ খুলি দিছে। এইবিলাক আচনি ৰাইজে সমাদৰে লব পৰা নাই। আজি আমাৰ গাঁৱৰ মানুহবিলাকে শালত নানা দিজাইনৰ কাপোৰ লগায়। ঘৰত বোৱা কাপোৰ মজবুত হয়। দিনে এক মিটাৰ বা দুই মিটাৰহে এগৰাকী শিপিনীয়ে তৈয়াৰ কৰিব পাৰে। দেখা কেন্দ্ৰবোৰৰ যোগেদি প্ৰতি মিটাৰ কাপোৰ বোৱাৰ বাবে ১ টকাৰ পৰা ৩ টকালৈ মজুৰি দিয়া হয়। দুই মিটাৰ কাপোৰৰ মজুৰি ৬ টকাহে পায়। ৬ টকা মজুৰিত এজনী শিপিনী কেতিয়াও লাভবান হ'ব নোৱাৰে। কাটলিগাৱঁত যি বয়ন সম্প্ৰসাৰন কেন্দ্ৰ আছে তাৰদ্বাৰা ৰাইজ লাভবান হোৱা নাই। এতিয়া বিভাগীয় কৰ্ম্মচাৰীয়ে তাৰ পৰা কেন্দ্ৰটো উঠাই নি আন ঠাইত পতাৰ চেষ্টা কৰিছে। কাটলিগাওঁ এটা জন-জাতীয় অঞ্চল। তাৰ প্ৰতিজন মানুহে কাপোৰ বৈ ব্যৱহাৰ কৰে। এনে এটা অঞ্চলত এই কেন্দ্ৰ নাপাতি চন্দ্ৰলোকলৈ নিবলৈ বিচাৰিছেনেকি? আপোনা-লোকে চাই চিতি কি কি ত্ৰুটি আছে দিফেক্ট আছে সেইটো চাই লব লাগে। বিভাগীয় কৰ্ম্মচাৰীয়ে এই কেন্দ্ৰ তাৰপৰা উঠাই নিবলৈ প্ৰচেষ্টা চলাই আছে। মই নিজে বিভাগীয় মন্ত্ৰী মহোদয়ক এই কথা অৱগত কৰিছো আৰু আশা ৰাখিছো যে, এই কটলিগাৱঁৰ বয়ন সম্প্ৰসাৰণ কেন্দ্ৰটো ভালদৰে আচনি লৈ সম্প্ৰসাৰণ কৰাৰ ব্যৱস্থা কৰিব। এইখিনিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে কৈ মোৰ বক্তব্যৰ সাম-ৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা:—ৰেচম আৰু বয়নৰ শিতানত যি টকা বিচাৰিছে সেই টকা কেৱল কৰ্মচাৰী সকলক দৰ্মহা দিবৰ কাৰণে আৰু যে চৰকাৰৰ এনেকুৱা এটা বিভাগ আছে তাক পতিয়ন নিয়াবৰ কাৰণেই এই টকা ধৰা হৈছে। প্ৰকৃততে আমাৰ চৰকাৰ এই গৃহ শিল্পটোৰ বিৰোধী। কাৰণ আমি জানো যে এপেক্স ওইভাৰ চচাইটি কৰিছে, খাদী বৰ্ড কৰিছে কিন্তু আমাৰ যিবিলাক অফিচৰ পৰ্দা, টেবুল ক্লথ আদি সকলোৱেই অনা হৈছে বাহিৰৰ পৰা। এইবিলাকৰ পৰা অনা হোৱা নাই। এইটোৱেই প্ৰমান নকৰেনে যে আমাৰ চৰকাৰ এই

শিল্পৰ বিৰোধী বুলি। এই হস্তশিল্পটো কেৱল প্ৰদৰ্শনীৰ বাবেহে ৰখা হৈছে আৰু বাহিৰত যাবলৈ মাথো এই প্ৰতিষ্ঠান। কিন্তু প্ৰকৃততে হস্তশিল্প আমাৰ জীবিকা। অসমৰ প্ৰতি ঘৰে ঘৰে এই ব্যৱসায়। ৫০০ বছৰ আগতে মহা-পুৰুষ শ্ৰীমন্ত শংকৰদেৱে মহাৰাজ নৰনাৰায়ণক পতিয়ন নিয়াবৰ কাৰণে কাপোৰত বৈকুণ্ঠৰ চিত্ৰপট বৈ তুলিছিল। আহোম যুগত গিৰিয়েকক যুদ্ধলৈ যাবৰ কাৰণে ঘৈণীয়েকে নিজে কাপোৰ বৈ দিছিল। প্ৰবাদ আছে যিজন যোদ্ধাই ঘৈণীয়েকে বৈ দিয়া কাপোৰ পিন্ধি যুদ্ধ কৰিব, তেওঁ ৰণত জিকিব। আজি এনে এটা ব্যৱসায় কি হ'ল, কলৈ গ'ল? চৰকাৰৰ হেমাহিৰ ফলতেই আমাৰ যুৱতী সকল নিবনুৱা হবলগীয়া হৈছে। ঘৰে ঘৰে যুৱতী ছোৱালীয়ে কাপোৰ বোৱা আমাৰ পুৰ্বাপৰম্পৰা নিয়ম। সেই নিয়ম কলৈ গ'ল। নিয়ম আছে কিন্তু কামত নাহে। কাপোৰ ববলৈ শিপিনীয়ে সূতা নাপায়। পালেও সেই সূতাৰ কাপোৰ বেচিবৰ কাৰণে ঘৰে ঘৰে লৈ ফুৰিব লাগে। কোনেও নলয়। পিচত কোনোবা ব্যৱসায়ীক অলপ দামতে দি আহিবলগীয়া হয়। শুৱালকুছিৰ শিপিনীয়ে ঘৰে ঘৰে কাপোৰ লৈ ঘূৰি ফুৰে বিক্ৰী কৰাৰ বাবে। গতিকে এই বিলাক কাপোৰ চৰকাৰে কিনাৰ ব্যৱস্থা কৰিব লাগে আৰু লেভেলত সূতাৰ বেংক কৰি দিব লাগে। আৰু তাৰ পৰা যিবিলাক উৎপাদন হব সেই বিলাক চৰকাৰে কিনি আনি অফিচ আদিৰ কামত লগাব লাগে। আমাৰ খেতিয়কে খেতি কৰি যেনেকৈ ভাত দিছে সেইদৰে শিপিনীয়েও কাপোৰ দিছে। কিন্তু এই সকলৰ কাৰণে চৰকাৰে কি কৰিছে? কেৱল কৰ্মচাৰী সকলক দৰ্মহা দিবৰ বাবেই এই টকা বিচৰা হৈছে। আৰু যদিও কেইটামান উদ্যোগৰ কথা কৈছে নিজে গৈ নেদেখালৈকে সেই বিলাকৰ কি ভেকো-ভাওনা এতিয়া কোৱা টান।

আমাৰ এই শিল্পটো আমাৰ জাতীয় আন্দোলন হিচাবে লব লাগে। শিপিনীক সূতা দিব লাগে। সূতাৰ লগতে উলৰ ব্যৱসায়টোও এটা ভাল ব্যৱসায়। সহজতে উলৰ কাম কৰিব পাৰে। সেই কাৰণে উলৰ যোগানো চৰকাৰে ধৰিব লাগে। চৰকাৰে ইচ্ছা কৰিলে এক মাহমানৰ ভিতৰতে এই শিল্পৰ দিশত জাগৰণ আনিব পাৰে। ইয়াৰ কাৰণে চৰকাৰক লাগে ঐকান্তিক ইচ্ছা। আমাৰ যদি গাৱেঁ গাৱেঁ মানুহক সূতা দিয়া হয় আৰু চৰকাৰে এইবোৰ কিনি আনি চৰকাৰী ভৱন বিলাকত লগায় আৰু চৰকাৰৰ

কামত লগাই তেতিয়াহলে ইয়াৰ প্ৰতি নিশ্চয় জাগৰণ আহিব। আজি এম, এল, এ হোষ্টেল বিলাকত যিবিলাক পৰ্দা দিছে সেইবিলাক বতাহ আৰু পোহৰ যি নিয়ন্ত্ৰণ কৰিব লাগে সেইটো নাই। পৰ্দাবোৰ তৰিলে কোঠাটো অন্ধকাৰ হৈ পৰে, বাহিৰৰ বতাহ অকনো নাহে। এইবিলাক কেৱল চখত বোম্বাইৰ পৰা আনি লগোৱা হৈছে। মন্ত্ৰী সকলৰ ঘৰৰ পৰ্দাৰতো কথাই নাই। চখৰ প্ৰতিযোগিতা চলিলে। আমাৰ পাট-মূগা কৰবাত পৰি আছে। মূগাৰ কাপোৰৰ ইমান আদৰ। গোটেই পৃথিৱী জুৰি আছে। কিন্তু চৰকাৰী মাটিত নুনি খেতি শাওনা ফুল গছ কৰি মূগা উৎপাদন কৰিব পৰা নাই। অহিংসাবাদৰ কথাকৈ গান্ধীজীৰ ফটো আলাই লৈ যিদৰে হিংস্ৰ বাটত নামি পৰে ঠিক তেনেদৰে আমাৰ চৰকাৰেও গান্ধীৰ নাম লৈ মূল আদৰ্শৰ পৰা বিৰত হৈছে। গান্ধী-বাদী বুলি কৈ থাকিলেই নহয়। ছাত্ৰসন্থাৰ দৰে গান্ধীৰ ছবি লৈ হত্যা কৰা সেইদৰে চৰকাৰেও গান্ধীবাদ মুখত লৈ হাতে কাম নকৰা হলে নহব। চৰকাৰে দিনত হৰিনাম লৈ ৰাতি খণ্টা ললে নচলিব। গতিকে মই পৰামৰ্শ দিব বিচাৰিছো যে ব্লক লেভেলত সূতাৰ বেংক কৰি দিব লাগে আৰু সেইবিলাক বিনামূলীয়াকৈ দিব নালাগে। তাৰ পৰা পইচা লওক। কিন্তু অভাৱ হব নালাগে। আৰু যি উৎপাদন হব সেইবিলাক চৰকাৰে কিনিব লাগে। খাদীৰ কথা মুখেৰে কৈ আছে আজি কেইজনে ইয়ালৈ খাদীৰ কাপোৰ পিন্ধি আহিছে? যোগান বিভাগৰ মন্ত্ৰীৰ বাহিৰে আন কোনো জনৰে গাত খাদী দেখা নাই। এইবিলাক কেৱল মূখেৰে নালাগি হাতে কামেও লাগক। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰিলো।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যি আবেগ প্ৰকাশ কৰিছে সেই আবেগকে সমৰ্থন কৰি দুষাৰমান কব বিচাৰিছো। এই বয়ন শিল্পৰ লগত আমাৰ ৰক্ত জড়িত আছে গতিকে আবেগ প্ৰকাশ কৰা স্বাভাৱিক। আজি সঁচাকৈ এইটো দুখলগা কথা হৈছে আমাৰ চকুৰ আগতে বয়ন শিল্পই মৃত্যুৰ মুখলৈ আগবাঢ়িছে। আমাৰ ডেকা ডাঙৰীয়াই এটা কথা কৈছে যে প্ৰয়োজনীয় যিখিনি কাপোৰকানি চৰকাৰে কিনে সেইখিনি বেছি দামত কিনাতো চৰকাৰৰ চখ। গতিকে মই চৰকাৰক দাবী জনাইছো আমাৰ শিপিনীৰ হাতৰ যিবিলাক তৈয়াৰী বস্তু সেইবিলাক চৰকাৰে কিনাৰ ব্যৱস্থা কৰক। অসমৰ বাহিৰত যিবিলাক এম্পোৰিয়াম আছে সেইবিলাক সঁচাকৈ

বিক্ৰীৰ কাৰণে ৰখা হৈছে নে? দিল্লীত যিটো অসম এম্পোৰিয়াম আছে তাৰ এটা অংশ সোনাৰীক ভাড়া দিয়া হৈছে। ত্ৰিপুৰাৰ কৰ্ম্মচাৰী এজনে মোক ক'লে—"দাদা আপোনালোকৰ কাপোৰৰ উৎপাদন কম নেকি? এম্পোৰিয়ামৰ এটা ৰুম সোনাৰীক ভাৰা দিছে।" আজি অসমৰ হাতে বোৱা কাপোৰৰ বাহিৰত চাহিদা আছে। গতিকে দিল্লীৰ বাহিৰেওঁ বোম্বে আদি বিভিন্ন ঠাইত এম্পোৰিয়াম খোলাৰ ব্যৱস্থা কৰক আৰু আমাৰ শিপিনীৰ কাপোৰ বাহিৰলৈ ৰপ্তানি কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰক। অন্যান্য প্ৰদেশৰ হাতে বোৱা কাপোৰ বিদেশলৈ পঠিওৱাৰ ব্যৱস্থা কৰিছে। লুধিয়ানা পাঞ্জাৱ, তামিলনাডু, মাদ্ৰাই, বাঙ্গালোৰ, নবদ্বীপ আদি ঠাইৰ কাপোৰ অকল ভাৰততে ব্যৱহৃত নহয় ই ভাৰতৰ বাহিৰতো ব্যৱহাৰ হয়। আমাৰো সেই ব্যৱস্থা গ্ৰহণ কৰক।

আজি অসমৰ মূগা পালকে গাৰো পাহাৰৰ পৰা মূগা সচ আনিব যায়। এতিয়াওঁ লক্ষীমপুৰৰ লোক সকলে গাৰোপাহাৰৰ পৰা মূগাৰ সচ আনে। মই পৰামৰ্শ দিছো গাৰোপাহাৰৰ পৰা মূগা সচ অনা বন্ধ কৰক। শিৱসাগৰৰ নিচিনা ঠাইত আজিও কিয় মূগা সচৰ কেন্দ্ৰ স্থাপন কৰিব পৰা নাই বুজা নাই। সিদিনাখন এজন লক্ষীমপুৰৰ মানুহে কলে যে তেওঁ মূগা সচ কিনিছে ৩ হাজাৰ টকাৰ। গাৰোপাহাৰৰ পৰা আনিনে। আজি চৰকাৰে ইচ্ছা কৰিলে স্থানীয়ভাবে মূগা সচৰ এটা কেন্দ্ৰ প্ৰতিষ্ঠা কৰিব পাৰে। আমাৰ ৰাইজে আজি এড়ি কুকন বেচিবলগীয়া হৈছে ভূটানৰ বজাৰত। তেওঁলোক আগবাঢ়ি আহিছে আমাৰ পৰা এড়ি লটা কিনিবলৈ। এক কেজিত মাত্ৰ ১৫-২০ টকা পায় অথচ এক কেজি এড়ি সুতাৰ দাম তাতকৈ বহুত বেছি। গতিকে এই এড়ি কুকন কিনি নি তেওঁলোকে বেছি লাভবান হয় কিন্তু আমাৰ ইয়াত স্থানীয়ভাবে তাক কিনাৰ ব্যৱস্থা কৰা নাই। তাক নকৰাৰ ফলতে এড়ি পোহা লোকসকল নায্য মূল্যৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত মই আৰু এটা কথা কব বিছাৰিছো এড়ি মুগা পালনৰ কাৰণে যিবিলাক গছৰ প্ৰয়োজন সেই গছ বিলাক চৰকাৰে কেইজনমান কৰ্ম্মচাৰী ৰাখি এখন ফাৰ্ম্মতে ৰুলে নহব। ৰাইজেও যাতে এই গছ ৰুই লাভবান হব পাৰে তাৰ কাৰণে ৰাইজকো গছ ৰুবৰ কাৰণে সাহায্য কৰক। চৰকাৰৰ হাতত এন,আৰ,ই,পিৰ টকা আছে। এই টকা এই আঁচনিত খটাওক অন্ততঃ কিছুমান মানুহে কাম কৰিব পাৰিব।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীবনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱটো উতথাপন কৰি মাননীয় সদস্য ৩ গৰাকীয়ে কেইটামান মূল্যবান পৰামৰ্শ আগবঢ়াইছে। এটা কথাত মই তেখেতসকলৰ লগত একমত হব পৰা সম্ভবপৰ নহব। সেইটো হ'ল অসমৰ ৰেশম আৰু বয়ন শিল্প আমাৰ যিটো উন্নয়ন সেই উন্নয়নত পিচপৰি যোৱা নাই। আমি সেই উন্নয়নত আগবাঢ়িছে আছো। অৱশ্যে যিমান পৰিমানে উন্নতি কৰিব লাগে বিশেষকৈ দুখীয়া জনগণৰ জীবিকাৰ নিৰ্বাহৰ কাৰণে যি হাবাথুৰী খাবলগীয়া হৈছে ৰেশম বা বয়ন শিপিনীসকলক যিমান কাম বা সংস্থাপন দিব লাগিছিল সকলোখিনি কৰাতো সম্ভবপৰ হৈ উঠা নাই। ইতিমধ্যে অসম ৰাজ্যত যি এটা নতুন জাগৰন আহিছে যে ৰেশম আৰু বয়ন শিল্পক চাব্‌চিডিয়াৰী মিনচ অৱ লাইভলিহুদ বুলি গ্ৰহণ কৰিব নালাগে। জীবিকা নিৰ্বাহৰ মূল উপায় হিচাবেহে লব লাগে সেই দিশত এই বিভাগে যত্ন সহকাৰে আগবাঢ়ি গৈছে। অৱশ্যে এই ক্ষেত্ৰত এই বিভাগে কিছুমান অসুবিধাৰো সন্মুখীন নোহোৱা নহয়। মই মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াৰ লগত একমত যে আমাৰ যিটো চিদ বা বিধান সেইটো মেঘালয়ৰ পৰা আনিবলগীয়া হয় অকল সেইটোৱে নহয় চৰকাৰেও মেঘালয়ৰ পৰা কিনি আনিবলগীয়া হৈছে। ইয়াৰ কাৰণ হৈছে আমাৰ লোকেল যিটো সচ সেই সচৰ উৎপাদন শক্তি কম। আমাৰ এটা ককুনৰ উৎপাদন শক্তি ৩০০ মিটাৰ সুতা মাত্ৰ ওলাব কিন্তু কৰ্ণাটক বা মেঘালয়ৰ যি সচ অনা হয় সেই সচৰ এটা ককুনৰ ১ হাজাৰ মিটাৰ চিল্ক উৎপাদন হয়। সেইকাৰণে আমি ২ লাখ টকাৰ ককুন এইবাৰ মেঘালয় আৰু কৰ্ণাটকৰ পৰা কিনিবলগীয়া হৈছে।

অধ্যক্ষ মহোদয়, এই বীজৰ সংৰক্ষণৰ বাবে অসমত স্থায়ী ব্যৱস্থা হিচাপে এটা কল্ডষ্টৰেজ প্ৰতিস্থা কৰিবলৈ লোৱা হৈছে যাতে গোটেই বছৰটো খেতিয়ক সকলে অধিক উৎপাদনক্ষম সঁচ পাব পাৰে আৰু ইতিমধ্যে এই কামে বহুতো অগ্ৰগতি লাভ কৰিছে। ইয়াৰ বাহিৰেও গাওত যিসকল লোকে পলু পোহে তেওঁলোকক পলুৱে যি পাট খায় তাৰ খেতি কৰিবৰ বাবে তেওঁলোকৰ নিজৰ যিখিনি মাটি আছে সেইখিনিত খেতি কৰিবলৈ 'মটিভচন' প্লেনৰ যোগেদি খেতি কৰিবলৈ মহকুমা পৰিষদ, গাওঁ পঞ্চায়ত আৰু কেন্দ্ৰবোৰলৈ নিৰ্দ্দেশ দিয়া হৈছে। তাৰ পিচত তেওঁলোকক সহায় কৰাৰ বাবে আৰু কিছুমান ব্যৱস্থা হাতত লোৱা হৈছে। এই খেতিয়কসকলে সকলো উন্নত বীজ আদি পোৱাৰ

কাৰণে, পলু আদি পালনৰ ক্ষেত্ৰত, যাতে সুবিধা পাব পাৰে তাৰ বন্দবস্ত কৰি দিয়া হৈছে।

আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই এটা কথা কৈছে যে আমাৰ নতুন দিল্লীত যিটো এম্পৰিয়াম আছে সেইটোৰ এটা অংশ হেনো কোনোবা জুৱেলাৰীক ভাৰা দিছে। এই অংশটো ভাৰা দিছে নে নাই বা কি উদ্দেশ্যত ভাৰা দিয়া হল সেইটো মই তদন্ত কৰি পিচত জনাব পাৰিম। মাননীয় সদস্য ডেকা ডাঙৰীয়াই মাৰ্কেটিং ফেচিলিটিৰ কথা কৈছে আৰু সুতাৰ কাৰণে বেংক প্ৰতিস্থা কৰাৰ কথা কৈছে। এই বিষয়ে ইতিমধ্যে চৰকাৰৰ ফালৰ পৰা প্ৰচেষ্টা চলোৱা হৈছে, মই আশাকৰো এইক্ষেত্ৰত আমি কৃতকাৰ্য্য হম। সুতাৰ বেংক প্ৰতিস্থা কৰিলে আমি নিশ্চয় উপকৃত হম—কিন্তু মাৰ্কেটিঙৰ কথা যিটো কৈছে সেইটো আমাৰ বিভাগৰ পৰা সম্ভৱ নহয়। মাৰ্কেটিঙৰ কাম চলাবলৈ আমি সাধাৰণতে ‘অসম গভৰ্ণমেণ্ট মাৰ্কেটিং কৰ্পোৰেচন’ৰ আৰু এম্পৰিয়ামৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। মাননীয় সদস্য শ্ৰীগয়াৰী দেৱেও কোৱালিটিৰ নিৰ্ভৰ কৰি দাম বান্ধি দিয়াৰ কথা কৈছে। তেখেতে প্ৰকাশ কৰিছে যে পলু পুহি সুতা পোৱালৈকে এজন খেতিয়কৰ যিখিনি পৰিশ্ৰম হয় সেই পৰিশ্ৰমৰ উচিত পাৰিশ্ৰমিক খেতিয়কে পোৱা উচিত। সেইকথাটো আমি আমিও মানি লব লাগিব। এই বিষয়টো আমি নিশ্চয় চিন্তা কৰি চাম আৰু তেওঁলোকক যিখিনি পাৰিশ্ৰমিক দিব পাৰি তাৰ ব্যৱস্থা লম।

অধ্যক্ষ মহোদয়, আমি ষষ্ঠ পৰিকল্পনাৰ শেষৰ ফালে অৰ্থাৎ ১৯৮৪-৮৫ চনত ৬২ মিলিয়ন মিটাৰ হাতে কাপোৰ উৎপাদন কৰিবৰ কাৰণে এটা লক্ষ্য স্থিৰ কৰিছো আৰু ১৯৮০—৮৩ চনৰ ভিতৰত ৬০ মিলিয়ন মিটাৰ কাপোৰ উৎপাদন কৰিছো। বাকী থকা এটা বছৰৰ ভিতৰত আমি ২ মিলিয়ন মিটাৰ কাপোৰ উৎপাদন কৰিবৰ কাৰণে লক্ষ্য বান্ধি দিয়া হৈছে। মাননীয় সদস্য গয়াৰী ডাঙৰীয়াই আৰু এটা কথা কৈছে। এই বিষয়টো মই অলপতে তেখেতৰ সমষ্টিলৈ যাওঁতেও উল্লেখ কৰিছিল। কিন্তু এইটো উঠাই অনাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

শ্ৰীবিমল গয়াৰী :—অধ্যক্ষ মহোদয়, নলবাৰীত থকা এচিচ.টেণ্ট ডিৰেক্টৰ জনৰ পৰাই মই এই কথাটো গম পাও। তাত যেতিয়া মিটিং হয় আৰু মই যেতিয়া নাথাকো তেনে সময়তে এই কথাষাৰ বেচিকৈ ওলায়।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই বিভাগে গাওঁৰ

ছোৱালী, তিৰোতা আদিক আধুনিক ধৰণে প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰিছে যাতে তেওঁলোকে ভাল ভাল চানেকীৰে কাপোৰ বৈ বজাৰত উলিয়াব পাৰে। ইয়াৰ বাবে ইতিমধ্যে আমাৰ ৪৮ খন প্ৰশিক্ষণ কেন্দ্ৰ আছে আৰু অহা ৩১ মাৰ্চৰ ভিতৰত আৰু ১৬ খন প্ৰশিক্ষণ কেন্দ্ৰ মঞ্জুৰ কৰা হৈছে। ইয়াৰ লগতে ৪ খন হেন্দলুম প্ৰডাকচন চেণ্টাৰো মঞ্জুৰ কৰা হৈছে। এই প্ৰশিক্ষণ কেন্দ্ৰ সমূহত যিসকল মহিলাই প্ৰশিক্ষন লব তেওঁলোকক মাহে ৮০ টকাকৈ জলপানী দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু তেওঁলোকে প্ৰশিক্ষন শেষ কৰাৰ পাছত কাপোৰ বোৱাৰ কাৰণে সা-সজুলি আদি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

সেইদৰে ওৱেভিংৰ ক্ষেত্ৰত ১৯৮০-৮৩ চনৰ ভিতৰত ১৬২৩০ খন উন্নত ধৰণৰ শাল যোগান ধৰা হৈছে আৰু ১৯৮৩-৮৪ চনৰ ভিতৰত ৪১১৮ খন উন্নত শাল যোগান দিয়া হব। গতিকে আমি আশা কৰিব পাৰো যে ৰেচমৰ যেনেকৈ এতিয়ালৈকে ৯০ হাজাৰ পৰিয়ালক সামৰি লোৱা হৈছে ঠিক তেনেকৈ ১৯৮৪-৮৫ চনত ৮৩১০ টা পৰিয়ালক অতিৰিক্তভাৱে লোৱা হব। সেই কাৰণে আমি আশা কৰিব পাৰো যে এইবিলাক ব্যৱস্থা– যেনে মটিভেচন স্কীম প্ৰশিক্ষন আদিৰ দ্বাৰা আমি অগ্ৰগতি লাভ কৰিব পাৰিম আৰু এই বিষয়ত আমাৰ মাননীয় সদস্য সকলে তেওঁলোকৰ যি বহুমূলীয়া পৰামৰ্শ আগবঢ়ালে তাৰ পৰাও আমি উপকৃত হম। এইখিনিকে কৈ আমাৰ যি মাননীয় সদস্য দুগৰাকীয়ে কৰ্ত্তণ প্ৰস্তাৱটো আনিছে তেওঁলোকক মই অনুৰোধ কৰিলো যাতে তেওঁলোকে সেইটো উঠাই লয়। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো।

Shri Bimal Gayari :–Sir, I beg leave to withdraw the cut Motion.

শ্ৰীমথুৰা ডেকা ঃ মই কৰ্ত্তন প্ৰস্তাব উঠাই লৈছো।

Mr. Speaker—Is it the pleasure of the august House to grant leave to withdraw the cut Motions ?

( Voices : yes yes )

Leave is granted and the cut Motions are wi hdrawn. Now I put Grant No. 64 before the august House that a sum of Rs. 6, 53, 25, 000 be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1984

for the administration on of "Sericulture and Weaving".

Grant No. 64 is passed

Shri Hiteswar Saikia ( Chief Minister ) : Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 80, 56, 000 be granted to the Minister In charge to defay the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "State Legislature".

Mr. Speaker : There is no cut Motion to this Grant. I put the Grant before the august House that a sum of Rs. 80, 56, 000 be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "State Legislature".

The Grant is passed

Shri Hiteswar Saikia ( Chief Minister ) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 43, 54, 000 be Granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Council of Ministers".

Mr. Speker :—There is no cut Motion to this Grant also. Now I put the Grant No. 2 before the august House that a sum of Rs. 43, 54, 000 be Granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Council of Ministers".

Grant No. 2 is passed

Shri Hiteswar Saikia ( Chief Minister ) : On the recommen-

dation of the Governor of Assam, I beg sir to move that a sum of Rs. 5; 83, 35, 000 be granted to the Minister In-charge to defry the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Civil Secretariat and Attached offices"

Mr. Speaker :—There is no cut motion to this Grant also. Now I put Grant No. 15 before the august House-that a sum of Rs. 5, 83, 35, 000 be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Civil Secretariat and Attached offices".

Grant No. 15 is passed

Dr. Bhumidhar Barmon ( Minister ) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 87, 30, 08, 000 be granted to the Minister In-charge to defray the charges which will come in course of payment during the year ending the 21st March 1985 for the administration of "Madical and Public Health".

Mr. Speaker :—There are two cut Motions - one tabled by Shri Hemen Das and Shri Purna Boro, and the other, by Shri Mathura Deka. Shri Hemen Das to move now.

Shri Hemen Das : Sir, I beg to move that the total provision of Rs. 87, 30, 08, 000 under Grant No. 34 in respect of "Medical and Public Health", at pages 3-121 of Volume II, Part VII of the Budget, be reduced to Rs. 1.00, i. e. the amount of the whole Grant of Rs. 87, 30, 08, 000 do stand reduced to Re. 1.00.

Mr. Speaker :—Shri Mathura Deka to move his cut Motion now.

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্যৰ শিতানত ধৰা ৮৭, ৩০, ০৮, ০০০ টকা বাজেটৰ পঞ্চম খণ্ডৰ দ্বিতীয় 'ভলিউম'ৰ ১ পৰা ১২১ পৃষ্ঠাৰ অন্তৰ্গত, এই সমুদায় ৮৭, ৩০, ০৮,০০০ কোটি টকাৰ পৰা ১০০ টকালৈ কমোৱাৰ কাৰণে মই প্ৰস্তাৱ কৰিলো।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি মঞ্জুৰীৰ ওপৰত দুআষাৰমান কথা কবলৈ উঠিছো। মই এতিয়া এই ক্ষেত্ৰত যিখিনি কথা কবলৈ ওলাইছো তাৰ লগত তিনিজন মন্ত্ৰী জড়িত হৈ আছে। সেইকাৰণেই মই আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছো যে, আনজন মন্ত্ৰী আজি সদনত উপস্থিত নাই। 'পলিউস্যন' বিভাগৰ মন্ত্ৰীজন ইয়াত উপস্থিত নাই। এইটো নীতি বিৰুদ্ধ কাম হৈছে। গতিকেই এইবিষয়ে মই বিভাগীয় মন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰীৰো দৃষ্টিগোচৰ কৰিছো যাতে ভৱিষ্যতে এইটো কেতিয়াও হব নোৱাৰে।

ডাঃ ভূমিধৰ বৰ্মণ ( মঃ ) :—মাননীয় মন্ত্ৰী মহোদয়, তেখেতৰ অসুখ হৈ আছে।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, সি যিয়েই নহওঁক, বিষয়টো যিজন মন্ত্ৰীৰ লগত জড়িত সেই মন্ত্ৰীজন উপস্থিত নেথাকিলে কবলৈ মস্কিলেই হয়। তেখেতৰ অসুখ হলে আন কাৰোবাক 'চাৰ্জ' দিব পাৰে।

**Shri Binoy Kumar Basumatary** :—Sir, in future we will move an Adjournment Motion on this.

.................. ...........

Sir, what is the Govt. Position? Has any-one is authorised on this subject?

**Mr. Speaker** :—Hon'ble Minister has authorised to the Minister, Health.

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, কথা হৈছে, যিটো বিষয়ৰ ওপৰত বক্তব্য ৰাখিম সেই বিষয়ৰ লগত জড়িত মাননীয় মন্ত্ৰীজন উপস্থিত থাকিবই লাগিব।

মাননীয় অধ্যক্ষ :—তেখেতৰ অসুখ হোৱাৰ কাৰণেহে উপস্থিত হব পৰা নাই।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদায়, ভৱিষ্যতে যাতে অসুখটো নহয়।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চহৰবিলাকত ক্ৰমে বসতি বাঢ়ি আহিছে। এই চহৰৰ বেয়া দুৰ্থীতকৰণ ৰোধ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছে। যিমান সংখ্যা বাঢ়ি আহিছে সেই অৱস্থাত যদি আমি দুষিত হোৱাৰ বিৰুদ্ধে ব্যৱস্থা নলও তেতিয়াহলে ভৱিষ্যতে বিপদ হব। বাজেটত এটা হেড আছে। সেই হেডত পইচা ধৰা নাই। আজি পলিউচনত ১১ লাখ ধৰা হৈছে যদিও তাত মলপ্ৰবাহ আঁচনিত টকা নাই। এই যুগত যদি মলপ্ৰবাহ আঁচনি প্ৰয়োগ নকৰে তেনেহলে বায়ু দুষিতকৰণ ৰোধ কৰাৰ সকলো চেষ্টা ব্যৰ্থ হৈ যাবলৈ বাধ্য। এই চিষ্টেম নহলে চেনিটেৰী লেট্ৰনৰ পৰা পানী গৈ মাটি পায়। আৰু এইদৰে বায়ু দূষিত কৰিব। ঘনবসতিপূৰ্ণ ঠাইত যদি আজিৰ পৰা এক শ বছৰৰ কথা

চিন্তা নকৰে তেনেহলে কোনে চিন্তা কৰিব ? এক শ বছৰ পাছত যি ১০ গুণ বৃদ্ধি হব তেতিয়া মেডিকেল ডিপাৰ্টমেণ্টে কিমান ঔষধ দিব ? ৰোগ নিবাৰণৰ কাৰণে লোৱা ব্যৱস্থা ব্যৰ্থ হৈ যাব। আমাৰ এতিয়াই যদি মলহপ্ৰবাহ আঁচনি কাৰ্য্যকৰী কৰাৰ প্ৰাৰম্ভিক কামখিনি আৰম্ভ নকৰে, কেতিয়া কৰিব ? গোটেই চহৰত এদিনত কৰাটো সম্ভৱনা নাই। আজি এটা ৱাৰ্ড কালি এটা ৱাৰ্ড কৰিব ধৰিলে ৫০ বছৰৰ ভিতৰত কৰিব পৰা যাব। আজিৰ বাজেটৰ সময়ত চিয়াৰেজ চিষ্টেমত ভৱিষ্যতে টকা ধৰা নাই। নধৰিলেও চৰকাৰে খৰচ কৰাৰ বাধা নাই। অহাবছৰৰ পৰা কামখিনি আৰম্ভ কৰক। এই চিয়াৰেজ চিষ্টেমৰ যোগেদি ৪।৫ লাখ মানুহৰ মল ওলাব। সেই মল ট্ৰিটমেণ্টৰ পাচত যি ওলাব তেতিয়া সাৰ হিচাবে ব্যৱহাৰ কৰিব। এই বিষয়ৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱটো অনাত অৱশ্যে এনেবোৰ কব নালাগে এনে নহয়। আমাৰ মানুহে যি পানী খায় সেই পানীৰ পৰাও ৰোগ হব পাৰে। যেতিয়া এজন মানুহ দিল্লীলৈ যায় তেতিয়া তাৰ পানী ভাল বুলি কয়। ইয়াত মানুহবিলাকে ওপৰৰ পানী খায়। আমাৰ পানী যিমান ওপৰত পাম সেই পানী বেয়া। বেছিভাগ মানুহে খালৰ পানী খাই আছে। বৰ্ত্তমান আমাৰ পানী যোগান বিভাগে যি কাম হাতত লৈছে সেইটো চাবলগীয়া বিষয়। ইতিমধ্যে বিভিন্ন পাইপ ওৱাটাৰ আৰু টিউবৱেল আদি দিছে। কিন্তু এই টিউবৱেলৰ পানী খোৱাটো ভাল হয়। কাৰণ জাগ্ৰা অঞ্চলত দেখিছো খোৱা পানীৰ কথা বেলেগ বাহিৰা কামত ব্যৱহাৰ কৰিলেও লেতেৰা হোৱা দেখা যায়। সেইবিলাক অঞ্চলত টিউবৱেলৰ পৰিচালনা কৰক। কাৰণ এই পানীৰ কাৰণে নানা ধৰণৰ বেমাৰ হয়। যিমান তলৰ পানী খাব পৰা যায় সিমান স্বাস্থ্যৰ কাৰণে ভাল। টিউবৱেল বিলাক ৩০ ফুট হলেই যথেষ্ট। আকৌ যত পাহাৰ আছে তাত ৪০ ফুট তলৰ পানী খালেই ভাল। কাৰণ তাত শিল আছে। সকলো ঠাইতে ভাল পানী খোৱা আঁচনি কৰিব লাগিব। এই অৱস্থাত যি দেখিছো কুৰি দফীয়া আঁচনিৰ সাফল্য কৰিছে। মই কওঁ বৰপেটা জিলাত পানী যোগানৰ বাবে টাৰগেট একচিদ কৰিছে। ইয়াৰ কাৰণে ২২ কোটি টকা ধাৰ্য্য কৰিছে। বৰপেটাত চৰকাৰে এটা ওৱাটাৰ স্কীম সজাই দিছে। সেইটো এতিয়া ব্যৱহাৰ হোৱা নাই। এইটোত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। মিউনিচিপাল কৰপোৰেশ্বনে জনসাধাৰণে যাতে পানী পায় তাৰ ব্যৱস্থা কৰিব লাগে। এনে এটা কথা হৈছে যে যিবিলাক স্কীম কৰিছে এই স্কীমবিলাক কাৰ্য্যকৰী কৰাত পলম হৈছে। মোৰ সমষ্টিত এটা পাইপ ওৱাটাৰ স্কীম আৰম্ভ হৈছিল।

আন এটা কথা হৈছে যিবিলাক পাইপ ওৱাটাৰ স্কীম কৰিছে এই স্কীমবিলাক কাৰ্য্যকৰী হোৱাত দেৰি হৈছে। বিভিন্ন কাৰণত সম্পূৰ্ণভাৱে দেৰি হৈ আছে। মোৰ সমষ্টিতো এটা পাইপ ওৱাটাৰ স্কীম আৰম্ভ হৈছিল, শেষ হোৱা নাই অৱশ্যে তাত বাৰিষা মানুহ যাব নোৱাৰে, চাৰিওফালে নদী থকাৰ কাৰণে যন্ত্ৰপাতিও নিব নোৱাৰে। চাম-ঠাইবাৰী আদি জনজাতীয় অঞ্চল সমূহত এইবিলাক কাম যাতে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত শেষ হয় তাৰ ওপৰত নজৰ ৰাখিব লাগে। চেয়াৰমেন ডাঙৰীয়া, স্বাস্থ্য বিভাগৰ যোৱা

বাৰৰ বেমাৰতো এতিয়াও মুক্ত হোৱা নাই। এই বেমাৰটো হৈছে— বেচি দামত বস্তু কিনা। যেনেকৈ বস্তুৰ যোগান নিদিয়াকৈ নুকুলাক বহুত লাখ টকা প্ৰায় ৮ লাখমান টকা দিয়া হৈছিল আগধন হিচাবে। সেই বেমাৰতো এইবাৰো কিবা এটা এন্টিচিপেত টেবলেত যোগানৰ ক্ষেত্ৰত হৈছে। এইটো বোলে কোনোবা এটা কোম্পানীয়ে দাম দিছিল ৪৯·৫০ টকা কিন্তু চৰকাৰে সেই কোম্পানীটোক এই ঔষধবিধ যোগান ধৰিবলৈ নিদি ১০৭ টকা ধাৰ্য্য কৰি বেচি দামত আন এটা কোম্পানীক যোগান ধৰিবলৈ দিলে। যিটো বস্তু ৪৯·৫০ টকাত কিনিবলৈ পোৱা যায় সেই বস্তুতো কিয় ১০৭ টকাত কিনিবলগীয়া হ'ল। এই কথাটো বাতৰি কাকতত পাইছে। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যদি এইটো সঁচা হয় তেনেহলে ই অতি দুৰ্ভাগ্যজনক আৰু ইয়াৰ দ্বাৰা ৰাজহুৱা ধনৰ অপচয় চুড়ান্তভাবে আগৰ পৰাই চলি আছিল। এইবিলাকৰ এটা সুব্যৱস্থা লব লাগে। এইবাৰ এটা কথাত ভাল লাগিল যে গাওঁ অঞ্চলত স্বাস্থ্যৰ কাৰণে চৰকাৰ তৎপৰ হৈছে। বিশেষকৈ চাবচেন্টাৰ বহুত কৰিছে। অৱশ্যে যোৱা বাৰতকৈ বাজেটত টকা বহুত কমিছে। ১ কোটি ৫১ লাখ টকা আমাৰ ৰুৰেল হেলথ স্কীমৰ কাৰণে বাজেটত ধৰা হৈছে। মুখ্যমন্ত্ৰীৰ দ্বাৰা প্ৰকাশিত এখন কাগজত চলিত বছৰত ২২২ খন চাবচেন্টাৰ খোলা হৈছে বুলি প্ৰকাশ পাইছে কিন্তু ২২২ খন চাবচেন্টাৰৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ হোৱা নাই আৰু ষ্টাফও বোধহয় সম্পুৰ্ণ হোৱা নাই। গতিকে ষ্টাফ নাই, ঘৰ নাই, প্ৰচাৰ হৈছে ২২২ খন চাবচেন্টাৰ খোলা হৈছে। তাতকৈও আচৰিত হৈছো বাজেটত টকা ধৰা নাই। বাজেটত যি টকা ধৰা হৈছে সেয়া হ'ল ৬৭ লাখ টকা আৰু ট্ৰাইবেল চাবপ্লেনৰ কাৰণে ধৰা হৈছে ৩ লাখ টকা মুঠ ৭০ লাখ টকাৰে চাবচেন্টাৰৰ ঘৰ বান্ধিব নোৱাৰে। ২২২ খন চাবচেন্টাৰৰ ঘৰ বান্ধিবলৈ টকাৰ প্ৰয়োজন বেচি হব। গতিকে বাজেটখন কেনেকৈ প্ৰস্তুত কৰিলে সেইটো মই জানিবলৈ বিচাৰো। অধ্যক্ষ মহোদয়, আশাকৰো মন্ত্ৰী মহোদয়ে এই বিষয়ে স্পষ্টীকৰণ ডাঙি ধৰিব। ২২২ খন চাবচেন্টাৰ নিৰ্ণয় কৰিবৰ কাৰণে এই বছৰ বাজেটত কিয় বেচি টকা ধৰা হোৱা নাই আৰু আগতে যিবিলাক চাবচেন্টাৰত ষ্টাফ নাই সেইবিলাকত ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিব লাগে। ঘৰদুৱাৰ বিলাক সাজি উলিওৱাৰে ক্ষেত্ৰত বহুত বছৰ লোৱা হয়। শিল বালি আদি ঘৰবন্ধা সামগ্ৰীৰ যোগান ধৰিয়েই ঘৰদুৱাৰ বিলাক সম্পূৰ্ণ নকৰাকৈ ক্ষান্ত থাকিবলগীয়া হয়। গতিকে ইমান বিলম্ব কৰিলে বিভাগটোৰ যিটো উদ্দেশ্য গাওঁ অঞ্চলৰ স্বাস্থ্যৰ ওপৰত নজৰ দিয়া সেইটো ব্যৰ্থ হয়। গতিকে এই বিষয়ে অধিক তৎপৰ হব লাগে। আন এটা কথা মই কব খুজিছো— বৰদলৈ টি, বি হস্পিতালত যোৱা বাৰতকৈ এইবাৰ ৬ হাজাৰ টকা কমিছে। গতিকে মই চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে এইবাৰ বয়বস্তুৰ দাম বাঢ়িছে, ঔষধ পাতিৰ দামো বাঢ়িছে কিন্তু যোৱাবাৰৰ বাজেটতকৈ এইবাৰৰ বাজেটত প্ৰয়োজনীয় শিতানত ৬ হাজাৰ টকা কিয় কমাইছে সেই বিষয়ে এটা স্পষ্টীকৰণ বিচাৰিছো। চাৰ, এইখিনিকে কৈ মই মোৰ কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিলো।

শ্ৰীপূৰ্ণ বড়ো :—অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱৰ সন্দৰ্ভত বিশেষকৈ হস্পিতাল

পৰিচালনাৰ ক্ষেত্ৰত কিমান বিশৃঙ্খল আৰু অমনোযোগিতাই ঠাই পাইছে এই পৰিপ্ৰেক্ষিতত মই দৈনিক বাতৰি কাকতত প্ৰকাশিত এটা বিবৃতি পঢ়ি দিব বিচাৰিছো। ইয়াত কোৱা হৈছে— যোৱা ১১ মাৰ্চৰ দিনা গোলাঘাট চিভিল হাস্পাতালত এগৰাকী মহিলাৰ মৃতদেহত যি দৰে ব্যৱহাৰ কৰিলে তাৰ দৃষ্টান্ত সভ্য সমাজত বোধহয় পোৱা নহব। মেথনি চাহ বাগিচাৰ ওচৰত গাড়ীৰ দুৰ্ঘটনাত যোৰহাটৰ ষ্টেটফেডৰ মেনেজাৰৰ পৰিবাৰৰ ঘটনাস্থলীতে মৃত্যু হয়। আহত তিনিজনক যোৰহাট চিভিল হাস্পাতাললৈ অনা হয় তাৰে দুগৰাকী ছোৱালীৰ পিচত হাস্পাতালত মৃত্যু হয়। মেথনি, গোলাঘাট মহকুমাত পৰে কাৰণে ঘটনাস্থলীত মৃত্যু হোৱা শ্ৰীঅৱন্তী বৰুৱাৰ মৃতদেহ গোলাঘাট চিভিল হাস্পাতাললৈ মৰণোত্তৰ পৰীক্ষাৰ কাৰণে নিয়া হয়।

গোলাঘাট হাস্পাতালত ডাঃ পি কলিতাই মৰণোত্তৰ পৰীক্ষা কৰে হস্পিতালৰ চৌহদৰ মুকলি পথাৰত সম্পূৰ্ণ উলংগ কৰি। তাত সমবেত হোৱা ভালেমান লোক আৰু ৰোগীৰ সাক্ষাতত। তাত খবৰ কৰিবলৈ যোৱা গোলাঘাট আৰু যোৰহাটৰ কেবাজনো লোকে দৃশ্য দেখি যোৰহাটত দুখেৰে বৰ্ণনা কৰেহি। এগৰাকী মহিলাৰ মৃতদেহ সম্পূৰ্ণ উলংগ কৰি মুকলিত মৰণোত্তৰ পৰীক্ষা কৰা কেনে বৰ্বৰ ব্যৱস্থা তাক সকলো লোকেই অনুভৱ কৰিছে আৰু স্বাস্থ্য বিভাগক ধিক্কাৰ দিছে। গোলাঘাটৰ ডাক্তৰে কোৱামতে মৰণোত্তৰ পৰীক্ষা কৰা ঘৰটো বোলে ব্যৱহাৰৰ অনুপযোগী হৈ আছে। কিন্তু মৃতদেহ আন কোঠাত বা বাৰান্দাত আৱৰেৰে দি পৰীক্ষা কৰিব পাৰিলেহেঁতেন।

চেয়াৰমেন মহোদয়, ইয়াৰ পৰা বুজা যাব আমাৰ হাস্পাতাল সমূহত কেনে ধৰণৰ ব্যৱস্থা চলিছে। এতিয়া কথা হ'ল সু-চিকিৎসাৰ ব্যৱস্থা কৰাতো দৰকাৰ। আমি জানো যে দেশৰ বেচি সংখ্যক মানুহেই দৰিদ্ৰৰ সীমাৰেখাৰ তলত বাস কৰা। এই গৰীব লোক সকলৰ কাৰণে চিকিৎসকৰো প্ৰয়োজন। আজি গাওঁৰ দূৰ দূৰণী অঞ্চলত যিবিলাক লোকে বাস কৰিছে সেই সকলে যাতে চিকিৎসাৰ সু-ব্যৱস্থা পাব পাৰে তেনেধৰণে এটা স্বাস্থ্য সেৱাৰ ব্যৱস্থা কৰা দৰকাৰ। অৱশ্যে ইতিমধ্যেই কিছুমান হাস্পাতাল, ষ্টেট ডিচপেনচাৰী, চাবচিডিয়াৰী হেলথ চাব চেন্টাৰ ইত্যাদিবোৰ প্ৰস্তুত হৈছে। কিন্তু এতিয়াও দূৰ দূৰণীৰ গাৱে-ভূঁৱে বাস কৰা জনসাধাৰণৰ কিছুমানে হলেও চিকিৎসাৰ সেই ব্যৱস্থাখিনি পাব পৰা নাই। তাৰ কাৰণ হ'ল এই আজি টাউনত সুবিধা যিখিনি কিছু অঞ্চলত এই হস্পিতাল, এই ষ্টেট ডিচপেনচাৰী সমূহ প্ৰস্তুত কৰা হৈছে। কিন্তু দূৰ দূৰণীত বাস কৰা জনসাধাৰণে যাতে চিকিৎসাৰ সা-সুবিধা পাব পাৰে তাৰ কাৰণে কিমান দূৰ দৃষ্টি ৰখা হৈছে সেই ক্ষেত্ৰত মোৰ সন্দেহৰ অৱকাশ আছে।

মাননীয় চেয়াৰম্যান মহোদয়, টাউনৰ সুবিধাজনক অঞ্চল সমূহত এই হস্পিতাল সমূহ আৰু ডিছপিনসাৰিসমূহ স্থাপন কৰা হৈছে কিন্তু জনসাধাৰণৰ কাৰণে বিশেষকৈ দূৰ দূৰণিৰ গাৱঁলীয়া লোকসকলৰ কাৰণে চিকিৎসাৰ কাৰণে যাতে দৃষ্টি ৰাখে তাৰ কাৰণে মই বিভাগৰ প্ৰতি অনুৰোধ ৰাখিলো কিয়নো

দূৰ দূৰণিৰ লোকৰ কাৰণে চিকিৎসাৰ সুবিধাৰ কাৰণে চেষ্টা কৰা ক্ষেত্ৰত আমাৰ সন্দেহৰ অৱকাশ আছে। জনসংখ্যা অনুপাতে দূৰদূৰণিৰ গাৱঁলীয়া অঞ্চলত যি পৰিমাণে হস্পিতাল আদি হব লাগে সেই অনুপাতে আমি দেখিবলৈ পোৱা নাই। গাওঁ অঞ্চলৰ ৰাইজৰ স্বাস্থ্যৰ প্ৰতি নজৰ দিয়াটো অতীব প্ৰয়োজনীয় বুলি আমি ভাবো আৰু এই কথাও ইয়াৰ লগতে উল্লেখ কৰিব বিচাৰিছো যে গাওঁ অঞ্চলত থকা চিকিৎসালয় বিলাকত পৰ্য্যাপ্ত পৰিমাণে ডাক্তৰ নাথাকে। গাওঁ অঞ্চলত থকা প্ৰাইমাৰী হেল্থ চেণ্টাৰবিলাকত কমেও তিনিজন ডাক্তৰ, নাৰ্চ আদিও থাকিব লাগে আৰু কমপক্ষেও ছয় খনৰ পৰা দহ খন বিচনা থাকিব লাগে। কিন্তু আমি দেখিবলৈ পাইছো বিচনাতো নায়েই কোনো ঠাইত ডাক্তৰো নাই। ক'ববাত হয়তো এজন ডাক্তৰ আছে। ইয়াৰ দ্বাৰা যে জনসাধাৰণে স্বাস্থ্যৰ সেৱা পাইছে সেইটো আমাৰ সন্দেহ। মোৰ অঞ্চলৰ কথা এটাকে কব খুজিছো যে কাউৰবাহা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত বিচনাৰ ব্যৱস্থা হোৱা নাই। ডাক্তৰ এজন আছিল এতিয়া চাগে দুজন হৈছেগৈ। বিজুলী সংযোগ ইত্যাদিও নাই। এইবিলাকৰ পৰাই ঠিকমতে অনুমান কৰিব পাৰি যে যিবিলাক গাৱঁলীয়া অঞ্চল তাত জনসাধাৰণে চিকিৎসা সেৱা ঠিকমতে পাব পৰা নাই। তাৰ বাহিৰতো এনে কিছুমান ঠাই আছে য'ত চিকিৎসালয়ৰ ঘৰ সম্পূৰ্ণ হৈছে কিন্তু ডাক্তৰ আদি নিয়োগ কৰা হোৱা নাই। সেই ভিতৰুৱা অঞ্চল বিলাকৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা নজৰ দিয়া উচিত হব বুলি আমাৰ অনুৰোধ ৰাখিলো। এই প্ৰসঙ্গতে এই কথাও ক'বলগীয়া হৈছো যে চিকিৎসালয়ত কাম কৰা নাৰ্চসকলৰ কামৰ সময়ৰ কোনো নিৰ্দ্ধাৰিত সময় নাই। ৱাৰ্ডবয় বিলাকৰো কামৰ কোনো ইয়ত্বা নাই। চাকৰিৰ কোনো নিশ্চয়তা নাই। তাৰ উপৰিও নেশনেল মেলেৰিয়া ইৰাডিকেশন বিভাগত কাম কৰি থকা লোকসকলৰো কামৰ কোনো নিশ্চয়তা নাই ইত্যাদিবোৰ কথা বিভাগৰ ফালৰ পৰা চোকা নজৰ দিয়া উচিত বুলি প্ৰয়োজনবোধ কৰো। ইয়াৰ উপৰিও এইটো কথা উল্লেখ কৰিব লাগিব যে তিনিখন মেডিকেল কলেজ থকা স্বত্বেও যিহেতু মুঠতে দুশ সত্তৰটাহে চীট আছে সেই কাৰণে চিকিৎসা সেৱা বিদ্যা শিকিবলৈ আগ্ৰহী প্ৰথম বিভাগত পাচকৰা ল'ৰাছোৱালীও চীটৰ অভাৱত পঢ়িব পৰা নাই। তেওঁলোক বঞ্চিত হবলগীয়া হৈছে। এইক্ষেত্ৰত চীটৰ সংখ্যা বঢ়োৱাৰ কথা বিভাগে চিন্তা কৰা উচিত আৰু প্ৰকৃতাৰ্থত ইচ্ছুক ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ সুবিধাকণ আগবঢ়োৱা উচিত বুলি বিবেচনা কৰো।

চাব চেণ্টাৰ সমূহৰ কথা ভালেকেইজন মাননীয় সদস্যই এই সদনতে উল্লেখ কৰিছে আৰু মাননীয় মন্ত্ৰী মহোদয়ে চাব চেণ্টাৰ ষ্টেট ডিচপেনচাৰিলৈ উন্নীত কৰাৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কব বিচাৰিছো যে চাব চেণ্টাৰ বিলাক দূৰৰ কথা ষ্টেট ডিচপিনচাৰিতেই ডাক্তৰ নাথাকে, নাৰ্চ নাথাকে। এইবিলাক কথালৈ চাব লাগে আৰু বেচিসংখ্যক চাব চেণ্টাৰ ষ্টেট ডিচপিনচাৰিলৈ উন্নীত কৰি ডাক্তৰ নিয়োগৰ কথালৈ মনোনিবেশ কৰিব লাগে যাতে দূৰদূৰণিৰ জনসাধাৰণে স্বাস্থ্য সেৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰে। গাওঁ অঞ্চলৰ ষ্টেট ডিচপিনচাৰি অথবা চাব চেণ্টাৰত নিয়োগ কৰা ডাক্তৰ থাকিব নোখোজে বুলি এটা অভিযোগ সততে শুনা যায় তাৰকাৰণ হয় গাওঁত চাকৰি থকা ডাক্তৰ এজন দুই তিনিমাহ পৰ্য্যন্ত দৰমহা নোপোৱাকৈ থাকিবলগীয়া হয় আৰু দৰমহাৰ কাৰণে গুৱাহাটী চহৰলৈ তাঁতবাতি কাঢ়ি থাকিবলগীয়া হয়। বিশেষকৈ টি-এচ-পি এৰিয়াত কাম কৰি থকা ডাক্তৰসকলে ভীষণ অসুবিধাত পৰে। তিনিমাহলৈকে দৰমহা নোপোৱাকৈ কাম কৰি থকা সম্ভৱপৰ হয়নে বিভাগে চিন্তা কৰি চোৱা উচিত। ইয়াৰ ওপৰত নিশ্চয় গুৰুত্ব আৰোপ কৰিব আৰু সেইমতে ব্যৱস্থা গ্ৰহণ কৰিব। ইতিমধ্যে কমৰেড্ শ্ৰীহেমেন দাস ডাঙৰীয়াই পানী যোগানৰ বিষয়ে এই সদনত উল্লেখ কৰিছে। সেই সম্পৰ্কত মই দুষাৰমান কথা কবলগীয়া আছে। পাইপ ওৱাটাৰ চাপ্লাইৰ যিটো আঁচনি গ্ৰহণ কৰিছিল তাৰ দ্বাৰা বেছিভাগ এৰিয়াই কভাৰ কৰিব পৰা নাই। টিউবওৱেল দিয়াৰ ক্ষেত্ৰত কভাৰ ভিলেজ আৰু প্ৰবলেম ভিলেজ হিচাপে ভাগ কৰিছে। দৰ্খাস্ত দিয়া সত্বেও দিব পৰা নাই। কোনো কোনো কভাৰ ভিলেজত তিনিটা টিউৱওৱেল দিয়া হৈছিল যদিও ডেৰশ জনসংখ্যাৰ মাজত এটা হিচাপে দিয়া টিউবওৱেলৰ বেয়া হোৱা বা পিচত জনসংখ্যা বাঢ়ি বেছি হোৱা সত্বেও কেৱল তিনিটা টিউবওৱেলৰ দ্বাৰাই চলিবলগীয়া হৈছে। তেনে ক্ষেত্ৰত দৰ্খাস্ত দিয়া সত্বেও নতুনকৈ দিয়া হোৱা নাই। বেছি পুৰণা হলে টিউবওৱেলৰ পানী ব্যৱহাৰৰ অনুপযোগী হয় আৰু টিউবওৱেলবিলাক সঘনে বেয়াও হৈ থাকে কিন্তু তাৰ কাৰণে কোনো ব্যৱস্থা কৰা হোৱা নাই। অথচ সেই এৰিয়া প্ৰবলেম ভিলেজৰ ভিতৰত অন্তৰ্ভূক্ত কৰিও লোৱা নাই। কোনো ঠাইত বিশেষকৈ য'ত টিউবওৱেল দি পানী পোৱা নাযায় বা পানীৰ লেয়াৰ ভাল পোৱা নাযায় তাত ৰিং ওৱেল দিয়াৰ ব্যৱস্থা কৰা হৈছিল। বিশেষকৈ পাহাৰীয়া অঞ্চলৰ দঁাতিকাষৰীয়া অঞ্চলত ৰিং ওৱেল দিয়াৰ কথা আহি পৰিছিল যদিও তেতিয়া চিমেণ্টৰ কথা

আহে, ঠিকাদাৰৰ কথা আহে কামকৰা সময়ৰ কথা আহে ইত্যাদি ইত্যাদি কাৰণৰ সেই অঞ্চলৰ লোকসকলক খোৱাপানী পোৱাৰ পৰা বঞ্চিত কৰা হৈছে। এইবিলাক কথালৈ নজৰ ৰাখিব লাগে।

গতিকে ইত্যাদিবোৰ কথা চাবলৈ আছে। এই কাৰণেই আমি কৈছো যে, এই পৰিপ্ৰেক্ষিতত যতে টিউবওৱেলৰ প্ৰয়োজন তাতে দি বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে। ৰিং ওৱেল কৰাৰ ক্ষেত্ৰত অসুবিধা আছে যদি ইয়াৰ ব্যৱস্থা বিভাগে কৰিব লাগে। চিমেণ্ট নাই যদি তাৰো ব্যৱস্থা কৰিব লাগে। মুঠতে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে যাতে ৰোগৰ পৰা হাত সাৰিব পাৰি। সেইকাৰণে মই এইবিলাক কথা কৰ্ত্তন প্ৰস্তাৱত দাঙি ধৰিছো। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মৌলানা আব্দুল জলিল চৌধুৰী :—মাননীয় চেয়ারম্যান মহোদয়, স্বাস্থ্য বিভাগের মন্ত্রী মহোদয় যে, বাজেট মঞ্জুরীর জন্য উৎথাপন করেছেন আমি তা সমর্থন করছি এবং বিরোধী পক্ষ থেকে যে কর্ত্তণ প্রস্তাব আলোচনার জন্য উত্থাপন করেছেন তার আমি বিরোধীতা করে ২-৪ টি কথা বলতে দাঁড়িয়েছি।

চেয়ারম্যান মহোদয়, মেডিকেল বিভাগের জন্য যে অর্থ বরাব্দ করা হয়েছে সেটা তো আমি সমর্থন করছিই, যদি এর থেকে অধিক অর্থ এই বিভাগের জন্য মন্ত্রী মহোদয় বরাব্দ করতেন তবুও আমি তা সমর্থন করতাম। স্যার, বিভিন্ন বক্তা এই বিভাগের নানা দুষ্কৃতি সম্পর্কে যে সমস্ত কথা বলেছেন তা একেবারে অস্বীকার করা যায় না। এ ব্যাপারে কোন দ্বি-মত নাই।

চেয়ারম্যান মহোদয়, মেডিকেল সাব—সেণ্টার নিয়ে আমাদের একটা হেড-এক্ রয়েছে। আপনি নিশ্চয়ই জানেন যে কাছাড় জেলায় অনেক সাব সেণ্টার করার কথা ছিল যে গুলির 'বিল্ডিং' ১০-১৫ বতসর পর করা হয়েছিল, ৩-৪ বছর পর সে গুলিতে ডাক্তার নিযুক্তি স্থলে একজন চৌকিদার নিযুক্ত করা হয়েছিল কিন্তু আজ পর্য্যন্ত একটা ফার্ম্মেছিষ্ট দেওয়া হয় নাই। দেওয়া হয়েছিল এবং ১-২ জন মহিলা ( মিড্ ওয়াইফ্ ) দেওয়ার ব্যবস্থা করা হয়েছিল। এই মহিলাদেরে নিযুক্তি দেওয়ার ব্যাপারে নানা অসুবিধা আছে। এবং ব্যাপারে বলার জন্যই আমি দাঁড়িয়েছি। মহোদয়, ব্যাপার এই যে মিড্ ওয়াইফ্ দেওয়ার কথা—এইসব মিড্ ওয়াইফ্‌রা কিন্তু একজন ডাক্তর বা ফার্মাসিষ্ট

ছাড়া ঐসব সাব সেণ্টারে যেতে চান না। আজ আমাদের দেশের অবস্থা যে কি তা আপনারা সবাই বুজতে পারবেন। এই বিভাগের উর্দ্ধতন কর্মচারীদের সঙ্গে আলাপ করেও জানতে পেরেছি যে ডাক্তর বা ফার্মাসিষ্ট ছাড়া তাদেরে কার্য্যক্ষেত্রে পাঠানো সম্ভব নয়। তাছাড়া, যে মেডিকেল এইড্ এই সাব সেণ্টারগুলিতে দেওয়া হয় তাও পর্য্যাপ্ত নয়। আমরা যদি গ্রামের গরীব লোকেদেরে প্রকৃতই চিকিৎসার সুযোগ দিতে চাই তাহলে এই এইড সোটা-বের পরিমান আরো বাড়াতে হবে। এবং সামান্য ঔষধ পাওয়ার ও স্থায়ী ব্যবস্থা গ্রহণ করা বিভাগের অবশ্যে কর্ত্তব্য।

মহোদয়, আমরা জানি 'প্লেনিং' করেই এইসব সাব সেণ্টার করা হচ্ছে। প্লেনিং করার সময়ই ঠিক করা থাকে যে বিল্ডিং করতে হবে, ডাক্তর ও অন্যান্য ষ্টাফের নিযুক্তি দিতে হবে এবং প্রয়োজনীয় মেডিকেল এইড্, সাপ্লাই করতে হবে। আমার বক্তব্য হলো ১০ বৎসর পরেও যদি প্লেনিং অনু-সারে কাজ করা না হয় এবং প্রয়োজনীয় মেডিকেল এইড্ দেওয়ার ব্যবস্থা না করা হয় তাহালে এইসব প্লেনিং'র অর্থ কি ?

দ্বিতীয় কথা হলো—ডাক্তারখানা গুলিতে ঔষধ দেওয়ার ব্যবস্থা আছে এতে কোন সন্দেহ নাই। কিন্তু একে যদি না দেওয়ার সঙ্গে তুলনা করা হয় তাহলে বলতে হবে যে ঔষধ যথেষ্ট দেওয়া হয়েছে। স্যার, আমি নিজেও প্রত্যেকদিন ১০০ থেকে ১৫০ জনকে ঔষধ দিয়ে থাকি। তাদের কাজ থেকে কোন পয়সা নেই না।

মৌলানা আব্দুল জলিল চৌধুরী (ক্রমশঃ) ঃ—অধ্যক্ষ মহোদয়, আমরা দেখে থাকি যে হাসপাতালে ডাক্তারা কেবল প্রেসক্রাইপচন করে থাকে এবং বাজা-রের কোন নির্দিষ্ট দোকান থেকে তাদেরে ঔষধ কিনতে বলে থাকে। হাস-পাতাল থেকে কোন ঔষধ তাদেরে দেওয়া হয় না। এই অবস্থার যদি একটা বিহিত ব্যবস্থা না করা হয় তাহলে গরীবদের কোন উপকারই আমরা করতে পারবো না যদিও আমরা দিল্লী থেকে আরম্ভ করে সর্বস্তরেই শুধু এই গরীব জনসাধারনের উপকারের কথাই বলে আসছি।

Mr. Speaker : I request the hon. member to make short his speech so that we can complete all the grants. The hon: Minister will take 10 minutes to reply.

তাছাড়া, এই গরীব জনসাধারণ হাস্পাতালে চিকিৎসার জন্য কোন সিট্ পায় না। যারা অর্থ খরচ করতে পারে তারা অনায়াসেই হাসপাতালে ঔষধ এবং সিট্ দুইটি পেয়ে থাকে এই ব্যাপারে যেন মন্ত্রী মহোদয় তদন্ত করে এর বিহীত ব্যবস্থা নেন এবং গরীব জনসাধারণ যাতে পয়সা খরচ না করে হাসপাতালে সিট্ পেতে পারে তার ব্যবস্থা করেন।

স্যার, আমার ভাগ্যই এই রকম। যখনই আমি বোলার জন্য দাঁড়াই তখনই সময় থাকে না। যাই হউক—আমাকে বলার জন্য সুযোগ দেওয়ায় আপনাকে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

Shri Binoy Kumar Basumatary : In support of the cut Motion, I just want to say that probably in my constituoncy at Udalguri maximum number of hospitals are going without doctors. For instance at Panercy State Dispensary a doctor has not been posted for last several weeks. Pakibari hospital has not seen a doctor 5 years. Moreover, there are many T. B. patients in my area whenever they come to Gopinath Bordoloi T. B hospital they are thrown out saying that you go to your Minister, I will not give you admission: Poor tribal people get this type of treatment in the hospitals, There was a dispensary housed in the residence of a doctor which was blown away about 15 years back, but till today the doctor's residence has not been built: This doctor is now staying in the Family Planning Unit: None of the Family Planning Unit is functioning at the units are made the residences of the doctors. I bring this to the notice of the Minister.

মথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্যব শিতানত মই কেইটামান কথা কবলৈ ওলাইছো। অবশ্যে সময় তেনেই কম। এই সম্পৰ্কত কেইবাজনো বক্তাই কৈ গৈছে। মোৰ অধিকাৰ আছে বাবেই মোক এই কন সময় দিছে। অধ্যক্ষ মহোদয়, আপুনিও গাৱঁৰ মানুহ,ময়ো গাৱঁৰ মানুহ, আমি

গাওঁৰ পৰাই আহিছো। কিন্তু গাওঁৰপৰা আহি আমি চহৰীয়া হৈ গাওঁক কিয় পাহৰি যাব লাগে। যিদিনাখনে চহৰ আহি পালো সেই মূহূৰ্ত্তে গাওঁ পৰিত্যাগ কৰাৰ চিন্তা কৰি ভাগত পোৱা পৈতৃক সম্পত্তি বিক্ৰী কৰি গাওঁৰ লগত সম্বন্ধ চ্ছেদ কৰিব বিচাৰিলো। গাওঁত থকা মানুহবোৰে কি ধৰণে আছে, কেনে চিকিৎসা পাইছে সেইবোৰ চিন্তাতো নকৰোৱেই, তেওঁলোকে পোৱা খিনিও আমি কাটি ৰাখো। গাওঁৰ মানুহৰ কাৰণে যিবিলাক ডাক্তৰখানা দিছে সেই বিলাকত ৰোগী ৰখাৰ ব্যৱস্থা নাই। ইয়াৰ কাৰণ হৈছে খাদ্যৰ দাম ঠিক হোৱা নাই। আজি সকলো বস্তুৰ দাম বাঢ়িছে কিন্তু ৰোগীৰ খাদ্যৰ দাম চৰকাৰে বঢ়োৱা নাই। এইটো আজি চিন্তাৰ বিষয় হৈ পৰিছে। গাওঁলীয়া মানুহক হস্পিতালত ৰাখি চিকিৎসা কৰিবৰ কাৰণে ১০ খন ২০ খন বিছনা দিছে কিন্তু খাদ্যৰ কাৰণে ৰোগী ৰাখিব নোৱাৰে। যিসকল সচিবালয়ৰ কৰ্ম্মচাৰীয়ে এই বাজেট প্ৰস্তুত কৰিছে সেই সকলে তেওঁলোকৰ দৰ্মহা কেনেকৈ বাঢ়ে সেইটো কথাহে চিন্তা কৰিছে। কিন্তু গাওঁলীয়া মানুহৰ কাৰণে তেওঁলোকে চিন্তা কৰা নাই। গতিকে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে ভবিষ্যতে যি বাজেট কৰিব মিশ্ৰন বাজেট নকৰিব। গাওঁলীয়া আৰু চহৰীয়াৰ কাৰণে বেলেগ বেলেগ বাজেট কৰিব। গাওঁত ৫০ টকীয়া ডাক্তৰ দিছে। তেওঁলোকে কি ঔষধ দিয়ে ভগৱানেহে জানে। গতিকে গাওঁ অঞ্চলত যি কেইখন হস্পিটাল কৰিছে সেইকেইখনত ৰোগী ৰখাৰ ব্যৱস্থা কৰক। টেণ্ডাৰ কল কৰি খাদ্য যোগানৰ সু-ব্যৱস্থা কৰক। ডাক্তৰখানা বিলাকৰ সন্মুখত একোখনকৈ ফাৰ্মাচী থকা দেখা পাও। ডাক্তৰখানালৈ যোৱা ঔষধ এই ফাৰ্মাচীত যোগান ধৰা যেন লাগে, নহলে ফাৰ্মাচীবোৰে হলচেলাৰৰ পৰা ঔষধ কিনা দেখা নেযায়। যাতে ডাক্তৰে দিয়া ঔষধ তাতে কিনিব পাৰে গুৱাহাটীলৈ আহিব নালাগে। আৰু এটা পৰামৰ্শ দিব বিচাৰিছো যে গাওঁৰ ডাক্তৰখানা বিলাক কেনেভাবে চলি আছে সেই কথা মন্ত্ৰী গৈ চাব লাগে। সকাম পাতিলে যিখিনি মানুহক শুশ্ৰুষা কৰিবলৈ পাৰে সেই পৰিমানৰ মানুহ মাতক। গাখীৰত পানী দিয়াৰ ব্যৱস্থা নকৰিব।

মিঃ স্পীকাৰ :—মন্ত্ৰীৰ উত্তৰ নুশুনে নেকি ? মন্ত্ৰীক উত্তৰ দিবলৈ দিয়ক। উত্তৰ নুশুনিলে কৈ লাভ কি ?

শ্ৰীমথুৰা ডেকা :—মোৰ এই বিভাগটোৰ ওপৰত কৰ লগীয়া বহুত কথাই

**আছিল। সময়ৰ অভাবত কব নোৱাৰি আমি যিবিলাক কথা ডাঙি ধৰিছো সেই বিলাক কথা চাবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মই কৰ্ত্তণ প্ৰস্তাব-টোৰ সমৰ্থন কৰিলো।**

ডাঃ ভুমিধৰ বৰ্মণ ঃ—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে বহুখিনি কথা আৰু পৰামৰ্শ আগবঢ়োৱাৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো। স্বাস্থ্য বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। কাৰণ দেহা থাকিলেই বেহা। দেহা নাথাকিলে কিহৰ বেহা? সেই কাৰণে এই বিভাগটো আমি নিশ্চয় ভাল কৰিব লাগিব। ইয়াৰ কাৰণে মাননীয় সদস্য সকলে সম্পূৰ্ণ সহায় কৰিব লাগিব।

স্বাস্থ্য বিভাগৰ সম্পৰ্কত শ্ৰীদাস ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে বায়ু, পানী দূষিতকৰণৰ কথা এই সম্পৰ্কত মই কব বিচাৰিছো যে ইয়াৰ কাৰণে আমাৰ এখন বৰ্ড আছে। যাতে বায়ু, পানী দূষিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰো সেই কথা বৰ্ডে চোৱা চিতা কৰে। উদ্যোগ বাঢ়ি অহাৰ লগে লগে যে এই সমস্যাটো বাঢ়ি গৈছে সেই কথা নোহোৱা নহয়। এই সম্পৰ্কত আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিলাক কথা চাব।

স্বাস্থ্য বিভাগৰ সম্পৰ্কত শ্ৰীদাস ডাঙৰীয়াই যিটো অভিযোগ কৰিছে সেইটো ময়ো চেন্টিনেল কাকতত দেখিছো। এই সম্পৰ্কত আমি পাৰচেজ বৰ্ডক বক্তব্য ডাঙি ধৰিবলৈ দিছো। তাত এইটো কথা ওলাইছে যে আগৰ বছৰত এইটো বস্তুৰ দাম ১০৭ টকা আছিল। এইবাৰ টেণ্ডাৰ কল কৰা হৈছিল। এটা বেলেগ কোম্পানীয়ে কম দামত দিছিল। কিন্তু এইটো আগৰ পাৰচেজ বৰ্ডৰ এপ্ৰুভেল মতে আৰু এই বছৰ যি টেণ্ডাৰ কল কৰা হৈছিল সেইটো বৰ্ডে ফাইনাল নকৰাৰ কাৰণে আৰু এই ঔষধ জৰুৰী অৱস্থাত অতীব প্ৰয়োজন হোৱাৰ কাৰণে আগৰ দামতে কিনাটো সঁচা। মাননীয় সদস্য গৰাকীৰ লগতে মই সকলো সদস্যকে এইটো আশ্বাস দিব পাৰো যে আমাৰ চৰকাৰে এই সন্দৰ্ভত বিশেষ সতৰ্কতা অবলম্বন কৰিছে। যাতে যি বস্তু কিনা হয় সেইটো ভাল বস্তু হয় আৰু প্ৰয়োজনীয় বস্তুহে কিনা হয়, অপ্ৰয়োজনীয় বস্তু কিনা নহয়।

মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়ো ডাঙৰীয়াই যিটো অভিযোগ কৰিছে সেইটো ময়ো ২।৩ দিন মানৰ আগতে দৈনিক অসমত দেখিছিলো। গোলাঘাটত মুকলি ঠাইত পোষ্টমৰটেম কৰাৰ কথা। মুকলি ঠাইত মহিলাই হওক বা আন কোনোবাই হওক কাৰো পোষ্টমৰটেম কৰিব নোৱাৰে। এইটো আইন বিৰোধী। এই কাম যিয়ে কৰিছে মই তদন্ত কৰি শাস্তিৰ ব্যৱস্থা কৰিম।

অধ্যক্ষ মহোদয়, মোক আৰু অলপ সময় কব দিলে সুখী হ'ম বৰ দৰকাৰী কথা। অধ্যক্ষ মহোদয়, আপুনি ভালকৈ জানে ১৯৫৭—৫৮ চনত ৰাতিৰ ভিতৰতে যেতিয়া লোকেল বোৰ্ড এবোলিচ হৈ গ'ল বহুত ডাক্তৰখানা চৰকাৰে লবলগীয়া হ'ল। ১৫০০ টকা জমা লৈ যিবিলাক ভঙা চিঙা ডাক্তৰখানা আছিল সেইবিলাকো চৰকাৰে লৈ পেলালে। প্লেন বাজেটত এই ডাক্তৰখানা বিলাকৰ ঘৰ-বাৰী বনাবৰ কাৰণে কোনো টকাৰ ব্যৱস্থা নাই।

এই ঘৰবিলাক যে ভাল কৰাৰ অতি প্ৰয়োজন তাক আমিও উপলব্ধি কৰিছো। কিন্তু আমি দুখেৰে সৈতে জনাবলগীয়া হৈছে যে পইছা নোহোৱা কাৰণেহে এই ঘৰবিলাক ভাল কৰিব পৰা নাই। মাননীয় সদস্য সকলে আপত্তি কৰিছে যে ডাক্তৰখানা বিলাকত ডাক্তৰ নাই। আমি স্বীকাৰ কৰিছো আমাৰ জনপ্ৰিয় চৰকাৰ গঠন হোৱাৰ আগতে ডাক্তৰৰ সংখ্যা বহুত কম আছিল। কিন্তু যোৱা এবছৰত আমি ২৫০ জন ডাক্তৰ নিযুক্তি দিছো। কিন্তু এটা কথা হ'ল মাননীয় সদস্য সকলেও জানে মোকো কয় বহুত ডাক্তৰে গাওঁ অঞ্চললৈ বা য'ত কোৱাৰ্টাৰ নাই তালৈ যাব নোখোজে, তেওঁলোকে ষ্টৰ কাৰণে চেষ্টা কৰে বা ছুটি লয় আৰু সেই কাৰণেই গাৱঁলীয়া অঞ্চলত ডাক্তৰৰ অভাৱ হৈছে। মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই কৈছে—পানেৰীত ডাক্তৰ দিয়া হৈছে, তেখেতে পাকৰীবাৰীৰ কথা কৈছে। এই ডাক্তৰখানাত আগতে এচ—২ পোষ্ট আছিল অৰ্থাৎ এল, এম, পি বা এফ, এম, পিৰ ডাক্তৰ আছিল। তেওঁলোক অৱসৰ পোৱাৰ পাছত এই পোষ্টতো আপগ্ৰেড্ কৰাৰ কাৰণে আমি ফাইল ফাইনেঞ্চলৈ পঠিয়াইছো আৰু স্বাভাৱিকতে বিত্ত বিভাগত গলে সময় লয় আৰু সেয়ে দেৰি হৈছে। মাননীয় সদস্য সকলক আশ্বাস দিব খুজিছো আমি চুপাৰ নিউমাৰী দিউটি দেখুৱাই হলেও আন ডাক্তৰখানাৰ পৰা আনি এই ডাক্তৰখানা বিলাকত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম। মাননীয় সদস্য শ্ৰীবড়ো ডাঙৰীয়াই এটা কথা কৈছে যে য'ত তিনিটা ডাক্তৰ থাকিব লাগিছিল তাত দুজন আছে সেই সকলোবিলাক ফিলআপ কৰাৰ ব্যৱস্থা কৰিম। আমি দৰকাৰ হলে য'ত এচ—২ পোষ্ট চেংচন নাই তাত এড্জাচমেণ্ট কৰি হলেও লাগিলে তেওঁ দৰ্মহাটো তাত পাব আমি ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম। মাননীয় সদস্য শ্ৰীবড়ো ডাঙৰীয়া আৰু মৌলানা জলিল চাহাবেও এটা কথা কৈছে যে এ এন এম আমাৰ কম হৈছে। এ এন এম সঁচাকৈ আমাৰ চৰ্ট আছে, যিমান থাকিব লাগিছিল সিমান নাই। এই কথা উপলব্ধি কৰিয়ে চৰকাৰৰ ফালৰপৰা যি ২০৮ গৰাকী এ এন এম প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আছিল সেইটো বঢ়োৱাৰ সিদ্ধান্ত কৰা হৈছে। এতিয়া আমি ৬২০ গৰাকীক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছো। এই এক এপ্ৰিলৰ পৰা আৰু ৪টা নতুন কেন্দ্ৰ খোলা হৈছে। গতিকে আগৰ ৮ আৰু এতিয়াৰ ৪ মুঠ ১২ টা কেন্দ্ৰ খোলা হৈছে। ১ জুনৰ পৰা সকলো চিভিল চাৰ্জ্জন অফিছতে এ এন এম প্ৰশিক্ষনৰ কেন্দ্ৰ খোলা হব আৰু এই ডেৰ বছৰীয়া কোৰ্চৰ দ্বাৰা ৬২০ মুঠ প্ৰশিক্ষন পায় আহিলে ১৩৫২ টা চাব চেণ্টাৰৰ সকলোতে দিব পৰা হব। এইখিনিতে আৰু এটা কথা মই মাননীয় সদস্য সকলক জনাব খুজিছো আমাৰ বহুত এ এন এম গুৱাহাটীৰ পৰা অন্য গাওঁ আদিত যাব নিবিছাৰে, সকলোৱে গুৱাহাটীত থাকিব বিচাৰে আৰু মাননীয় সদস্য সকলে ধৰিলে ষ্টে কৰিবলৈ বাধ্য হওঁ। বহুত এ এন এম গাওঁলৈ নোযোৱাৰ কাৰণো আছে আমাৰ যিবিলাক চাব চেণ্টাৰ সেইবিলাক চৰকাৰৰ ফালৰ পৰা মাটি দিয়া হয় যিহেতু সাধাৰণতে পথাৰৰ মাজত হয়। গতিকে অকলশৰীয়াকৈ এ এন এম গৰাকী তাত কেনেকৈ থাকে ? ৫০ টকীয়া যি কেইগৰাকী থাকে তেওঁলোকো অস্থায়ী। এই

কেটেগৰীৰ পোষ্ট আৰু পাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো কিন্তু পোৱা নাই। গতিকে আমি ভবিষ্যতে যাতে এ এন এম কোৱাৰ্টাৰ মানুহৰ মাজত হয় তাৰ চেষ্টা কৰি আছো। আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডেকাই এটা ভাল কথা কৈছে। পি এইটচ চি বিলাকত কন্ট্ৰাক্টৰে দায়েট চাপ্লাই নকৰা কাৰণে বেমাৰী ৰাখিব নোৱাৰা কথা কৈছে। এই কথাটো আগৰ বিধান সভাতো উত্থাপন কৰা হৈছে। এতিয়া মাননীয় সদস্য সকলে শুনি সুখী হব যে দায়েট চাপ্লাইৰ কাৰণে আগৰ ৩·৩৭ পইচাৰ ঠাইত সেইটো বঢ়াই ৬ টকা কৰা হৈছে।

টি, বি, ৰোগীৰ ক্ষেত্ৰত আগতে ৩·৭৫ টকা আছিল। এতিয়া ৬·৫০ টকা কৰা হৈছে। গতিকে এতিয়া দায়েট পোৱাত অসুবিধা নহব। এইখিনিতে মই আৰু এটা কথা কব লাগিব— আমাৰ কেইবাজনো সদস্যাই মেডিকেল কলেজত চিট বঢ়োৱাৰ পৰামৰ্শ আগ বঢ়াইছিল। এইটো এটা ভাল পৰামৰ্শ। মাননীয় সদস্য সকলে শুনি সুখ পাব যে আমাৰ চৰকাৰৰ ফালৰ পৰা আই, এম, চিক এটা কথা দেখুওৱা হৈছে যিটো ১=৭। সেইমতে অসম মেডিকেল কলেজত আমি ৩০ টা চিট পাওঁ। অৱশ্যে এইকেইটা আগতেও আছিল। কিন্তু মাজতে এইকেইটা উঠাই দিয়া হৈছিল। এতিয়া আমি আকৌ সেইকেইটাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সিদ্ধান্ত হৈ আই, এম, চিৰ এপ্ৰুভেলৰ কাৰণে পঠাইছো আৰু শিলচৰ মেডিকেল কলেজতো ১০ টা চিটৰ কাৰণে যোগাযোগ কৰি আছো। তেওঁলোকৰৰ পৰা সহাঁৰি পালেই এইকেইটা বঢ়াব পৰা হ'ব। এইখিনিকে কৈ আমাৰ যি কেইগৰাকী মাননীয় সদস্যাই কৰ্তন প্ৰস্তাব আনিছে সেইটো উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলোঁ।

Shri Hemen Das :—Sir, I beg to withdraw the cut motion.

Mr. Speaker :—Is it the pleasure of the House to grant leave to the hon. member to withdraw the cut motion ?

( voices—yes, yes ) leave is granted and the cut motion withdrawn.

Now I put the main grant that a sum of Rs. 87, 30, 08, 000 be Granted to the Minister in-charge to defray certain charges which will come in course of the payment during the year ending the 31st March, 1985 for the administration of "Medical And Public Health".

Grant No. 34 is passed

Dr. Bhumidhar Barman ( Minister ) :—Sir, on the recommendation of the Governor of Assam I beg to move that a

sum of Rs. 3, 05, 82, 000 be granted to the Minister in-charge to defray certain charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Aid Materials".

Mr. Speaker :—There is no cut motion to this grant. I put the main grant—that a sum of Rs. 3, 05, 82, 000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Aid Materials"

Grant No. 29 is passed

Shri Hiteswar Saikia ( Chief Minister ) :—Sir, on the recommendation of the Governor of Assam I beg to move that a sum of Rs. 1, 80, 65, 000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Stationery & Printing".

Mr. Speaker :—There is no cut motion to this grant also. So, I put the grant—that a sum of Rs. 1, 80, 65, 000 be granted to the minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Stationery and Printing".

Grant No. 20 is passed

## Calling Attention Notice

Shri Hemen Das :—Sir, I beg to call the attention of the Minister Education under Rule 54 of the Rules of Pro-

cedure and Conduct of Busness in Assam Legislative Assembly to the news item appearing in the "Agradoot" dated 15th Feby./84 under the caption.

"গুৱাহাটী বিশ্ববিদ্যালয়ত বিধায়কক অপমান"

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাসে ইংৰাজী ১৯৮৪ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে অগ্ৰদূত বাতৰি কাকতত প্ৰকাশিত "গুৱাহাটী বিশ্ববিদ্যালয়ত বিধায়কক অপমান" শীৰ্ষক সংবাদটোৰ বিষয়ে যি জাননী দিছে তাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে।

এই সম্বন্ধে যি দুগৰাকী বিধায়ক গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভাত উপস্থিত আছিল তেওঁলোকৰ লগত সংবাদটোৰ বিষয়ে আলোচনা কৰা হৈছিল। তেওঁলোকৰ লগত কৰা আলোচনাৰ পৰা দেখা যায়যে সংবাদটো অতিৰঞ্জিত। সংবাদটোত কোৱা ধৰণে বিধায়কসকলে চোকা পুলিচ পহৰাত বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভালৈ যোৱা নাছিল। বিধায়কসকলৰ পৰা জনা যায় যে তেওঁলোক দুজন কৰ্টৰ সভাত ভাগ লবলৈ গৈ উপস্থিত বহীত ( Attendance Register ) চহী কৰাৰ পিচত কেইজনমান বিধায়কসকলৰ অপৰিচিত লোক আহি বিধায়ক সকলক অবৈধ চৰকাৰৰ প্ৰতিনিধি বুলি সভাৰ কাৰ্য্যত ভাগ নলবলৈ দাবী জনায়। বিধায়কসকলেও সেইসময়ত অৱস্থা যাতে বেয়াৰ ফালে ঢাল নেখায় তাৰ প্ৰতি চকু ৰাখি সভাৰ কক্ষ ত্যাগ কৰে। সংবাদটোত প্ৰকাশ পোৱা মতে বিধায়ককেইজনক চি, আৰ, পি, ৰ গাড়ীত খেদি থৈ যোৱাহি নাছিল।

শ্ৰীহেমেন দাস :—অধ্যক্ষ ডাঙৰীয়া, মই এটা কথাৰ স্পষ্টীকৰণ বিচাৰিছো। যিসকল বিধায়ক সেই মিটিংৰ পৰা ওলাই আহিব লগা হল তাৰ বাবে কোন জগৰীয়া? তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা হাতত ল'লে মন্ত্ৰী মহোদয়ে জনাৰনে?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, এই বিষয়ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যই কি ব্যৱস্থা লৈছিল সেই বিষয়ে জনা হোৱা নাছিল।

শ্ৰীহেমেন দাস :—অধ্যক্ষ ডাঙৰীয়া, বাতৰিটোৰ লগত মন্ত্ৰী মহোদয়ৰ উত্তৰ যথোচিত হোৱা নাই। যি সময়ত তেওঁলোকে সভা ত্যাগ কৰিব লগা হল সেইসময়ত বিশ্ববিদ্যালয়ৰ বিষয়ববীয়া সকলে কি ব্যৱস্থা লৈছিল?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, মই আগতে কৈছো যে বিধায়ক

কেইজনে কোৱা মতে বাতৰিটো অতিৰঞ্জিত হৈছে। বাকীখিনি কথা মই ইতিমধ্যে কৈছোৱেই।

শ্ৰীহেমেন দাস :—এইটো অতিৰঞ্জিত কথা নহয়। বাতৰিটোত কোৱামতে তাত কিছুমান বাহিৰা মানুহ আছিল আৰু তেওঁলোকেই এই বিধায়ক কেইজনক উলিয়াই দিছিল। সেই মানুহ কেইজন কোন মই সেইটোহে জানিব বিচাৰিছো।

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই মানুহবিলাক বাহিৰা মানুহ আছিল নে কোৰ্টৰ সভ্য আছিল সেইটো মই কব নোৱাৰো। কিন্তু বাতৰিটোত প্ৰকাশ কৰা হৈছিল যে তেওঁলোক চি, আৰ, পি ৰ দ্বাৰা পৰিবেষ্টিত হৈ গৈছিল আৰু তেওঁলোকক মৰিয়াই মৰিয়াই চি, আৰ, পিৰ গাড়ীত তুলি দিয়া হৈছিল। এই কথাষাৰ যিহেতু সত্য নহয়, সেই কাৰণেই এই বাতৰিটো অতিৰঞ্জিত বুলি অভিহিত কৰা হৈছে।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, কি পৰিস্থিতিত মাননীয় সদস্য দুগৰাকীয়ে সভাকক্ষ ত্যাগ কৰিব লগীয়া হল? বিধায়ক এজনৰ কাৰণে এইটো এটা ডাঙৰ অপমান।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে, অৱস্থা আৰু বেয়াৰ ফাললৈ যোৱাৰ আশংকাত মাননীয় সদস্য দুজনে সভাকক্ষ ত্যাগ কৰে।

## Matter Under Rule 301

শ্ৰীমহম্মদ আলি :—মাননীয় অধ্যক্ষ মহোদয়, উৎপাদন আৰু বিতৰণ ব্যৱস্থা জাতীয়কৰণ কৰাৰ উদ্দেশ্যৰেই এই সমবায় আন্দোলন গঢ়ি উঠিছিল। এই সমবায়ৰ যোগেদিয়েই বহুত কল-কাৰখানা আদি গঢ়ি উঠিছিল। গাওঁ পৰ্য্যায়-লৈকে সমবায় সম্প্ৰসাৰিত হৈছিল। কিন্তু বাস্তৱত যি দেখা গৈছে যে সমবায়ৰ জৰিয়তে যিবিলাক কল-কাৰখানা আদি প্ৰতিষ্ঠা হৈছিল সেইবিলাকৰ আজি দুৱাৰ বন্ধ আৰু যিবিলাক হব ধৰিছে সেইবিলাকৰো অগ্ৰগতি একেবাৰেই নাই। উদাহৰণ স্বৰূপে, বৈতামাৰীত সমবায়ৰ যোগেদি এটা সূতাকল হব বুলি আজি তিনি চাৰি বছৰৰ পৰা কেৱল শুনিহে আছো। কিন্তু তাৰ বাস্তৱ ৰূপ আজিলৈকে হলে আমি দেখা নেপালো। গাওঁ পঞ্চায়ত বিলাকতো

যিবিলাক সমবায় সমিতি আছে সেই বিলাকৰ অৱস্থাও আৰু অধিক বেয়া। কিবা এটা বস্তুৰ 'এলটমেণ্ট' পালেও সেই বস্তুটো গুদামৰ পৰা আনিবৰ কাৰণে সেইপৰিমাণ টকা মাৰোৱাৰীৰ পৰা বা সুলভ মূল্যৰ দোকানৰ এজেণ্ট বিলাকৰপৰা ধাৰকৰি আনিহে সেই বস্তুবিলাক উঠাব পাৰে। সকলো গাওঁ পঞ্চায়ত এলেকাত সমবায়ৰে এই অৱস্থা।

সমবায়ৰ এই ব্যৱস্থা অব্যাহত থাকিলে সমবায় আন্দোলনটো ধ্বংশ হবলৈ বাধ্য। সেইকাৰণেই মই এই কৰ্ত্তন প্ৰস্তাৱটো আনিছো।

শ্ৰীতিলক চন্দ্ৰ গগৈ ( মঃ ):—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমহম্মদ আলি চাহাবে যিখিনি কথা উত্থাপন কৰিছে সেইখিনিৰ প্ৰত্যুত্তৰত মই লিখিত বিবৃত্তি দিয়াৰ আগতে কেইআষাৰমান কথা কব খুজিছো।

অসমত জনপ্ৰিয় চৰকাৰ গঠিত হোৱা আজি এবছৰ হল। এই এবছৰৰ ভিতৰত বিভাগীয় যিটো খতিয়ান সেইটো মোটামুটি ভাৱে দাঙি ধৰা হৈছে। ইয়াৰ আগতে জনতা শাসনৰ আমোলত এই সমবায় আন্দোলনটোৰ কি হৈছিল সেইটোৰ খতিয়ান আপোনালোকে পাই আছে। সমবায় আন্দোলনৰে সমবায় হৈছে এটা বিভাগ। কিন্তু সমবায় এটা আন্দোলন। এখন সমাজবাদী গণতান্ত্ৰিক ৰাষ্ট্ৰত সমবায় আন্দোলনেই হৈছে মূল বিকল্প ব্যৱস্থা। মানুহৰ 'প্ৰাইভেট প্ৰফিট টেণ্ডেন্সিটো' আছেই। গাইগুটীয়া লাভৰ বিৰুদ্ধেই ভাৰত বৰ্ষত সমবায় আন্দোলনটো আৰম্ভ কৰা হৈছিল বিকল্প সমাজবাদী ব্যৱস্থা হিচাবে। এই বিকল্প ব্যৱস্থাৰ ফলশ্ৰুতি হিচাবেই জন্ম হৈছে 'নেশ্বনেল কো-অপাৰেটিভ ফেডাৰেশ্বন'ৰ। এই 'ফেদাৰেশ্বন'ৰ অধীনত ৭ হেজাৰৰো অধিক সমবায় চছাইটি আছে। প্ৰত্যেকখন চছাইটিয়েই একো একোখন স্বয়ংসম্পূৰ্ণ চছাইটি। ইয়াৰ মেম্বাৰ সকল নিৰ্ব্বাচনৰ জৰিয়তে নিৰ্ব্বাচিত হয়। চৰকাৰে মাত্ৰ ইয়াক 'চুপাৰভাইজকৰে, চাব.চিদি দিয়ে, বেছ পেমেণ্ট ইত্যাদি কৰে। তাৰ বাহিৰে গোটেই 'মেনেজমেণ্টটো চছাইটি'ৰ হাতত। ইয়াত চৰকাৰৰ কোনো 'কণ্ট্ৰল' নাই। মাথোন আৱশ্যকীয় পৰামৰ্শখিনিহে চৰকাৰে দিয়ে। অডিট আদিৰ ব্যৱস্থা থাকে আৰু যদি কেতিয়াবা কিবা বেয়া কৰে তেতিয়াহলে বিভাগে ব্যৱস্থা লব পাৰে। কিন্তু এখন চছাইটি গঢ়ি তুলিবৰ হলে অংশীদাৰ সকলে যদি বিকল্প ব্যৱস্থা হিচাবে ধৰি নলয় তেতিয়া হলে, এখন চছাইটি চলাটো সম্ভৱপৰ নহয়।

মই এইলিখিত বিবৃতিটো পঢ়ি দিছো, তাত আপোনালোকৰ মতামত আদি দিব পাৰিব।

সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ আৰ্থিক আৰু সামাজিক দ্ৰুত উন্নতিৰ কাৰণে সমবায় সমিতিসমূহ একমাত্ৰ নিৰ্ভৰযোগ্য মাধ্যমৰূপে পৰিগনিত হৈ আহিছে আৰু চৰকাৰেও নীতিগতভাৱে ইয়াক গ্ৰহণ কৰি অসমৰ অসমৰ সমবায় আন্দোলন সু-প্ৰতিষ্ঠিত কৰিবৰ কাৰণে বিভিন্ন ব্যৱস্থা সময়ে সময়ে গ্ৰহণ কৰি আহিছে। এইটো স্বীকাৰ্য্য যে বৰ্ত্তমান অসমৰ সমবায় আন্দোলনে চহৰ আৰু গাৱঁৰ বিভিন্ন অৰ্থনৈতিক দিশ সমৰি লৈছে আৰু কমবেছি পৰিমাণে তাৰদ্বাৰা সৰ্ব্বসাধাৰণ ৰাইজ উপকৃত হৈছে। বৰ্ত্তমানলৈকে পঞ্জীয়ন হোৱা ৭৩৮৭ খন বিভিন্ন ধৰণৰ সমবায় সমিতিয়ে এইটোৱে প্ৰমাণ কৰে যে সৰ্ব্বসাধাৰণ ৰাইজে সমবায় মাধ্যমকে তেওঁলোকৰ অৰ্থনৈতিক উন্নয়নৰ একমাত্ৰ পন্থা হিচাপে গ্ৰহণ কৰিছে।

অসমৰ সমবায় আন্দোলনৰ বৰ্ত্তমান অৱস্থা আৰু ভৱিষ্যৎ সম্বন্ধেও কোনো নিৰাশাবাদী মন্তব্য দিয়াৰ আগতে বৰ্ত্তমান সমবায় আন্দোলন কি পৰ্য্যায়ৰপৰা আহি বৰ্ত্তমান অৱস্থা পাইছে সেই কথাটো পৰ্য্যালোচনা কৰাটো উচিত হব। এইখিনিতে উল্লেখযোগ্য যে অন্যান্য ৰাজ্যৰ দৰে অসমৰ সমবায় আন্দোলন কৃষক ৰাইজক আৰ্থিকভাৱে সহায় কৰিবৰ বাবেই আৰম্ভ হয় আৰু সেই অনুসাৰে সময়ে সময়ে কৃষি সহায়ক সমবায় সমিতিবোৰ আৱশ্যক অনুযায়ী পুনৰ গঠন কৰা হৈ আহিছে। যি সময়ত ঋণ খিলাপীৰ ( Overdues ) বাবে সমবায় সমূহে কৃষক ৰাইজক ঋণ যোগাবলৈ অক্ষম অৱস্থা পাইছিল সেই সময়তে অৰ্থাৎ ১৯৭৩-৭৪ চনত কৃষি সহায়ক সমবায় সমিতিৰ পৰিবৰ্ত্তে গাওঁ পঞ্চায়ত সমবায় সমিতি গঠম কৰাৰ সিদ্ধান্ত লোৱা হয় আৰু সেই অনুসাৰে ৬৬৫ খন গওঁ পঞ্চায়ত সমবায় সমিতি গঠন হয়। এইখিনিতে উল্লেখযোগ্য যে কৃষি ঋণৰ উপৰিও অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত ৰাজ্যত সমবায়ে প্ৰধান অনুষ্ঠান। ৰাজ্যিক আৰু গাওঁ পৰ্য্যায়ৰ সমবায় সমিতিসমূহে নানা আৰ্থিক আৰু অন্যান্য অসুবিধা স্বত্বেও উক্ত কাম দাযিত্ব সহকাৰে পালন কৰি আহিছে। এইটো সচাঁ যে কিছুসংখ্যক গাওঁ পঞ্চায়ত সমবায় সমিতিৰ আৰ্থিক অৱস্থা দুৰ্ব্বল। ইয়াৰ কাৰণ প্ৰধানতঃ দুটা—সুপৰিচালনাৰ অভাৱ আৰু আৱশ্যকীয় পুঁজিৰ নাটনি। বিশেষকৈ অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ পৰা সময়মতে অবণ্টন নোপোৱা আৰু কোনো কোনো

ক্ষেত্রত আৰ্থিক স্বচ্ছলতাৰ অভাৱ বিশেষভাৱে উল্লেখযোগ্য। চৰকাৰে পৰিস্থিতি সমাধানৰ বাবে সাধ্যমতে ব্যৱস্থা গ্ৰহণ কৰি আহিছে যদিও যি পৰিমাণে সাহায্য দিয়াৰ প্ৰয়োজন সেই পৰিমাণে সাহায্য বিভিন্ন কাৰণত দিব পৰা হোৱা নাই।

পৰ্য্যালোচনা কৰি দেখা যায় যে প্ৰথম পৰ্য্যায়ত গঠন হোৱা ৬৬৫ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভিতৰত শতকৰা ৫৭ ভাগ সমিতিয়ে ১৯৮২-৮৩ চনত ব্যৱসায়ত লাভ কৰিবলৈ সক্ষম হৈছে।

এইটো সচাঁ যে কৃষি ঋণৰ ক্ষেত্ৰত এই সমবায় সমিতি সমূহ যিদৰে অগ্ৰসৰ হব লাগিছিল সেই পৰিমাণে আগবাঢ়িব পৰা নাই। খিলাপী ঋণৰ ক্ৰমাগত বৃদ্ধি, কৃষিৰ কাৰণে দৰ্কাৰ হোৱা আনুসঙ্গিক সুব্যৱস্থাৰ অভাৱ আৰু ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ পৰা উপযুক্ত সহাঁবি নোপোৱাটোৱে প্ৰধানতঃ ইয়াৰ মূল কাৰণ। আন এটা বিশেষ কাৰণ হ'ল যে অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণত ব্যস্ত থাকিব লগা হোৱাৰ কাৰণে সমিতিৰ সম্পাদকজনে কৃষি স্থাপনৰ ক্ষেত্ৰত যি গুৰুত্ব দিব লাগিছিল তাক দিবলৈ সক্ষম হোৱা নাই। ইয়াৰ উপৰিও যোৱা কেইবছৰত উদ্ভৱ হোৱা পৰিস্থিতিয়েও সমিতি সমূহৰ কাম-কাজ বহু পৰিমাণে ব্যহত কৰিছে। সমিতি সমূহৰ উক্ত অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিভাগে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বহু পৰিমাণে সফলতা লাভ কৰিছে। এই ব্যৱস্থা সমূহ হ'ল অধিক পৰিমাণৰ কৃষি ঋণ বিতৰণ, খিলাপী ঋণ আদায় আৰু হিচাব পৰীক্ষা। উল্লেখযোগ্য যে যোৱা ৰবি শস্যৰ সময়ত বিভাগে লোৱা ব্যৱস্থাৰ ফলত যোৱা ১৫-২-৮৪ তাৰিখলৈকে ৰবি শস্যৰ শিতানত ৭২·৪৬ লাখ টকা কৃষি ঋণ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে কৃষকক যোগান ধৰিছে। যোৱা ১-৪-৮৩ ৰ পৰা ১৫-২-৮৪ লৈকে সেই সমবায় সমিতি বিলাকে মুঠ ১১৩·৯৭ লাখ টকা অল্পহাৰ মধ্যকালীন কৃষি ঋণ বিতৰণ কৰিবলৈ সক্ষম হৈছে। উক্ত সময় চোৱাত খিলাপী ঋণ আদায় হয় মুঠ ৭৬·৬৩ লাখ টকা, যিটোৱে এটা অভিলেখৰ সৃষ্টি কৰিছে। ইয়াৰ ফলত বহু সংখ্যক সমবায় সমিতিয়ে বেঙ্কৰ পৰা ঋণ লাভৰ যোগ্যতা অৰ্জন কৰিছে আৰু লগতে কৃষক ৰাইজো উপকৃত হৈছে। কৃষি ঋণৰ ক্ষেত্ৰত আন এটা অসুবিধা উল্লেখযোগ্য। পানী যোগান ব্যৱস্থা আৱশ্যক অনুসাৰে নথকা বাবে সাৰ ব্যৱহাৰ কৰাৰ সুবিধা নথকাত কৃষকক আৱশ্যকীয় ঋণ কোনো কোনো ক্ষেত্ৰত সমিতি বিলাকে দিব পৰা নাই। ইয়াৰ বাহিৰেও বেঙ্ক আদিৰ পৰা পোৱা অসুবিধা আদিৰ ফলত ঋণ

বিতৰণৰ পৰিমাণ যথেষ্ট কম হোৱা পৰিলক্ষিত হৈছে। বিভাগে এই বিষয়ে পৰীক্ষা চলাইছে। মটি বন্ধকী সমবায় বেঙ্কৰ যোগেদি ক্ষুদ্ৰ জলসিঞ্চন আঁচনি সমূহক সাহায্য দিয়াৰ ব্যৱস্থা লোৱা হৈছে। গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ জৰিয়তে স্থাপিত হোৱা Shallow Tube Well/Lift Point বোৰ পুনৰ সঞ্জীবিত কৰিব পৰা যায়নে নেযায় তাকো পৰীক্ষা কৰিবৰ ব্যৱস্থা কৰা হৈছে। এইদৰে সমবায় সমিতি সমূহে সাধ্যানুসাৰে কৃষি ঋণৰ পৰিমাণ বৃদ্ধি কৰাৰ চেষ্টা চলাইছে।

এইখিনিতে উল্লেখযোগ্য যে গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ আয়ৰ উৎস হৈছে কৃষি ঋণৰ পৰা পোৱা সুত (১½%)। কৃষি ঋণ বিতৰণৰ ব্যৱস্থা বৃদ্ধি নহলে সমিতি সমূহ লাভত চলিব নোৱাৰে। কাৰণ অত্যাবশ্যকীয় সামগ্ৰী যোগানৰ ক্ষেত্ৰত লাভৰ অংশ অতি সামান্য। যাৰ ফলত বহু সংখ্যক সমিতি লোকচানত চলিব লগা হৈছে। সেই বাবে বিভাগে বৰ্ত্তমান বছৰত আৰু দুটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সমিতি সমূহৰ এলেকাত উৎপাদিত হোৱা কৃষিজাত সামগ্ৰী বিশেষকৈ সৰিয়হ, মাটি কলাই ইত্যাদি বেচা-কিনাৰ আচনি লৈছে আৰু কিছুমান সমিতিতAgro Service Centre স্থাপন কৰিবলৈ আচনি লোৱা হৈছে। উক্ত ব্যৱস্থা অনুসৰি কৃষি সমগ্ৰী বেচা-কিনা কৰিবলৈ T. S. P. এলেকাৰ ২৭ খন আৰু অন্যান্য এলেকাত ১০ খন সমিতিক আৰ্থিক সাহায্য দিয়াৰ প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে। ১৪ খন সমিতিক Agro Service Centre কৃষি বিভাগৰ সহযোগত স্থাপন কৰাৰ বাবে আৰ্থিক সাহায্য দিয়াৰ প্ৰস্তাৱ চৰকাৰে বিবেচনা কৰি আছে। প্ৰথম ব্যৱস্থাৰ ফলত সমিতি সমূহে সভ্য সকলক কৃষিজাত দ্ৰব্যৰ ন্যায্য মূল্য দিব পাৰিব আৰু লগতে কিছু লাভ কৰিবলৈ সক্ষম হব। দ্বিতীয় ব্যৱস্থাৰ ফলত সেই এলেকাৰ কৃষক সকলে ভাৰাতীয়াকৈ কৃষিৰ আহিলা-পাতি কিনিব পাৰিব। ইয়াৰ বাহিৰেও পুঁজিৰ ব্যৱস্থা কৰিব পাৰিলে কিছুসংখ্যক সমিতিক বিশেষকৈ ৰবি খেতিৰ সুবিধাৰ কাৰণে Tractor দিয়াৰ কথাও ভবা হৈছে। সেইমতে এই বছৰ T. S. P. এলেকাৰ এখন সমিতিক এখন Tractor যোগান দিয়াৰ কথা চৰকাৰৰ বিবেচনাধীন হৈ আছে।

অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত সমবায় সমিতিসমূহে যোৱা ৮২/৮৩ চনত মুঠ ৩৫ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হয়। এই ব্যৱস্থা সুদৃঢ় কৰিবৰ বাবে গাওঁ পঞ্চায়ত সমিতিৰ ১৭৭ টা গুডাম ঘৰ সম্পূৰ্ণ হোৱাৰ উপৰিও বাকী অসম্পূৰ্ণ হৈ থকা

৯৬ টা গুডাম ঘৰ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। লগত সাহায্যৰ পৰিমাণ ৬৮ হাজাৰৰ পৰা ১৬৮ হাজাৰলৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ উপৰিও দূৰ অঞ্চলৰ ৰাইজৰ বাবে অধিক বিতৰণ কেন্দ্ৰ খোলৰ প্ৰস্তাৱ লোৱা হৈছে। সাব ষিতৰণৰ কাৰণে কেন্দ্ৰ স্থাপন কৰা প্ৰস্তাৱ বৰ্ত্তমান বছৰত আছে। এইখিনিতে উল্লেখযোগ্য যে কৃষি ঋণৰ বিতৰণৰ ব্যৱস্থাত বিশেষ মনোযোগ দিবৰ কাৰণে সমিতি সমূহত আৰু এজন সম্পাদক নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হৈছে আৰু ইতিমধ্যে ৪০ খন সমবায় সমিতিক এজনকৈ অতিৰিক্ত সম্পাদক নিযুক্তি দিয়া হৈছে।

সমিতি সমূহৰ হিচাৰ পৰীক্ষা সম্পূৰ্ণ কৰিবৰ কাৰণে বিভাগে বিশেষ ব্যৱস্থা লৈছে যাতে সমিতি সমূহক পৰিচালনাৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা আসোঁৱাহসমূহ সময়মতে দূৰ কৰিব পৰা হয় আৰু যাতে ৰাইজৰ আস্থাভাজন হব পাৰে। উক্ত ব্যৱস্থাৰ ফলত যোৱা ৮২/৮৩ চনত গোটেই বছৰটোত সম্পূৰ্ণ হোৱা ৩,২৯৩ খন সমিতিৰ ঠাইত, ১।৭।৮৩ ৰ পৰা ৩১।১২।৮৩ লৈকে ৬ মাহত ১,৬৭৩ খন সমিতিৰ আগৰ কেইবছৰত পৰীক্ষা কৰিবলৈ বাকী থাকি যোৱা হিচাপসমূহ সম্পূৰ্ণ কৰিও মুঠ ২,২৭৯ টা হিচাব পৰীক্ষা সম্পূৰ্ণ হৈছে যিটো আন বছৰৰ তুলনাত এটা অভিলেখ। আশা কৰা যায় যে ওপৰোক্ত ব্যৱস্থাৰ ফলত গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ আৰ্থিক অৱস্থা সুদৃঢ় হব আৰু যি উদ্দেশ্যত এই সমিতি বিলাক গঠন কৰা হৈছিল সেই উদ্দেশ্য ফলৱতী কৰিবলৈ সক্ষম হব।

অন্যান্য সমিতিৰ ক্ষেত্ৰতো বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য বয়নশিল্প সমবায় সমিতি আৰু মীন সমবায় সমিতি। ১৬২১ খন বয়ন সমবায় সমিতিৰ ভিতৰত ৯৪৭ খন সমিতি পুনৰ সঞ্জীৱন আঁচনিত অন্তৰ্ভূক্ত কৰা হৈছে আৰু ২৮০ খন পুনৰ সঞ্জীৱন কৰাৰ প্ৰস্তাৱ আছে। ইয়াৰ উপৰিও বোৱনী সভ্যা সকলৰ সুবিধাৰ বাবে ৬০ খন বয়ন সমবায় সমিতিক কাৰখানাঘৰ স্থাপনৰ বাবে চৰকাৰে ইতিমধ্যে সাহায্য দিছে। মীন সমবায় সমিতিৰ ক্ষেত্ৰত সমিতি সমূহ পুনৰ সংগঠিত আৰু সঞ্জীৱিত কৰি তুলিবৰ কাৰণে বিভিন্ন মহলৰ পৰা পৰামৰ্শ লৈ ব্যৱস্থা লৈ থকা হৈছে।

সমবায় খণ্ডত প্ৰতিষ্ঠিত হোৱা অন্যান্য অনুষ্ঠান সমূহৰ ক্ষেত্ৰটো বিভিন্ন আসোঁৱাহবোৰ দূৰ কৰিবৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা লৈ থকা হৈছে। ওপৰোক্ত ব্যৱস্থাৱলীৰ পৰিপ্ৰেক্ষিতত এইকথা ন'দি কব পাৰি যে অসমত সমবায় আন্দোলন "মৃত্যুৰ দুৱাৰ দলিত" উপস্থিত হোৱাৰ কোনো সম্ভাৱনাটো নায়েই বৰং অহা কেইবছৰমানৰ ভিতৰত গ্ৰামীন এলেকা সমূহৰ অৰ্থনৈতিক উন্নতিত এই সমিতি সমূহে বলিষ্ঠ নেতৃত্ব দিব।

Mr. Speaker :—I think the statement made by the Hon: Minister is elaborate and no further clarification is necessary.

( laughter )

Now the House stands adjourned till 10 00 A.M. tomorrow the 21st March 1984;

## ADJOURNMENT

The House rose of 5.40 P.M. and stood adjourned till 10 A.M. on 21st March, 1984.

P. D. Barua
Secretary,
Assam Legislative Assembly.

Dated, Dispur
The 20th March, 1984